www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অসম বার্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

কল্পনাৰ সাগৰত ডুবি নহয় বাস্তৱতাৰ নৈত সাঁতুৰিব শিকা, তেহে জীৱনৰ লক্ষ্যত উপনীত হব পাৰিবা। — আব্দল কালাম

□ প্ৰথম বছৰ □ সংখ্যা- ৩৩৬ □ বুধবাৰ □ ১৪ অক্টোবৰ, ২০২৬ চন □ Volume/Year- I □ Issue- 336 □ Wednesday □ 14th October, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page-8

জুবিন গাৰ্গৰ গোচৰত অমৃতপ্ৰভাৰ জামিনক লৈ ক্ষোভ

SIT অভিযোগনামাত সুৰুঙাৰ অভিযোগ যতীন বৰা-অৰুণ হাজৰিকাৰ

- চাৰ্জশ্বীট শক্তিশালী নোহোৱাৰ বাবেই সুৰুঙা বৈ গ'ল ঃ যতীন বৰা
- পানী নসৰকা বিচাৰপ্ৰক্ৰিয়া বুলি কৈছিল, এতিয়া টোপটোপকৈ সৰকিবলৈ আৰম্ভ কৰিলে ঃ অৰুণ হাজৰিকা



ষ্টাফ ৰিপৰ্টাৰ, ১৩ অক্টোবৰ ঃ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তই জামিন লাভ কৰাৰ পিছত বাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই প্ৰসংগতে অসমৰ দুই জনপ্ৰিয় অভিনেতা যতীন বৰা আৰু অৰুণ হাজৰিকাই মুখ খুলিছে। মঙলবাৰে তেজপুৰত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত দুয়োগৰাকী অভিনেতাই বিশেষ □ ৬ পৃষ্ঠাত

কলকাতাৰ শিল্পীৰ ঠগত বিপাঙত গুৱাহাটীৰ দুখন পূজা কমিটি

ছাত্ৰীবাৰী দেৱপূজাস্থান সমিতি আৰু কুমাৰপাৰাৰ নয়নতৰা ক্লাবৰ লাখ লাখ টকা লৈ উধাও সুদীপ্ত পাল



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ শাৰদীয় দুৰ্গোৎসৱৰ মহাষষ্ঠীলৈ মাত্ৰ তিনিটা দিন বাকী থকাৰ সময়ত গুৱাহাটী মহানগৰীৰ দুখন আগশাৰী পূজা কমিটি গভীৰ বিপাঙত পৰিছে। পেণ্ডেল নিৰ্মাণৰ বাবে লাখ লাখ টকা লৈ কলকাতাৰ এগৰাকী শিল্পী মহাশয়জনকভাৱে উধাও হোৱাত কমিটি দুখনে ভবলমুখ □ ৬ পৃষ্ঠাত

■ উচ্চ ন্যায়ালয়ৰ চৰ্তসাপেক্ষ জামিন; হাফলং কাৰাগাৰৰ পৰা মুকলি ■

মুকলি আকাশৰ তললৈ অমৃতপ্ৰভা

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১৩ অক্টোবৰ ঃ অসমৰ সংগীত জগতৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত চলি থকা গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্তই মঙলবাৰে পুৱা হাফলং উপ-কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে। গুৱাহাটী উচ্চন্যায়ালয়ে তেওঁক চৰ্তসাপেক্ষে জামিন মঞ্জুৰ কৰাৰ পিছত প্ৰয়োজনীয় আইনী আৰু প্ৰশাসনিক আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱাত তেওঁ কাৰাগাৰৰ পৰা ওলাই আহে। কাৰাগাৰ সূত্ৰ অনুসৰি, সোমবাৰে বিয়লি ভাগত অমৃতপ্ৰভা মহন্তৰ পৰিয়ালৰ তিনিগৰাকী সদস্য হাফলঙত উপস্থিত হয়। তেওঁলোকৰ উপস্থিতি কাৰাগাৰ কৰ্তৃপক্ষই মুক্তিৰ আনুষ্ঠানিক প্ৰক্ৰিয়া আৰম্ভ কৰে। কিন্তু সোমবাৰে নিশালৈকে সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাত তেওঁক সেইদিনা মুকলি কৰা নহয়। ইফালে, সোমবাৰে অমৃতপ্ৰভা মহন্তক মুক্তি দিয়া হ'ব বুলি জনাত হাফলং উপ-কাৰাগাৰৰ সমুখত বহু লোক আৰু সাংবাদিকে ভৰি পৰে। নিৰাপত্তাজনিত কাৰণত তেওঁক সোমবাৰে মুকলি কৰা নহয়। বাতি ১১.৩০ বজাত পৰিয়ালৰ □ ৬ পৃষ্ঠাত



■ শ্যামকানু, সিদ্ধাৰ্থ, শেখৰজ্যোতিও মুক্ত আকাশৰ তললৈ ওলাই অহাৰ আশংকা ■

চাৰ্জশ্বীটক "ভুৰা আৰু দুৰ্বল" আখ্যা অখিল গগৈৰ



নিউজ ডেস্ক, অসম বার্তা, ১৩ অক্টোবৰ ঃ জুবিন গাৰ্গৰ বহস্যজনক মৃত্যুৰ ঘটনাৰ সৈতে জড়িত প্ৰথমগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্ত অবশেষত মুক্ত আকাশৰ তললৈ ওলাই আহিছে। হাফলং কাৰাগাৰৰ পৰা আজি মঙলবাৰে পুৱা ৬.৩০ বজাত তেওঁ মুক্তি লাভ কৰে। মুখত কলা মাস্ক, গাত ধোঁৱা বৰণীয়া হুডী, পকেটত দুহাত ভৰাই থাৰ বাহনত উঠি হাফলঙৰ পৰা গুৱাহাটীলৈ পৰিয়ালৰ সৈতে ৰাওনা হয় অমৃতপ্ৰভা মহন্ত। □ ৬ পৃষ্ঠাত

অধিবক্তাক সাক্ষাৎ কৰিবলৈ নিদিয়াৰ অভিযোগ অভিজিৎ দীপকেৰ

যন্তৰ-মন্তৰত চিজেপি কৰ্মী সৌৰভ দাস, আশুতোষ ৰাংকা আৰু আজিংক্য শিণ্ডেক আটক



নেশ্যনেল ডেস্ক, অসম বার্তা, ১৩ অক্টোবৰ ঃ ককবোজ জনতা পাৰ্টীৰ নেতা অভিজিৎ দীপকেয়ে মঙলবাৰে অভিযোগ কৰে যে দলৰ নেতা সৌৰভ দাস, আশুতোষ ৰাংকা আৰু আজিংক্য শিণ্ডে আৰক্ষীৰ জিম্মাত আছে আৰু তেওঁলোকক অধিবক্তাৰ সৈতে সাক্ষাৎ কৰাৰ অনুমতিৰ পৰা বঞ্চিত কৰা হৈছে। এক্স (X) পোষ্টত দীপকেয়ে আৰক্ষীৰ কাৰ্যব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰে আৰু প্ৰক্ৰিয়াত নিয়ম উলংঘনৰ অভিযোগ □ ৬ পৃষ্ঠাত

কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজ্যসভা সদস্য পদৰ পৰা পদত্যাগ বিজেপিৰ জ্যেষ্ঠ নেতা এল মুৰুগানৰ

তামিলনাড়ুত সংগঠন শক্তিশালী কৰিবলৈ তৃণমূল পৰ্যায়লৈ উভতি যোৱাৰ সিদ্ধান্ত

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৩ অক্টোবৰ ঃ বিজেপিৰ জ্যেষ্ঠ নেতা এল মুৰুগানে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিছে। তেওঁ কেৱল কেন্দ্ৰীয় মন্ত্ৰীৰ পদেই নহয়, ৰাজ্যসভাৰ সদস্য পদো ত্যাগ কৰিছে। তামিলনাড়ুত বিজেপিৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি জনাইছে। □ ৬ পৃষ্ঠাত

আজিৰ কলম

মাদকতা ভৰা স্নিগ্ধ-সমাহিত শৰতৰ আগমন



শৰৎ চন্দ্ৰ চিৰিংফুকন

কি গীত গালে শেৱালি ফুলে
শৰৎ আহে মোৰ পদুলিলে
কি গগণা বালে ৰঙা গোলাপ ফুলে
ফাগুন আহে মোক জোকাবলে
ফাগুন আহে মোক জোকাবলে।
-মঞ্জুমালা শৰ্মা

শৰতৰ শেৱালি আৰু ফাগুনৰ পলাশ ফুলনিৰ কোমলতা আৰু স্নিগ্ধতা ভৰা প্ৰকৃতিকুঞ্জৰ □ ৭ পৃষ্ঠাত

কেৰালা, তামিলনাড়ু, ওড়িশা, কৰ্ণাটক, উত্তৰাখণ্ড আৰু ছিকিমত নতুন ৰাজ্যপাল

ছখন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি ৰাষ্ট্ৰপতি মুৰ্মুৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৩ অক্টোবৰ ঃ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে সোমবাৰে ছখন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি প্ৰদান কৰে। ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ এক বিজ্ঞপ্তি অনুসৰি কেৰালা, তামিলনাড়ু, ওড়িশা, কৰ্ণাটক, উত্তৰাখণ্ড আৰু ছিকিমত এই নিযুক্তি দিয়া হৈছে। ৰাজ্যপালসকলে নিজ নিজ পদৰ দায়িত্ব গ্ৰহণ কৰাৰ তাৰিখৰ পৰা এই নিযুক্তিসমূহ কাৰ্যকৰী হ'ব। বিজ্ঞপ্তি অনুসৰি, কেৰালাৰ ৰাজ্যপাল বাজেন্দ্ৰ বিশ্নাথ আৰ্লেকাৰক তামিলনাড়ুৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁক তামিলনাড়ুৰ পূৰ্ণকালীন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। কেৰালাৰ বাসিন্দা আৰ্লেকাৰ গোৱা বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ। ইয়াৰ পূৰ্বে □ ৬ পৃষ্ঠাত

ভোট চুৰি' প্ৰসংগত উত্তৰ দিবলৈ অসমৰ মুখ্যমন্ত্ৰী কংগ্ৰেছ সাংসদ জীবি মেথাৰৰ আহ্বান

"অপ্ৰাসংগিক মন্তব্য পৰিহাৰ কৰি নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ সন্দৰ্ভত স্পষ্টীকৰণ দিয়ক"



নিউজ ডেস্ক, অসম বার্তা, ১৩ অক্টোবৰ ঃ বিৰোধীয়ে উত্থাপন কৰা 'ভোট চুৰি' প্ৰসংগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে কৰা মন্তব্যৰ প্ৰত্যুত্তৰ দিছে কংগ্ৰেছ সাংসদ জীবি মেথাৰে। সাংসদ মেথাৰে মুখ্যমন্ত্ৰী শৰ্মাক সমালোচনা কৰি কয়, "যদি উত্তৰ দিব বিচাৰে, তেন্তে ভোট চুৰিৰ সন্দৰ্ভত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ লগত নিৰ্বাচন আয়োগৰ দুই বিষয়াৰ সিদ্ধান্ত কিয় অমিল আছিল, তাৰ উত্তৰ মুখ্যমন্ত্ৰী শৰ্মাই দিয়ক। অপ্ৰাসংগিক বিষয়ত কথা কৈ লাভ □ ৬ পৃষ্ঠাত

চাহ জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়ন আৰু মৰ্যাদাপূৰ্ণ জীৱনৰ প্ৰতিশ্ৰুতি

চাহ শ্ৰমিকলৈ ২০ শতাংশ বিশেষ বোনাছ সম্পন্ন ঘোষণা মুখ্যমন্ত্ৰীৰ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ উৎসৱৰ বতৰত কেন্দ্ৰীয় বা ৰাজিক, চৰকাৰী বা ব্যক্তিগত-সকলো কৰ্মচাৰীয়ে বোনাছৰ বাবে আগ্ৰহেৰে বাট চাই থাকে। দুৰ্গাপূজা বিশেষভাৱে বোনাছৰ আশা কৰা সময়। এনে পৰিস্থিতিত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ লাখ লাখ চাহ শ্ৰমিকলৈ সুখৰৰ কঢ়িয়াই আনিছে। ৰাজ্যৰ ৮০০বো অধিক চাহ বাগিচাৰ শ্ৰমিকক ২০ শতাংশ বিশেষ □ ৭ পৃষ্ঠাত

জুবিন মহোৎসৱৰ আয়োজক সমিতিৰ তালিকাক লৈ বিতৰ্ক

এনে বিতৰ্কত মুখ্যমন্ত্ৰীক নটনাই ভাল ঃ ড° হিমন্ত বিশ্ব শৰ্মা



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ অজয় ফুকনৰ নেতৃত্বত আয়োজন কৰিবলৈ লোৱা 'জুবিন মহোৎসৱ'ৰ আয়োজক সমিতিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। নিজকে সভাপতি হিচাপে নাম উল্লেখ কৰি অজয় ফুকনে 'জুবিন মহোৎসৱ' আয়োজক সমিতিৰ তালিকা প্ৰকাশ কৰাৰ পিছতে এই বিতৰ্কৰ □ ৬ পৃষ্ঠাত

ইণ্ডি এলায়েন্সৰ বৈঠকত যিকোনো মূল্যৰ বিনিময়ত গণতন্ত্ৰ ৰক্ষাৰ সংকল্প

জ্ঞানেশ কুমাৰে গণতন্ত্ৰক হত্যা কৰিছে ঃ ৰাহুল গান্ধী

মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগ নকৰালৈকে আন্দোলন অব্যাহত থকাৰ হুংকাৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ১৩ অক্টোবৰ ঃ দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত দেশজুৰি বিৰোধীৰ প্ৰতিবাদ আৰু আন্দোলন অব্যাহত আছে। এফালে ককবোজ্ঞ জনতা পাৰ্টীৰ আন্দোলন চলি থকাৰ সময়তে আনফালে কংগ্ৰেছৰ নেতৃত্বত ইণ্ডি এলায়েন্সৰ সদস্য দলসমূহ জ্ঞানেশ কুমাৰৰ □ ৬ পৃষ্ঠাত

কালীঘাট থানাত এজাহাৰ দাখিল ঃ তদন্ত আৰম্ভ

মমতা বেনার্জীক চোকা অস্ত্ৰৰে আক্ৰমণৰ চেষ্টাৰ অভিযোগ



নেশ্যনেল ডেস্ক, অসম বার্তা, ১৩ অক্টোবৰ ঃ পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনার্জীক চোকা অস্ত্ৰৰে আক্ৰমণৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন হৈছে। তৃণমূল কংগ্ৰেছৰ সাংসদ লোনা সেনে অভিযোগ কৰা অনুসৰি, এগৰাকী মহিলাই হাতত চোকা অস্ত্ৰ লৈ মমতা বেনার্জীক আক্ৰমণ কৰাৰ চেষ্টা কৰে। সাংসদ দোলা সেনে দাবী কৰা অনুসৰি, সন্দেহযুক্ত মহিলাগৰাকীয়ে নিজকে 'চিভিক ভলেণ্টিয়াৰ' বুলি পৰিচয় দিছিল। আনকি তেওঁ নিজকে মমতা বেনার্জীৰ ভতিজী বুলিও দাবী কৰিছিল। এই ঘটনাৰ সন্দৰ্ভত কালীঘাট থানাত এজাহাৰ দাখিল কৰিছে সাংসদগৰাকীয়ে। অভিযোগ অনুসৰি, সন্ধিয়া প্ৰায় □ ৬ পৃষ্ঠাত

পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ বাবে সামৰ্থ্য বৃদ্ধি আৰু প্ৰশিক্ষণৰ পদক্ষেপক শক্তিশালীৰ লক্ষ্য

তিনিচুকীয়া জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰাবাস উদ্ধোধন মন্ত্ৰী অতুল বৰাৰ



অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৩ অক্টোবৰ ঃ অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ অধীনৰ জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰ শ্চড্ডভূত্বট্টগ্ৰ, তিনিচুকীয়াৰ প্ৰশাসনিক ভৱনৰ লগতে ছাত্ৰাবাসৰ শুভ-উদ্ধোধন কৰে। এই উপলক্ষে আয়োজিত বাজহুৱা সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী অতুল বৰাই কয় যে, ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি সবল কৰাৰ বাবে পঞ্চায়তীৰাজ ব্যবস্থাটো অধিক শক্তিশালী কৰাটো অসম চৰকাৰৰ অন্যতম প্ৰধান লক্ষ্য। তিনিচুকীয়া জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰটোৰ প্ৰতিষ্ঠাই জিলাখনৰ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি, গাঁও □ ৬ পৃষ্ঠাত

মাজুলীত সন্দেহজনক হিৰোইনসহ এজনক আটক

মাজুলী আৰক্ষীৰ বিশেষ দলৰ অভিযান

অসম বার্তা, উজনী মাজুলী, ১৩ অক্টোবৰ ঃ মাজুলীত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে আজি মহকিনা তিনিআলিত ৪.৩২ গ্ৰাম সন্দেহজনক হিৰোইনসহ এজন যুবকক আটক কৰে মাজুলী আৰক্ষীয়ে। আটকাধীন যুবকজন লক্ষীমপুৰ জিলাৰ বিহপুৰীয়াৰ বিপ্লৱ দেৱনাথ বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, গোপন তথ্যৰ □ ৬ পৃষ্ঠাত



বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ দ্বাৰা উদ্ধোধন; আজিৰে পৰা জীপ চাফাৰী, নৰেম্বৰৰ পৰা হাতী চাফাৰী-স্থানীয় জীৱিকা আৰু পৰ্যটন উন্নয়নৰ ওপৰত গুৰুত্ব

২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে পুনৰ মুকলি পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১৩ অক্টোবৰ ঃ মৰিগাঁও জিলাত অবস্থিত পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য ২০২৬-২৭ পৰ্যটনবৰ্ষৰ বাবে পুনৰ মুকলি কৰা হৈছে। মঙলবাৰে পুৱা ৰাজ্যৰ বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আনুষ্ঠানিকভাৱে অভয়াৰণ্যখনৰ দুৱাৰ পৰ্যটকৰ বাবে মুকলি কৰে। উদ্ধোধনী অনুষ্ঠানত নগাঁও লোকসভা সমষ্টিৰ নৱ-নিৰ্বাচিত সাংসদ দেৱাশিস শৰ্মাও উপস্থিত আছিল। কাৰ্যসূচী অনুসৰি, মঙলবাৰৰ পৰাই অভয়াৰণ্যখনত জীপ চাফাৰী আৰম্ভ হৈছে। নৰেম্বৰ মাহৰ পৰা হাতী চাফাৰীও পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। উদ্ধোধনী অনুষ্ঠানত বনমন্ত্ৰীগৰাকীয়ে স্মাৰক দোকান উদ্ধোধন কৰাৰ □ ৬ পৃষ্ঠাত

উদালী কলেজৰ ৰূপালী জয়ন্তী সমাৰোহৰ সামৰণি

অন্তিম দিনা 'যন্ত্ৰ'ৰ গীত-মাতে মুহিলে শ্ৰোতা-দৰ্শকক

অসম বাৰ্তা, লংকা, ১৩ অক্টোবৰ ঃ হোজাই জিলাৰ লংকাৰ বামুণগাঁৱস্থিত উদালী কলেজৰ প্ৰতিষ্ঠাৰ ২৫ বছৰ পূৰ্তি উপলক্ষে যোৱা ৯, ১০ আৰু ১১ অক্টোবৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত ৰূপালী জয়ন্তী সমাৰোহৰ দেওবাৰে সফল সামৰণি পৰে। অন্তিম দিনাৰ সাংস্কৃতিক অনুষ্ঠানত অসমৰ প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সৃষ্টিৰে সমৃদ্ধ সাংস্কৃতিক দল 'যন্ত্ৰ'ৰ গীত-মাতে উপস্থিত শ্ৰোতা-দৰ্শকক আপ্লুত কৰে। সমাৰোহৰ প্ৰথম দিনা, ৯ অক্টোবৰত পুৱা ৯.৩০ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰশাসনিক সমিতিৰ সভাপতি ড° অমৰজিত সিং ভূঞাই। পুৱা ১০ বজাত ৰূপালী জয়ন্তী সমিতিৰ পতাকা উত্তোলন কৰে সমিতিৰ সভাপতি ইলিয়াছ উদ্দিন খানে। ইয়াৰ পাছতে ৰূপালী জয়ন্তীৰ স্মাৰক উন্মোচন কৰে হোজাই জিলাৰ আয়ুক্ত সঞ্জয় দত্তই। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ উদ্যোগত সৰ্বমুঠ ২৬খন পতাকা উত্তোলন কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা, সম্বৰ্ধনা অনুষ্ঠান আৰু ন-পুৰণি সতীৰ্থ সন্মিলন। দিনটোৰ কাৰ্যসূচীৰ অন্যতম আকৰ্ষণ আছিল 'অসমত উচ্চশিক্ষাৰ সংকট' শীৰ্ষক আলোচনা চক্ৰ। লংকা কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ইছমাইল আলীৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰত উচ্চশিক্ষাৰ ক্ষেত্ৰত বৰ্তমান সময়ত উদ্ভৱ হোৱা বিভিন্ন সমস্যা, প্ৰত্যাহ্বান আৰু এই সংকটৰ পৰা উত্তৰণৰ সম্ভাব্য উপায়সমূহৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়ায় লংকাৰ কৃষ্ণ বৰা বি.এড. কলেজৰ অধ্যক্ষ ড° মোস্তাফিজুৰ ৰহমান, অধ্যাপক তথা কবি ড° ৰাজীৱ হুছেইন, চামগুৰি কলেজৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা আৰু উদালী কলেজৰ অধ্যক্ষ ড° অৰুণ বৰাই। সমাৰোহৰ দ্বিতীয় দিনা, ১০ অক্টোবৰত পুৱা ১০ বজাত এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাটো উদ্বোধন কৰে কৌতুক শিল্পী ৰাজীৱ ক্ৰ আৰু অভিনেত্ৰী প্ৰীতি কংকনাই। শোভাযাত্ৰাৰ পাছতে উদালী কলেজৰ অধ্যাপক মোস্তাক আহমেদৰ সঞ্চালনাত অনুষ্ঠিত হয় গুৰু-শিষ্যৰ প্ৰীতি সন্মিলন আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰংগ আলাপ। নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত টেটোন তামোলী কৌতুক গোষ্ঠীয়ে অনুষ্ঠান পৰিৱেশন কৰি উপস্থিত দৰ্শকক আমোদ দিয়ে। সমাৰোহৰ অন্তিম দিনা, ১১ অক্টোবৰত পুৱাৰ ভাগত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা ১০ বজাত বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰা 'সোঁৱৰণীৰ ৰূপালী পৃষ্ঠা' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। বিয়লি ৩ বজাত আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি দয়ানন্দ নেওগৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অৰুণ বৰাই আৰু আদৰণী ভাষণ প্ৰদান কৰে উদ্‌যাপন সমিতিৰ উপ-সভাপতি ছিৰাজ তালুকদাৰে। এই উপলক্ষে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় সংগীত পৰিৱেশন কৰে। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে নগাঁৱৰ ৰামানুজন জুনিয়ৰ কলেজৰ অধ্যক্ষ দিলীপ বৰা, অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া আলী আস্কৰ, বিধায়ক শিবু মিশ্ৰ, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° দত্ত, ড° অমৰজিত সিং ভূঞাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে। বক্তাসকলে মহাবিদ্যালয় খনৰ ২৫ বছৰীয়া শৈক্ষিক যাত্ৰা আৰু উচ্চশিক্ষাৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। তিনিদিনীয়া সমাৰোহৰ অন্তিম নিশা অনুষ্ঠিত হয় বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান। অসমৰ প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ সৃষ্টিৰে সমৃদ্ধ সাংস্কৃতিক দল 'যন্ত্ৰ'ৰ গীত-মাতে অনুষ্ঠানটোক বিশেষ মাত্ৰা প্ৰদান কৰে। দলটোৰ পৰিৱেশনাই উপস্থিত শ্ৰোতা-দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে। ইয়াৰ লগে লগে উদালী কলেজৰ ৰূপালী জয়ন্তী সমাৰোহৰ সফল সামৰণি পৰে।

মাজুলীৰ বিশিষ্ট সমাজকৰ্মী বাচাৰাম বৰুৱাৰ জীৱন ভিত্তিক গ্ৰন্থ "কৃতসংকল্প" উন্মোচন

অসম বাৰ্তা, বনগাঁও, ১৩ অক্টোবৰ ঃ নিজৰ অধ্যৱসায় দ্বাৰা উপাৰ্জন কৰা কিছু অংশৰে দুখীয়া-দৰিদ্ৰ তথা আৰ্তজনৰ কল্যাণ সাধন কৰা সকলক ভগৱানে সদায় আশিষ প্ৰদান কৰিব। মানৱ জনম ধৰি সমাজৰ ক'ল্যান সাধন কৰাটোৱেই প্ৰকৃত ধৰ্ম। বহুজনে ভীক্ষা কৰিও আনৰ ক'ল্যান সাধন কৰি সন্তুষ্ঠি লাভ কৰে। ঐতিহাসিক দৰিয়া গাওঁ নিবাসী মাজুলীৰ সু-সন্তান বাচাৰাম বৰুৱাও এনে এগৰাকী ব্যক্তি যি গৰাকীয়ে কোনোদিন আৰ্তজনক সহায় নকৰাকৈ থকা নাই কিম্বা বিচাৰি অহাজনক বিমুখ কৰানাই। যাৰ বাবে ৰাইজে দানবীৰ উপাধিৰে বিভূষিত কৰিছে। সেই গৰাকী সমাজকৰ্মী বাচাৰাম বৰুৱাৰ জীৱনভিত্তিক অভিনন্দন গ্ৰন্থ "কৃতসংকল্প বাচাৰাম বৰুৱা" নামৰ গ্ৰন্থ খনি উন্মোচন কৰি উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱ গোস্বামীয়ে এনেদৰে কয়। আউনীআটীয় ডেকা সত্ৰাধিকাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখনি বিশিষ্ট বৈষ্ণৱ শিল্পী উপেন বৰগায়ণৰ এটি বৰগীতেৰে শুভাৰম্ভ হয়। তীৰ্থ ভূঞা আৰু গ্ৰন্থ সম্পাদনা সম্পাদক জীৱন বৰুৱাই আতঁ ধৰা অনুষ্ঠানটিত মুখ্য বক্তা হিচাপে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাই বাচাৰাম বৰুৱাৰ বাল্যকালৰ পৰা সংঘাত ময় জীৱনৰ মাজেৰে উত্তৰণ ঘটোৱা সমস্ত বিষয়ৰ



ওপৰত বক্তব্য ৰাখি সমাজৰ প্ৰতি আগবঢ়োৱা অৱদানক সভাত প্ৰকাশ কৰে। জিলাখনৰ চাৰিগৰাকীকৈ ঐতিহ্যমণ্ডিত সত্ৰৰ সত্ৰাধিকাৰৰ উপস্থিতিত সভাখনিত উত্ৰকমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দনদেৱ গোস্বামীয়ে গ্ৰন্থখনি উন্মোচন কৰি সত্ৰৰ একান্ত সেৱক গৰাকীৰ আধ্যাত্মিকতাৰ প্ৰতি থকা অটল বিশ্বাসক প্ৰশংসা কৰে। সন্মানীয় অতিথি হিচাবে সভাত উপস্থিত থকা মাজুলী বিধায়ক ভুৱন গামে —বাচাৰাম বৰুৱাক এগৰাকী তেওঁৰ অভিভাৱক হিচাবে গণ্য কৰা বুলি বক্তব্যত প্ৰকাশ কৰে। সভাখনিত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃদেৱজিত শইকীয়াই বাচাৰাম বৰুৱাৰ বাল্যকাল আৰু আজিৰ অৱস্থাৰ প্ৰসংগত বক্তব্য ৰাখি মাজুলীৰ আৰ্থসামাজিক উন্নয়নৰ এক ভোটাতৰা উল্লেখ কৰি বিভিন্ন অনুষ্ঠানলৈ আগবঢ়োৱা বদান্যতাৰ বাবে বৰুৱাদেৱ নমস্য ব্যক্তি হৈ থাকিব বুলিও ব্যক্ত কৰে। অনুষ্ঠানটিত সুদূৰ কলিকতাৰ পৰা অংশগ্ৰহণ কৰা মনিপুৰি নৃত্য শিল্পী সুনিত কুমাৰ ঘোষ, নৃত্য প্ৰতিয়শী উষাৰাণী বৈশ্যই বৰুৱাদেৱৰ সামগ্ৰীক অৱদানৰ ওপৰত বক্তব্য ৰাখে। মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞাই বৰুৱা দেৱৰ সামাজিক অনুষ্ঠান বিপদগ্ৰস্ত লোকৰ প্ৰতি থকা ত্যাগক প্ৰশংসা কৰি আনক মানুহ কৰাৰ ক্ষেত্ৰত থকা ত্যাগৰ নিদৰ্শন দাঙি ধৰি বক্তব্য ৰাখে। কমলাবাৰী সত্ৰৰ ডেকা অধিকাৰ সত্যজিত মহন্তই দুৱাষাৰ বক্তব্য ৰখা সভাখনিত বিজেপিৰ জিলা সভাপতি দীপক গোস্বামী, আধাৰ মাহমৰা সত্ৰৰ সত্ৰাধিকাৰ মহেশ গোস্বামী, সংগীত নাটক একাডেমি বটাঁ প্ৰাপক কৰুণা বৰা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, প্ৰভাত বৰা বুঢ়া ভকত, সংগীত নাটক একাডেমী বটাৰে সন্মানিত যোগেন দত্ত বায়, নৰেন চন্দ্ৰ ঠাকুৰীয়া অসম সৌৰভ বটা প্ৰাপক ডাঃ শশীধৰ ফুকন, প্ৰমোদ বৰা প্ৰমুখ্যে ভালে সংখ্যক গণ্যমান্য বিশিষ্ট ব্যক্তি বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে। জিলা খনৰ বিভিন্ন স্থানৰ পৰা অহা প্ৰায় পাঁচ শতাধিক লোক উপস্থিত থকা সভাখনিত দানবীৰ বাচাৰাম বৰুৱাক উত্তৰ কমলাবাৰী সত্ৰ, দৰিয়াগাও ৰাইজ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাজুলী জিলা সমিতি, মাজুলী জিলা সাংবাদিক সন্থা, মাজুলী জিলা আপকু; জিলা মহিলা সমিতি, মাজুলী মিলন সংঘ কমলাবাৰী প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান- ব্যক্তি বিশেষৰ পৰা বাচাৰাম বৰুৱাদেৱ সহ সহধৰ্মিনী মিনু বৰুৱাকো সম্বৰ্ধনা জনায়। সভাপতিৰ মন্তব্য আৰু ভাষণত দেবানন্দ দেব গোস্বামীয়ে বৰুৱাদেবৰ প্ৰতি ৰাইজে দেখুউৱা শ্ৰদ্ধাই তেওৰ পৰিচয় বুলি কৈ এনে হিতৈষী লোকক ভগবানে শতায়ু গৰকাই সুস্থ শৰীৰে ৰাখক বুলি আশিস প্ৰদান কৰে। সভাৰ শেষত তীৰ্থ ভূঞাই শলাগৰ শৰাই আগবঢ়ায়।

মাকুম ৰাজগড় আলিত কুঁডুখ (ওৰাওঁ) সমাজৰ উদ্যোগত মাদল কৰম উৎসৱৰ উদ্‌যাপন

অসম বাৰ্তা, মাকুম, ১৩ অক্টোবৰ ঃ চাহ জনগোষ্ঠী বা আদিবাসী লোক সকলৰ ভাদমাহৰ শুক্লা একাদশীত পালন কৰিবলগীয়া উৰ্বৰতা, সমৃদ্ধি আৰু সমন্বয়ৰ প্ৰতীক কৃষিভিত্তিক উৎসৱ কৰম পৰব বা কৰম পূজা ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰাৰ কাৰ্যসূচী অব্যাহত আছে। তাৰ সমান্তৰাল ভাৱে প্ৰতিবছৰৰ দৰে মাকুম ৰাজগড় আলি কুঁডুখ (ওৰাওঁ) সমাজৰ উদ্যোগত ৰাজগড় আলি চাহ বাগিচাৰ খেৰলাইনৰ সাৰনা স্থলত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ভাদ শুক্লা একাদশীৰ শেহতীয়া কৰমৰ উপলক্ষে আয়োজন কৰা হয় এই পৰম্পৰাগত মাদল কৰম উৎসৱ। কাৰ্যসূচী অনুসৰি যোৱা ছয় দিন পূৰ্বে অঞ্চলটোৰ দাঁতিকাষৰীয়া নদীৰ পৰা কৰমতী সকলে পৰম্পৰাগত বালি উঠোৱা কাৰ্যসূচী সম্পন্ন কৰে। তাৰ পাছতে আজি সন্ধিয়াৰ পৰত পৰম্পৰাগত ৰীতি-নীতিৰে কৰম ডাল স্থাপনৰ পাছতেই উৎসৱস্থলীত সৃষ্টি হয় এক আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিৱেশৰ। ধৰ্মীয় ৰীতি নীতিৰে কৰম ডাল স্থাপনৰ পাছতে আৰম্ভ হয় পৰম্পৰাগত "কৰম আখড়া।" পৰম্পৰা, লোক-সংস্কৃতিৰ অপূৰ্ব মাধুৰ্য আৰু নৃত্য-গীতৰ ছন্দোময় লহৰেৰে মুখৰিত হৈ পৰিল মাকুমৰ ৰাজগড় আলি চাহ বাগিচা। নিজৰ চহকী সাংস্কৃতিক ঐতিহ্যক বুকুত সাবটি, জাতীয় পৰম্পৰাৰ গৰিমা অক্ষুণ্ণ ৰখাৰ সংকল্পৰে ৰাজগড় আলি চাহবাগিচাত উলহ-মালহেৰে উদ্‌যাপন কৰা হয় কুঁডুখ (ওৰাওঁ) সমাজৰ পৱিত্ৰ মাদল কৰম উৎসৱ। ঢোল-মাদলৰ ছন্দ, পৰম্পৰাগত নৃত্যৰ লয়লাসেৰে ওৰেটো নিশা মুখৰিত হৈ থাকে খেৰালাইনৰ সাৰনা স্থল।

১৫৭টা আত্মসহায়ক গোটলৈ ৮.৫৫ কোটি টকাৰ ঋণ মঞ্জুৰ; ৫৮জনক ব্যক্তিগত ঋণ বিতৰণ

গৌৰীসাগৰত ঋণ মেলা

অসম বাৰ্তা, জাঁজী, ১৩ অক্টোবৰ ঃ গ্ৰাম্য অৰ্থনীতি অধিক গতিশীল কৰাৰ লগতে গ্ৰামাঞ্চলৰ আত্মনিৰ্ভৰশীলতা বৃদ্ধি আৰু আৰ্থিক অন্তৰ্ভুক্তিকৰণৰ লক্ষ্যৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ গৌৰীসাগৰ খণ্ড অভিযান পৰিচালনা শাখাৰ উদ্যোগত আজি অঞ্জন দত্ত ফাউণ্ডেশ্যনৰ সভাগৃহত এটি 'অনাদায়ী ঋণ আদায় আৰু খণ্ড পৰ্যায়ৰ ঋণ মেলা' (NPA Recovery-cum-Block Level Credit Camp) অনুষ্ঠিত হয়। উক্ত ঋণ মেলাত আত্মসহায়ক গোটসমূহক ঋণ প্ৰদান, ব্যক্তিগত ঋণ বিতৰণ আৰু অনাদায়ী ঋণ আদায়ৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য লাভ কৰা হয়। প্ৰাপ্ত তথ্য অনুসৰি, শিবিৰত মুঠ ৮ কোটি ৫৫ লাখ টকাৰ ঋণ ১৫৭টা আত্মসহায়ক গোটৰ বাবে মঞ্জুৰ কৰা হয়। আনহাতে, ৫৮গৰাকী হিতাধিকাৰীক মুঠ ৮২ লাখ ৭০ হাজাৰ টকাৰ ব্যক্তিগত ঋণ বিতৰণ কৰা হয়। ইয়াৰ উপৰি, অনাদায়ী ঋণ (NPA) আদায়ৰ জৰিয়তে মুঠ ২ লাখ ২৯ হাজাৰ টকা সংগ্ৰহ কৰা হয়। এই ঋণ মেলাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলাৰ জিলা প্ৰকল্প প্ৰবন্ধক ড° সূৰজ জ্যোতি গগৈ। অনুষ্ঠানত বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ জিলা কাৰ্যবাহী বিশেষজ্ঞা সুস্মিতা কালিন্দী, শিৱসাগৰ RSETIৰ সঞ্চালক জয়ন্ত ফুকন, অসম গ্ৰামীণ বেংকৰ চাৰিং আৰু কোঁৱৰপুৰ শাখাৰ শাখা প্ৰবন্ধকদ্বয় ক্ৰমে ৰত্না বৰবৰা আৰু ময়ূৰী বৰুৱা উপস্থিত থাকে। লগতে ষ্টেট বেংকৰ গৌৰীসাগৰ শাখাৰ প্ৰবন্ধক পুনম তাঁতী, পঞ্জাৱ নেচনেল বেংকৰ গৌৰীসাগৰ আৰু আমগুৰি শাখাৰ প্ৰবন্ধকদ্বয় ক্ৰমে অবিনাশ গগৈ আৰু টি. অ'ভুং, কৃষি ঋণ প্ৰবন্ধক ৰাজীৱ মিলিৰ লগতে গৌৰীসাগৰ খণ্ড অভিযান পৰিচালনা শাখা (BMMU)ৰ সকলো বিষয়া-কৰ্মচাৰীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে। গ্ৰামাঞ্চলৰ আত্মসহায়ক গোটসমূহক বেংকিং ব্যৱস্থাৰ সৈতে অধিক সুদৃঢ়ভাৱে সংযুক্ত কৰা, ক্ষুদ্ৰ উদ্যোগ আৰু স্ব-নিয়োজনৰ জৰিয়তে গ্ৰাম্য জীৱিকাৰ সুযোগ বৃদ্ধি কৰা তথা ঋণ পৰিশোধৰ ক্ষেত্ৰত সজাগতা গঢ়ি তোলাত এনে ঋণ মেলাই বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। এই পদক্ষেপে গ্ৰাম্য মহিলাসকলৰ আৰ্থিক সবলীকৰণৰ লগতে স্থানীয় অৰ্থনীতিৰ বিকাশতো ইতিবাচক প্ৰভাৱ পেলাব।

NAME CORRECTION

Sworn before the Notary Public at Udalguri, dated on 5th October 2026, that my actual and correct name is SUNIL KUMAR SWARGIARY, S/O: Kali Nath Swargiary, aged about 41 years, RO Vill: Niz-Chinakona, P.O.: Barangabari, P.S.: Khoirabari, Pin: 784522, RC: Khoirabari, Dist: Udalguri (BTR), Assam. But in the Co-Pattadar Land Record (P. Patta No. 28, Dag Nos. 407, 408, 456, 567, 468 and 498, total land 15 Bigha 5 Katha 02 Lecha, Village Niz-Chinakona, Mouza Chinakona), my name has been wrongly recorded as PATMESWAR KACHARI. Both SUNIL KUMAR SWARGIARY and PATMESWAR KACHARI are the names of one and the same person i.e. myself.

AB-191/2026

NAME CORRECTION

Sworn before the Notary Public at Udalguri on 05/10/2026 (Sl. No. 8503, dated 06/10/2026) that my actual and correct name is Jatindra Baro, S/O: Lt. Gajendra Baro, RO- Vill: Niz Chinakona, P.O.: Barangabari, P.S.: Khoirabari, Pin: 784522, Dist: Udalguri (BTR), Assam. But in my Land Record P.P. No. 18, my name has been wrongly recorded as Jatindra Kachari and my father's name as Khajendra Kachari instead of Gajendra Baro. Both Jatindra Baro and Jatindra Kachari are one and the same person i.e. myself, and Gajendra Baro and Khajendra Kachari are one and the same person i.e. my father.

AB-192/2026

নাম শুধৰণি

১২ অক্টোবৰ ২০২৬ তাৰিখে নাজিৰা নটাৰীযোগে জনাওঁ যে, মোৰ সকলো পৰিচয় পত্ৰত মোৰ শুদ্ধ নাম চামচুল হক (SAMSUL HAQUE)। কিন্তু শিৱসাগৰ জিলাৰ নাজিৰা ৰাজহ চক্ৰৰ অন্তৰ্গত আঠখেল মৌজাৰ নামদঙীয়া গাঁৱৰ ১৩২ নং পট্টাৰ ১২১ নং দাগৰ মাটিৰ জমা বন্দীত মোৰ নাম ভুলবশতঃ চামচুল হুছেইন হৈ আছে। এতিয়াৰ পৰা উক্ত মাটিত মোৰ নাম চামচুল হক বুলিহে গণ্য হ'ব।

ঘোষক ঃ
চামচুল হক
(SAMSUL HAQUE)
পিতৃ ঃ স্বৰ্গীয় মোহাম্মদ হুছেইন
গাঁও ঃ দেওপানী গোহাঁইগাঁও,
ডাক ঃ না-পাম দেওপানী,
পিন ঃ ৭৮৫৬৮৪
জিলা ঃ শিৱসাগৰ, অসম

AB-193/2026

শিশুৰ সৰ্বাংগীণ বিকাশৰ সংকল্পৰে গোলাঘাট জিলা মইনা পাৰিজাতৰ অষ্টাদশ দ্বি-বাৰ্ষিক পৰিষদ সভা সম্পন্ন

যোগেন দত্ত আৰু কৰ্মেশ্বৰ গগৈৰ নেতৃত্বত নতুন জিলা সমিতি গঠন

অসম বাৰ্তা, নুমলীগড়, ১৩ অক্টোবৰ ঃ শিশুৰ শাৰীৰিক, বৌদ্ধিক, মানসিক আৰু সৃষ্টিশীল প্ৰতিভাৰ বিকাশৰ লগতে শিশুসকলৰ মাজত সাহিত্য-সংস্কৃতি, ক্ৰীড়া, সামাজিক মূল্যবোধ আৰু নেতৃত্বৰ গুণ বিকাশৰ লক্ষ্যৰে গঠিত গোলাঘাট জিলা মইনা পাৰিজাতৰ অষ্টাদশ দ্বি-বাৰ্ষিক পৰিষদ সভাখন আজি কমাৰগাঁৱত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। "আমি পোহৰ বিচাৰি যাওঁ" শীৰ্ষক ভাৱধাৰাৰে কমাৰগাঁওবাসী ৰাইজৰ সহযোগত আৰু কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ আতিথ্যত কমাৰগাঁও আঞ্চলিক সাহিত্য সভাৰ লিলি দাস তালুকদাৰ ভৱনত অনুষ্ঠিত এই সভাত জিলাখনৰ বিভিন্ন আঞ্চলিক মইনা পাৰিজাতৰ প্ৰতিনিধি, বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে। সভাত বিগত কাৰ্যকালৰ সাংগঠনিক কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে আগন্তুক কাৰ্যকালত সংগঠনটোক অধিক গতিশীল কৰি তোলাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। পুৱা ৯ বজাত গোলাঘাট জিলা মইনা পাৰিজাতৰ সভাপতি সুৰেন গগৈয়ে সংগঠনৰ পতাকা উত্তোলন কৰি দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পুৱা ৯.৩০ বজাত শিশুবন্ধু বীৰেন্দ্ৰ নাথ শইকীয়াৰ মুখ্য তৰ্পণত স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ পিছতে জিলাখনৰ বিভিন্ন আঞ্চলিকৰ পৰা অহা প্ৰতিনিধিসকলৰ নাম পঞ্জীয়ন কৰা হয়। পুৱা ১১ বজাত অনুষ্ঠিত মূল পৰিষদ সভাখন শিশুবন্ধু তথা কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ মহেশ্বৰ শইকীয়াই উদ্বোধন কৰে। গোলাঘাট জিলা মইনা পাৰিজাতৰ সভাপতি যোগেন দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ মইনাসকলে পৰিৱেশন কৰা সূচনা গীতে উপস্থিত সকলোকে আপ্লুত কৰে। সভাত সদৌ অসম মইনা পাৰিজাতৰ সম্পাদক তথা ৰাজ্যিক পৰ্যবেক্ষক বীৰেণ কলিতাই উপস্থিত থাকি সংগঠনটোৰ লক্ষ্য-উদ্দেশ্য, শিশুসকলৰ প্ৰতিভা বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু আগন্তুক দিনৰ কাৰ্যপন্থা সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। শিশুসকলৰ স্বাভাৱিক প্ৰতিভা বিকাশৰ বাবে এক সুস্থ, সৃষ্টিশীল আৰু মূল্যবোধ সম্পন্ন পৰিৱেশ গঢ়ি তোলাত মইনা পাৰিজাতৰ ভূমিকা সন্দৰ্ভতো সভাত আলোচনা কৰা হয়। সভাত গোলাঘাট জিলা মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক কৰ্মেশ্বৰ গগৈয়ে ২০২২-২০২৬ বৰ্ষৰ চতুৰ্বাৰ্ষিক পুৰ্নাংগ প্ৰতিবেদন দাখিল কৰে। আনহাতে, হিচাপ পৰীক্ষকৰ প্ৰতিবেদন দাখিল কৰে জিলা মইনা পাৰিজাতৰ সম্পাদক মনোজ বৰাই। প্ৰতিবেদন দুটাত বিগত কাৰ্যকালত সংগঠনটোৱে ৰূপায়ণ কৰা বিভিন্ন কাৰ্যসূচী, সাংগঠনিক কাম-কাজ আৰু হিচাপ-নিকাচৰ বিস্তৃত বিৱৰণ দাঙি ধৰা হয়। প্ৰতিবেদনত উল্লেখ কৰা কাৰ্যকলাপ আৰু সাংগঠনিক সফলতাসমূহৰ প্ৰতি সভাত উপস্থিত প্ৰতিনিধি তথা বিষয়ববীয়াসকলে সন্তুষ্টি প্ৰকাশ কৰে আৰু সৰ্বসন্মতি ক্ৰমে সভাত প্ৰতিবেদন গ্ৰহণ কৰা হয়। ইয়াৰ সমান্তৰালকৈ আগন্তুক দিনত আঞ্চলিকসমূহৰ মাজত সমন্বয় বৃদ্ধি, সাংগঠনিক ভেটি অধিক শক্তিশালী কৰা আৰু শিশুসকলক বিভিন্ন সৃষ্টিশীল কামত জড়িত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। জিলাখনৰ নুমলীকুঁৱৰী, দৈয়াং, পূৱ গোলাঘাট, কমাৰগাঁও, নুমলীগড়, মিছামৰা, দেৰগাঁও, দক্ষিণ গোলাঘাট, মধ্য গোলাঘাট আৰু মৰঙি আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি, সম্পাদক আৰু জিলা প্ৰতিনিধিসকলে সভাত অংশগ্ৰহণ কৰে। প্ৰতিনিধিসকলে শিশুসকলৰ মাজত সাহিত্য-সংস্কৃতিৰ চৰ্চা, ক্ৰীড়াৰ প্ৰসাৰ, সামাজিক মূল্যবোধৰ বিকাশ, সৃষ্টিশীল প্ৰতিভাৰ উন্মেষ আৰু নেতৃত্বৰ গুণ গঢ়ি তোলাৰ ক্ষেত্ৰত সংগঠনটোৰ ভূমিকা অধিক সম্প্ৰসাৰিত কৰাৰ প্ৰয়োজনীয়তা দোহাৰে। নুমলীগড় আঞ্চলিকৰ সভাপতি হৰেন শইকীয়া, সম্পাদক প্ৰশান্ত বৰা আৰু জিলা প্ৰতিনিধি অশোক গোস্বামী, বৰ্ণালী শইকীয়া তথা কৰবী গগৈয়ে সভাত অংশগ্ৰহণ কৰে। দৈয়াং আঞ্চলিকৰ সভাপতি কেশৱ চন্দ্ৰ হাজৰিকা, সম্পাদক ভদেশ্বৰ বৰা আৰু জিলা প্ৰতিনিধি অজিত শইকীয়া, ৰূপাংকৰ বৰুৱা তথা বিক্ৰম দাস উপস্থিত থাকে। পূৱ গোলাঘাট আঞ্চলিকৰ সভাপতি পুতুল গগৈ, সম্পাদক ৰিতু শইকীয়াৰ লগতে পৰাগ খাটনিয়াৰ, যোগচন্দ্ৰ গগৈ, মৌচুম বৰা আৰু সুৰজিৎ দত্তই অংশগ্ৰহণ কৰে। কমাৰগাঁও আঞ্চলিকৰ সভাপতি হৰেণ শইকীয়া, সম্পাদক বুবুল গোহাঁই আৰু জিলা প্ৰতিনিধি অপূৰ্ব হাজৰিকা, দীপক বৰুৱা তথা জগত ঠেঙাল উপস্থিত থাকে। একেদৰে মিছামৰা আঞ্চলিকৰ সভাপতি লোকনাথ বৰা, সম্পাদক দিলীপ বৰা আৰু নিখিলাদিত্য শৰ্মা, তপন বৰুৱা তথা বিচিত্ৰ বৰুৱাই সভাত অংশ লয়। দেৰগাঁও আঞ্চলিকৰ সভাপতি কুমুদ দত্ত, সম্পাদক মনোজ কুমাৰ বৰুৱাৰ লগতে ধ্ৰুৱজ্যোতি বৰা, পৱন বৰা, পূৰ্ণকান্ত হাজৰিকা, উৎপল হাজৰিকা আৰু কুমুদ শইকীয়া উপস্থিত থাকে। দক্ষিণ গোলাঘাট আঞ্চলিকৰ সভাপতি চন্দ্ৰদীপ গগৈ, সম্পাদক পাৰ্থপ্ৰতীম শইকীয়া আৰু অমৃত বল্লভ গোস্বামী, খগেন বৰা তথা তুলুমণি নাথ; নুমলীকুঁৱৰী আঞ্চলিকৰ সভাপতি প্ৰদীপ শৰ্মা, সম্পাদক ৰিতুল হাজৰিকা আৰু জিলা প্ৰতিনিধি দীপ্তি গগৈ বৰা, পাপৰি দত্ত তথা দীপামণি ভৰালীয়েও সভাত অংশগ্ৰহণ কৰে। মধ্য গোলাঘাট আঞ্চলিকৰ সভাপতি দণ্ডধৰ মহন্ত, সম্পাদক অশোক দত্ত আৰু বুবুল দাস, ৰবীন তামোলী, জয়ন্ত কুমাৰ বৰা তথা গীতাঞ্জলী বৰা উপস্থিত থাকে। মৰঙি আঞ্চলিকৰ সভাপতি হেমন্ত শইকীয়া, সম্পাদক পুণ্যপ্ৰকাশ বৰদলৈ আৰু জিলা প্ৰতিনিধি মনোজ বৰা, মানস বৰদলৈ তথা সুনীল গগৈয়েও সভাত অংশগ্ৰহণ কৰে। সভাৰ অন্যতম উল্লেখযোগ্য কাৰ্যসূচীত সদৌ অসম মইনা পাৰিজাতৰ অষ্টাদশ দ্বি-বাৰ্ষিক ৰাজ্যিক শিশু সমাৰোহ আৰু মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ শীৰ্ষ গীতৰ ৰচনা, পৰিচালনা আৰু সামগ্ৰিক পৰিকল্পনাৰ দায়িত্ব বহন কৰা নুমলীকুঁৱৰী আঞ্চলিক মইনা পাৰিজাতৰ জিলা সমন্বয়ক তথা সদৌ অসম মইনা পাৰিজাতৰ সুহৃদ সংগীত তথা নাট্য শিল্পী আৰু জেষ্ঠ্য সংবাদ সেৱী প্ৰদীপ কুমাৰ বৰাক আনুষ্ঠানিকভাৱে সদৌ অসম মইনা পাৰিজাতৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰা হয়। সদৌ অসম মইনা পাৰিজাতৰ সম্পাদক বীৰেণ কলিতাই সদৌ অসম মইনা পাৰিজাতৰ হৈ শিল্পী প্ৰদীপ কুমাৰ বৰালৈ আন্তৰিক কৃতজ্ঞতা পত্ৰ আগবঢ়াই। শিশুসকলৰ মাজত সংগীত, সাহিত্য আৰু সাংস্কৃতিক চৰ্চাৰ প্ৰসাৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি হিচাপে তেওঁলৈ এই সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত গোলাঘাট জিলা মইনা পাৰিজাতৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ললিত গোস্বামীকো সম্বৰ্ধনা জনোৱা হয়। এই কাৰ্যসূচীত ললিত গোস্বামী, বীৰেন্দ্ৰ নাথ শইকীয়া, মহেশ্বৰ শইকীয়া, কাৰ্যকৰী সভাপতি লোকনাথ বৰা, দুগ্ধ দত্ত, বাণী ফুকন, চন্দ্ৰদীপ গগৈ আৰু প্ৰদীপ শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সাংস্কৃতিক কাৰ্যসূচীত কমাৰগাঁও আঞ্চলিকৰ অংকিতা বৰুৱাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি উপস্থিতসকলক আপ্লুত কৰে। অষ্টাদশ দ্বি-বাৰ্ষিক পৰিষদ সভাত আগন্তুক কাৰ্যকালৰ বাবে গোলাঘাট জিলা মইনা পাৰিজাতৰ ৪৫জনীয়া নতুন সমিতি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সংগঠনটোৰ কাম-কাজ অধিক সুসংগঠিত, গতিশীল আৰু ফলপ্ৰসূ কৰি তোলাৰ উদ্দেশ্যে বিভিন্ন বিভাগৰ বাবে উপ-সমিতি গঠনৰো সিদ্ধান্ত লোৱা হয়। নতুন সমিতিৰ উপদেষ্টা মণ্ডলীত বীৰেণ কলিতা, দুগ্ধ দত্ত, মহেশ্বৰ শইকীয়া, দেৱজ্যোতি হাজৰিকা, বাণীকান্ত ফুকন, পোনাৰাম বৰুৱা, জগত দত্ত, পূৰ্ণকান্ত হাজৰিকা, ৰূপধৰ কোঁৱৰ আৰু প্ৰদীপ শৰ্মাক অন্তৰ্ভুক্ত কৰা হয়। নতুন সমিতিৰ সভাপতি হিচাপে যোগেন দত্ত আৰু কাৰ্যকৰী সভাপতি হিচাপে লোকনাথ বৰাক বাছনি কৰা হয়। সাধাৰণ সম্পাদক হিচাপে কৰ্মেশ্বৰ গগৈ আৰু সম্পাদক হিচাপে মনোজ বৰাক নিৰ্বাচিত কৰা হয়। উপ-সভাপতি হিচাপে ধ্ৰুৱজ্যোতি বৰা, খগেন বৰা, পৰাগ খাটনিয়াৰ, বিমান বৰা, প্ৰদীপ শৰ্মা, পৱন শইকীয়া আৰু জ্যোৎস্না ঢেকিয়াল ফুকনক বাছনি কৰা হয়। সহকাৰী সম্পাদক হিচাপে মৌচম বৰা, ভদেশ্বৰ বৰা, ৰবীন তামোলী, দীপামনী ভৰালী আৰু অপূৰ্ব হাজৰিকাক নিৰ্বাচিত কৰা হয়। সাংগঠনিক সম্পাদক হিচাপে অমৃতবল্লভ গোস্বামী, সুনীল দত্ত, বিচিত্ৰা শৰ্মা, পৱন বৰা, কমলেশ্বৰ বৰা আৰু কুমুদ শইকীয়াক বাছনি কৰা হয়। সাংস্কৃতিক বিভাগৰ সভাপতি হিচাপে বুবুল দাস, উপ-সভাপতি হিচাপে দীপ্তি গগৈ বৰা আৰু সম্পাদক হিচাপে বৰ্ণালী শইকীয়া কাকতিক নিৰ্বাচিত কৰা হয়। সাহিত্য বিভাগৰ সভাপতি হিচাপে প্ৰণৱ জ্যোতি ৰাজখোৱা, উপ-সভাপতি হিচাপে সুৰজিৎ দত্ত আৰু সম্পাদক হিচাপে কৰবী গগৈক বাছনি কৰা হয়। ক্ৰীড়া বিভাগৰ সভাপতি হিচাপে অশোক গোস্বামী, উপ-সভাপতি হিচাপে তুলুমণি নাথ, সম্পাদক হিচাপে জয়প্ৰকাশ কলিতা আৰু সহকাৰী সম্পাদক হিচাপে ৰিতু শইকীয়াক নিৰ্বাচিত কৰা হয়। প্ৰচাৰ বিভাগৰ সভাপতি হিচাপে হেমন্ত শইকীয়া, উপ-সভাপতি হিচাপে পাৰ্থ শইকীয়া আৰু সম্পাদক হিচাপে পাপৰি দত্তক বাছনি কৰা হয়। ৰাজ্যিক সদস্য হিচাপে চন্দ্ৰদীপ গগৈক অন্তৰ্ভুক্ত কৰাৰ উপৰিও আন সদস্যসকলকো নতুন সমিতিত অন্তৰ্ভুক্ত কৰা হয়। নৱগঠিত সমিতিখনে শিশুসকলৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ লগতে সাহিত্য, সংস্কৃতি, ক্ৰীড়া, সামাজিক চেতনা আৰু সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ সংকল্প গ্ৰহণ কৰা হয়। সভাখন সফল কৰি তোলাত কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ হৈ সুৰেন গগৈ, লোকদা হাজৰিকা, জগত দত্ত, জ্যোৎস্না ঢেকিয়াল ফুকন, বীৰুপ্ৰভা বৰা আৰু ৰাজীৱ বৰাকে ধৰি বহু বিষয়ববীয়া আৰু কৰ্মকৰ্তাই সহযোগিতা আগবঢ়ায়। আনহাতে, আদৰণী সমিতিৰ সভাপতি অপূৰ্ব হাজৰিকা, সম্পাদক জগত ঠেঙাল, সহকাৰী সম্পাদক বেদব্ৰত বাৰুকিয়াল, তনুজ শইকীয়া, পূৰৱী ফুকন, মিতালী শইকীয়া আৰু গায়ত্ৰী হাজৰিকাকে ধৰি কমাৰগাঁও আঞ্চলিকৰ বিষয়ববীয়া তথা কৰ্মকৰ্তাসকলে অনুষ্ঠানটোৰ সফল ৰূপায়ণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিশুৰ প্ৰতিভা বিকাশ আৰু এক সুস্থ সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে আগন্তুক দিনত অধিক উৎসাহেৰে কাম কৰি যোৱাৰ সংকল্পৰ মাজেৰে দিনজোৰা কাৰ্যসূচীৰ অন্তত পতাকা অৱনমনেৰে গোলাঘাট জিলা মইনা পাৰিজাতৰ অষ্টাদশ দ্বি-বাৰ্ষিক পৰিষদ সভাৰ সামৰণি পৰে।

আশা আৰু আশা ছুপাৰভাইজাৰ সকলক একঁকালীন প্ৰেৰণাদায়ক মাননি আৰু প্ৰশংসা পত্ৰৰে সন্মানিত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ সেৱা সংকল্প অভিযানৰ অধীনত আজি গোলাঘাট স্বাস্থ্য বিভাগে স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্য কৰ্মী (আশা) আৰু আশা তত্ত্বাৱধায়কসকলৰ নিষ্ঠা আৰু অমূল্য অৱদানৰ স্বীকৃতি স্বৰূপে একঁকালীন প্ৰেৰণাদায়ক মাননি আৰু প্ৰশংসাৰ প্ৰমাণ পত্ৰৰে সন্মানিত কৰে। আজি গোলাঘাট জিলাত তিনি ঠাইত এই বিতৰণৰ কাৰ্যসূচীৰ আয়োজন কৰা হয় - কেপ্তেইন জিণ্টু গগৈ স্মাৰক ভৱন, খুমটাই, দক্ষিণ দেৰগাঁও উন্নয়ন খণ্ড কাৰ্যালয়, দেৰগাঁও আৰু বোকাখাত নাট্য মন্দিৰ, বোকাখাত। বিধানসভা সমষ্টি (LAC)-ভিত্তিক আয়োজন কৰা কাৰ্যসূচীসমূহত তৃণমূল পৰ্যায়ত অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত আশাকৰ্মী আৰু আশা ছুপাৰভাইজাৰসকলে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাক স্বীকাৰ কৰি স্বাস্থ্য ব্যৱস্থা আৰু সমাজৰ মাজত এক গুৰুত্বপূৰ্ণ সংযোগী হিচাপে কাম কৰি তেখেতসকলে মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা, নিয়মীয়া প্ৰতিষেধক প্ৰদান, প্ৰতিষ্ঠানিক প্ৰসৱ, পৰিয়াল পৰিকল্পনা, ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত লবলগীয়া বিধান, স্বাস্থ্য সজাগতা আৰু বিভিন্ন চৰকাৰী স্বাস্থ্য কাৰ্যসূচীৰ বাবে হিতাধিকাৰীসকলক সংগঠিত কৰাত সহায় কৰাৰ বাবে অভিনন্দন জনোৱা হয়। আজি অনুষ্ঠিত তিনিওটা অনুষ্ঠানৰ ভিতৰত বোকাখাতত কাজিৰঙা লোক সভা সমষ্টিৰ সাংসদ, কামাখ্যা প্ৰসাদ তাছা আৰু বোকাখাত সমষ্টিৰ বিধায়ক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই ১৫৯ গৰাকী আশা আৰু ১৩ গৰাকী আশা ছুপাৰভাইজাৰ সকলক সন্মান যাচি চেক আৰু প্ৰশংসা পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত সম-জিলা আয়ুক্ত, সুজাতা গগৈ, পৌৰপতি, জিলা পৰিষদৰ সদস্য সকল, মহকুমা স্বাস্থ্য বিষয়া, ডাঃ অজিৎ কাকতি, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ খণ্ড আঁচনি প্ৰবন্ধক মন্দিপ ৰঞ্জন খাউণ্ডকে আদি কৰি অন্যান্য স্বাস্থ্য বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। খুমটাইৰ অনুষ্ঠানত ২৩১ গৰাকী আশা আৰু ২৫ গৰাকী আশা ছুপাৰভাইজাৰক খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াক প্ৰতিনিধিত্ব কৰি অহা জিলা পৰিষদৰ সদস্য মুনীন্দ্ৰ মোহন গগৈ, পঞ্চায়ত সদস্য, মহকুমা স্বাস্থ্য বিষয়া, ডাঃ দিলীপ ৰাজবংশী, খুমটাই আদৰ্শ চিকিৎসালয়ৰ উপ অধীক্ষক, ডাঃ জয়ন্ত বৰগোহাঁই, জিলা আঁচনি প্ৰবন্ধক, অনুষ্কা বৰা, জিলা সমন্বয়ক, অনুজ গগৈ, খণ্ড আঁচনি প্ৰবন্ধক, সংযুমনি বৰাকে আদি কৰি খণ্ড সামূহিক সমন্বয়ক, নিশান্ত বৰা আৰু অন্যান্য স্বাস্থ্য বিষয়াৰ উপস্থিতিত চেক আৰু প্ৰশংসাপত্ৰ বিতৰণ কৰে। দেৰগাঁৱত অনুষ্ঠিত কাৰ্যসূচীত ১২০ গৰাকী আশা আৰু ১২ গৰাকী আশা ছুপাৰভাইজাৰক দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মৃদুল কুমাৰ দত্তক প্ৰতিনিধিত্ব কৰি উপস্থিত থকা প্ৰাণ প্ৰকাশ বৰুৱাই জিলা পৰিষদৰ সভাপতি পূৰ্ণিমা দাস, দেৰগাঁও দক্ষিণ উন্নয়ন খণ্ডৰ সভাপতি লাকী ফুকন, ১২ নং দেৰগাঁও পঞ্চায়তৰ ৰূপালী বৰা, উত্তৰ উন্নয়ন খণ্ডৰ উপ-সভাপতি, মমি কাকতি, মহকুমা স্বাস্থ্য বিষয়া, ডাঃ অৰুণিমা কাকতি, জিলা সমন্বয়ক, জেচমিন ৰহমানকে আদি কৰি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ খণ্ড পৰ্যায়ৰ বিষয়া জ্যোতিৰ্ময় বৰুৱা, মনালিছা বৰা আৰু অন্যান্য সদস্য উপস্থিত থাকে। আজিৰ অনুষ্ঠানৰ জৰিয়তে একঁকালীন মাননি আৰু প্ৰশংসাপত্ৰ বিতৰণৰ দ্বাৰা অসম চৰকাৰে জনস্বাস্থ্যৰ প্ৰসাৰৰ ক্ষেত্ৰত আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰ সকলৰ দায়বদ্ধতা, নিষ্ঠা আৰু অক্লান্ত প্ৰচেষ্টাক উচিত স্বীকৃতিপ্ৰদান কৰে।

বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত কোকৰাঝাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে ইউথ ফেষ্টিভেলৰ শুভাৰম্ভ



অসম বাৰ্তা, কোকৰাঝাৰ, ১৩ অক্টোবৰ ঃ বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত আজিৰে পৰা কোকৰাঝাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে শুভাৰম্ভ হৈছে চাৰিদিনীয়া ইউথ ফেষ্টিভেল তথা যুৱ মহোৎসৱৰ। ১২ অক্টোবৰৰ পৰা আৰম্ভ হোৱা এই যুৱ মহোৎসৱ ১৫ অক্টোবৰলৈকে চলিব। যুৱ প্ৰজন্মৰ মাজত ক্ৰীড়া, সংস্কৃতি আৰু বিভিন্ন সৃষ্টিশীল কৰ্মৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে যুৱক-যুৱতীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বিটিচি চৰকাৰৰ উদ্যোগত অনুষ্ঠিত এই যুৱ মহোৎসৱক লৈ কোকৰাঝাৰত উৎসাহ-উদ্দীপনাৰ পৰিৱেশ সৃষ্টি হৈছে। চাৰিদিনীয়া কাৰ্যসূচীত বিভিন্ন ধৰণৰ ক্ৰীড়া প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই মহোৎসৱৰ জৰিয়তে যুৱ প্ৰজন্মক নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰাৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে। বৰ্তমান সময়ত যুৱ প্ৰজন্মক সঠিক দিশত আগুৱাই নিয়া আৰু তেওঁলোকৰ মাজত ইতিবাচক চিন্তাধাৰা গঢ়ি তোলাৰ প্ৰতি লক্ষ্য ৰাখি আয়োজন কৰা ইউথ ফেষ্টিভেলে যুৱক-যুৱতীসকলক নিজৰ দক্ষতা বিকাশৰ এক উপযুক্ত মঞ্চ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। বিশেষকৈ ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত আগ্ৰহী যুৱ প্ৰতিভাসকলৰ বাবে এই মহোৎসৱে নিজৰ সামৰ্থ্য প্ৰদৰ্শন কৰাৰ এক সুন্দৰ সুযোগ কঢ়িয়াই আনিছে। যুৱ মহোৎসৱত অন্তৰ্ভুক্ত কৰা বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলৰ শাৰীৰিক সক্ষমতা, মানসিক দৃঢ়তা, অনুশাসন আৰু দলীয় মনোভাৱ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ক্ৰীড়াই কেৱল শাৰীৰিক সুস্থতা বজাই ৰখাতেই সহায় নকৰে, বৰঞ্চ জীৱনত সফলতা লাভৰ বাবে প্ৰয়োজনীয় অধ্যৱসায়, আত্মবিশ্বাস, নেতৃত্বৰ গুণ আৰু পৰাজয়ক ইতিবাচকভাৱে গ্ৰহণ কৰাৰ মানসিকতাও গঢ়ি তোলে। এনে প্ৰতিযোগিতাই যুৱ খেলুৱৈসকলক ভৱিষ্যতে বৃহত্তৰ পৰ্যায়ত নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ বাবে অনুপ্ৰাণিত কৰিব বুলি আশা কৰা হৈছে। আনহাতে, মহোৎসৱৰ সাংস্কৃতিক কাৰ্যসূচীয়েও বিশেষ গুৰুত্ব লাভ কৰিছে। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে যুৱ প্ৰজন্মই নিজৰ কলা-কৃষ্টি, পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যক উপস্থাপন কৰাৰ সুযোগ লাভ কৰিব। বিটিআৰ অঞ্চলটো বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰে সমৃদ্ধ। সেয়েহে এনে অনুষ্ঠানৰ জৰিয়তে বিভিন্ন জনগোষ্ঠীৰ মাজত সাংস্কৃতিক বিনিময় বৃদ্ধি পোৱাৰ লগতে পাৰস্পৰিক সন্মান, বুজাবুজি আৰু সম্প্ৰীতিৰ এনাজৰী অধিক শক্তিশালী হোৱাৰ সম্ভাৱনা আছে। এই চাৰিদিনীয়া যুৱ মহোৎসৱে যুৱক-যুৱতীসকলৰ মাজত ভাতৃত্ববোধ, সহযোগিতা আৰু সামাজিক একতাৰ মনোভাৱ গঢ়ি তোলাতো সহায় কৰিব বুলি আশা কৰা হৈছে। বিভিন্ন অঞ্চলৰ পৰা অহা অংশগ্ৰহণকাৰীসকলে একেখন মঞ্চত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে নতুন বন্ধুত্ব গঢ়ি তোলা আৰু অভিজ্ঞতা বিনিময় কৰাৰ সুযোগ লাভ কৰিব। বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিয়ে মহোৎসৱটোক বিশেষ তাৎপৰ্য প্ৰদান কৰিছে। যুৱ প্ৰজন্মক ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত আগুৱাই নিয়াৰ লগতে তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক উপযুক্ত স্বীকৃতি প্ৰদান কৰাটো এনে আয়োজনৰ অন্যতম উদ্দেশ্য হিচাপে বিবেচিত হৈছে। ১২ অক্টোবৰৰ পৰা ১৫ অক্টোবৰলৈ অনুষ্ঠিত হ'বলগীয়া এই ইউথ ফেষ্টিভেলৰ জৰিয়তে কোকৰাঝাৰত ক্ৰীড়া আৰু সাংস্কৃতিক পৰিৱেশ অধিক সজীৱ হৈ উঠাৰ লগতে বিটিচি অঞ্চলৰ যুৱ প্ৰতিভাসমূহক এখন উমৈহতীয়া মঞ্চত একত্ৰিত কৰাৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ লগতে বিধায়ক ৰূপম চন্দ্ৰ ৰায়, বিটিচিৰ ইএম কৰ্মেশ্বৰ ৰায়, প্ৰকাশ বসুমতাৰী, দেৰহাসাং বসুমতাৰী, এমছিএলএ যুৱৰাজ বসুমতাৰী, বিপিএফৰ বিভিন্ন পদবীধাৰী ব্যক্তিসকল, বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন স্থানৰ পৰা অহা ৰাইজসকল উপস্থিত থাকে।

ডিব্ৰুগড়ৰ বিচিপিএল টাউনশ্বিপত বিনামূলীয়াকৈ চাহ বাগিচাৰ মুঠ ৫৪ গৰাকীৰ চকু পৰীক্ষা



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ ডিব্ৰুগড়ৰ সঙ্গিনী লেডিজ ক্লাব, বিচিপিএলৰ উদ্যোগত আৰু ভাৰতীয় ৰেডক্ৰছ ছ'চাইটি, ডিব্ৰুগড় জিলা শাখা তথা ৰেণু আই কেয়াৰ চেণ্টাৰ আৰু মাআই ফাউণ্ডেচনৰ সহযোগত বিচিপিএল টাউনশ্বিপ কমপ্লেক্সত এক বিনামূলীয়া চকু পৰীক্ষা আৰু সজাগতা শিবিৰ অনুষ্ঠিত হয়। বৰবৰুৱা চাহ বাগিচাৰ চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ লোকসকলৰ মাজত চকুৰ স্বাস্থ্য সম্পৰ্কে সজাগতা সৃষ্টি কৰা আৰু সহজলভ্য চকু চিকিৎসা সেৱা প্ৰদান কৰাই আছিল এই শিবিৰৰ মূল উদ্দেশ্য। অনুষ্ঠানৰ আৰম্ভণিতে সঙ্গিনী লেডিজ ক্লাবৰ সম্পাদিকা অৰুন্ধতী ফুকনে আদৰণিমূলক তথা পৰিচয়মূলক বক্তব্য আগবঢ়াই শিবিৰটোৰ উদ্দেশ্য আৰু মানৱসেৱা তথা সমাজ কল্যাণৰ ক্ষেত্ৰত ক্লাবটোৰ দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰে। ভাৰতীয় ৰেডক্ৰছ ছ'চাইটি, ডিব্ৰুগড় জিলা শাখাৰ অধ্যক্ষ ড° পংকজ কুমাৰ শ্ৰুতিকৰে নিজৰ ভাষণত চাহ বাগিচা অঞ্চলত বসবাস কৰা লোকসকলৰ বাবে এনে স্বাস্থ্য শিবিৰৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে আৰ্থিক অসুবিধা আৰু চাহ বাগিচাৰ বাহিৰৰ চিকিৎসা কেন্দ্ৰসমূহলৈ যাতায়াতৰ সমস্যাৰ বাবে বহু লোকে নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাব নোৱাৰে। সেয়েহে, চিকিৎসকৰ দল তেওঁলোকৰ ওচৰলৈ আহি চিকিৎসা সেৱা আগবঢ়োৱাৰ এই সুযোগ সম্পূৰ্ণৰূপে গ্ৰহণ কৰিবলৈ তেওঁ অংশগ্ৰহণকাৰীসকলক আহ্বান জনায়। বিশিষ্ট চকু চিকিৎসক ডাঃ ৰাজেন্দ্ৰ নাথ গগৈয়ে চকুৰ যত্ন আৰু সুৰক্ষাৰ বিষয়ে এক গুৰুত্বপূৰ্ণ তথা তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। তেওঁ চকুৰ স্বাস্থ্য অক্ষুণ্ণ ৰখাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰাৰ লগতে চকুৰ কিছুমান সমস্যাৰ সৈতে শৰীৰৰ আন ৰোগৰো সম্পৰ্ক থাকিব পাৰে বুলি উল্লেখ কৰে। ভাৰতীয় ৰেডক্ৰছ ছ'চাইটি, ডিব্ৰুগড়ৰ বিত্ত উপ-সমিতিৰ সভানেত্ৰী ড° ৰুণুমা শৰ্মাই সঙ্গিনী লেডিজ ক্লাবৰ সদস্যাসকলে আৰ্তজন আৰু দৰিদ্ৰ তথা সুবিধাবঞ্চিত লোকসকলৰ কল্যাণৰ বাবে আগবঢ়াই অহা নিষ্ঠাপূৰ্ণ সেৱা, উদাৰ অৱদান আৰু মানৱীয় কাৰ্যকলাপৰ বাবে তেওঁলোকক প্ৰশংসা কৰে। শিবিৰত স্থানীয় ৰাইজৰ যথেষ্ট সঁহাৰি পৰিলক্ষিত হয়। মুঠ ৫৪ গৰাকী ব্যক্তিৰ চকু পৰীক্ষা কৰা হয়, যাৰ ভিতৰত ৪৯ গৰাকী মহিলা আৰু ৫ গৰাকী পুৰুষ আছিল। ইয়াৰে ১০ গৰাকী হিতাধিকাৰীক শিবিৰতে বিনামূলীয়াকৈ চশমা প্ৰদান কৰা হয় আৰু আন ২৪ গৰাকী ব্যক্তিক পৰৱৰ্তী সময়ত বিনামূলীয়াকৈ চশমা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে।

মাকুমত চাৰি বছৰীয়া কন্যা শিশুক অপকৰ্মৰ প্ৰচেষ্টা

অসম বাৰ্তা, মাকুম, ১৩ অক্টোবৰ ঃ আজি মাকুম লেচেঙ্কা গাঁৱত ৪৫ বছৰৰ উৰ্ধৰ লম্পট এটাই চাৰি বছৰীয়া কণ্যা শিশুক অপকৰ্মৰ প্ৰচেষ্টা কৰে। ঘৰৰ চোতালত খেলি থকা অৱস্থাত অন্য লোক নথকাৰ সুযোগ বুজি শিশুটিক লম্পটটোৱে লৈ যায় আৰু শিশুটিক অপকৰ্ম কৰিবলৈ চেষ্টা কৰিছিল বুলি অভিযোগ কৰে স্থানীয় ৰাইজে। লম্পটটোৰ মাকুম চান্দমাৰী লেচেঙ্কা গাঁৱৰ নিবাসী জনৈক কুৰ্মী উপাধি নামৰ বুলি জানিবলৈ পৰা গৈছে। স্থানীয় ৰাইজে লম্পটটোক উত্তম মাধ্যম সোধাই ঘটনা স্থলীত উপস্থিত হোৱা মাকুম আৰক্ষীক গতাই দিয়ে। মাকুম আৰক্ষীয়ে লম্পটটোক চিকিৎসালয়ত ভৰ্তি কৰাৰ লগতে লম্পটটোৰ বিৰুদ্ধে যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা দিয়া (POCSO) আইন গোচৰ ৰুজু ইতিমধ্যে কৰিছে।

ফাইন আৰ্টছ ছ'চাইটিৰ সোণালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি বাৰ্ষিক চিত্ৰ প্ৰদৰ্শনী

অসম বাৰ্তা, দেৰগাঁও, ১৩ অক্টোবৰ ঃ যোৰহাট ফাইন আৰ্টছ ছ'চাইটিৰ সোণালী জয়ন্তী বৰ্ষৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি শনিবাৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বাৰ্ষিক চিত্ৰ প্ৰদৰ্শনী আৰম্ভ হৈছে। যোৰহাটৰ কলাভৱনত অনুষ্ঠিত এই প্ৰদৰ্শনীত যোৰহাট ফাইন আৰ্টছ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল প্ৰতিভাৰ প্ৰতিফলন ঘটিছে। ১০ অক্টোবৰত অনুষ্ঠিত প্ৰদৰ্শনীৰ শুভাৰম্ভণী অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকে জিলা সাংস্কৃতিক বিষয়া মুনমী শ্যাম। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে চি.কে.বি. মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শান্তনু ঠাকুৰ। অনুষ্ঠানত যোৰহাট ফাইন আৰ্টছ ছ'চাইটিৰ উপ-সভাপতি পৰেশ শইকীয়া, অধ্যক্ষ বিজয় চন্দ্ৰ বৰঠাকুৰ, সম্পাদক ৰণজিৎ গগৈ, সহকাৰী সম্পাদক চিৰন্তন বৰঠাকুৰ আৰু প্ৰাঞ্জল কুমাৰ লাহন, কোষাধ্যক্ষ প্ৰসেনজিৎ দুৱৰা তথা প্ৰাক্তন সম্পাদক সৌৰভজ্যোতি বৰুৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক-অভিভাৱিকা আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। সোণালী জয়ন্তী বৰ্ষৰ এই বিশেষ ক্ষণত আয়োজিত বাৰ্ষিক চিত্ৰ প্ৰদৰ্শনীখনে যোৰহাটৰ সাংস্কৃতিক আৰু কলা জগতত বিশেষ তাৎপৰ্য বহন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ শিল্পকৰ্মৰ জৰিয়তে তেওঁলোকৰ কল্পনাশক্তি, সৃজনশীলতা আৰু চিত্ৰকলাৰ প্ৰতি থকা আগ্ৰহৰ প্ৰকাশ ঘটিছে। উল্লেখ্য যে প্ৰদৰ্শনীখন ১০ অক্টোবৰৰ পৰা ১২ অক্টোবৰ, ২০২৬লৈ প্ৰতিদিনে পুৱা ১১ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ দৰ্শকৰ বাবে মুকলি থাকিব।

ধান ক্ৰয় ব্যৱস্থা আৰু পৌৰসভাৰ কাম-কাজৰ পৰ্যালোচনা; ২০২৭ বৰ্ষৰ মাৰ্চ মাহত অনুষ্ঠিত হ'ব গোলাঘাট পৌৰসভাৰ নিৰ্বাচন

গোলাঘাটত মন্ত্ৰী কৌশিক ৰায়ৰ বিভিন্ন আঁচনি পৰিদৰ্শন



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা সমবায় বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি গোলাঘাট জিলাত উপস্থিত হৈ বিভিন্ন আঁচনি আৰু আন্তঃগাঁথনিমূলক কাম-কাজ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে গোলাঘাটৰ দণ্ডধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ সামূহিক ভৱনত স্থাপন কৰা বৰষুণৰ পানী সংৰক্ষণ প্ৰকল্প আৰু আৰ অ'(RO) খোৱাপানীৰ বুথসমূহ পৰিদৰ্শন কৰে। ইয়াৰ পিছতে গোলাঘাট পৌৰসভাৰ অধীনৰ বজাৰ কমপ্লেক্স, চাউলৰ বজাৰ আৰু তেতেলীতলস্থিত ধান ক্ৰয় কেন্দ্ৰ পৰিদৰ্শন কৰি সংশ্লিষ্ট ব্যৱস্থাসমূহৰ বুজ লয়। ইয়াৰ পিছতে গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকী মিলিত হয়। বৈঠকত খাদ্য আৰু ৰাজহুৱা বিতৰণ, সমবায় তথা নগৰ উন্নয়ন বিভাগৰ কাম-কাজৰ লগতে জিলাখনৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে। বৰ্তমানে চৰকাৰীভাৱে ধান ক্ৰয়ৰ অনুপাতে গোলাঘাট জিলাত ধান মিলৰ সংখ্যা আৰু উৎপাদন ক্ষমতা সীমিত হৈ থকাৰ বিষয়টোও উত্থাপন হয়। সেয়েহে মিলসমূহৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে নতুন ধান মিল স্থাপনৰ সম্ভাৱনা সন্দৰ্ভতো আলোচনা কৰা হয়। কৃষকসকলে যাতে উৎপাদিত ধানৰ উচিত মূল্য লাভ কৰে, তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ লগতে ৰাজ্য চৰকাৰে আগবঢ়াই অহা অতিৰিক্ত ৰাজ সাহায্যৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কৃষকসকলক বছৰত দুটা খেতি কৰিবলৈ উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ আৰ্থিক অৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত ধান ক্ৰয় ব্যৱস্থাৰ গুৰুত্বৰ ওপৰতো তেওঁ আলোকপাত কৰে। আনহাতে, গোলাঘাট পৌৰসভাৰ অধীনত চলি থকা বিভিন্ন কাম-কাজ, বজাৰ ব্যৱস্থাপনা, সম্পত্তি কৰ সংগ্ৰহ, ৰাজহ আহৰণ আৰু ব্যয়ৰ বিষয়সমূহো পৰ্যালোচনা কৰা হয়। আগন্তুক দিনত বিভাগসমূহৰ কাম-কাজ অধিক সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰা হয়। উল্লেখ্য যে গোলাঘাট পৌৰসভাৰ বৰ্তমানৰ কাৰ্যকাল ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত সমাপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত, মুখ্যমন্ত্ৰীৰ নেতৃত্বত মাৰ্চ মাহৰ ভিতৰত পৌৰসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

অভয়াপুৰীত প্ৰশাসন আৰু সংবাদকৰ্মীৰ ব্যতিক্ৰমী পদক্ষেপ

অসম বাৰ্তা, অভয়াপুৰী, ১৩ অক্টোবৰ ঃ অভয়াপুৰী সমজিলা দিৱস উপলক্ষে আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ পিছত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰি ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰে অভয়াপুৰীৰ প্ৰশাসন আৰু সংবাদকৰ্মীসকলে। কেৱল সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাতে নিজৰ দায়িত্ব সামৰি নাৰাখি অনুষ্ঠানস্থলী পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰতো সচেতনতা প্ৰদৰ্শন কৰি তেওঁলোকে সমাজৰ আগত এক সুন্দৰ নিদৰ্শন দাঙি ধৰে। সমজিলা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন কাৰ্যসূচীৰ মাজেৰে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠান উপভোগ কৰিবলৈ সমবেত হোৱা লোকসকলৰ উপস্থিতিত অনুষ্ঠানস্থলী মুখৰ হৈ পৰে। কিন্তু অনুষ্ঠানৰ সামৰণিৰ পিছত সাধাৰণতে দেখা পোৱা আৱৰ্জনাময় পৰিৱেশৰ বিপৰীতে অভয়াপুৰীত দেখা গ'ল এক ব্যতিক্ৰমী দৃশ্য। প্ৰশাসন আৰু সংবাদকৰ্মীসকলে আগবাঢ়ি আহি অনুষ্ঠানস্থলী পৰিষ্কাৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰে। এই পদক্ষেপৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতা কেৱল প্ৰশাসনৰ দায়িত্ব নহয়, বৰঞ্চ ই প্ৰতিগৰাকী নাগৰিকৰে সামাজিক দায়িত্ব এই গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰা হয়। ৰাজহুৱা স্থানত যিকোনো অনুষ্ঠান অনুষ্ঠিত কৰাৰ পিছত সেই স্থান পৰিষ্কাৰ কৰি ৰখাটো সকলোৰে নৈতিক কৰ্তব্য। এই ক্ষেত্ৰত প্ৰশাসন আৰু সংবাদকৰ্মীসকলৰ এনে উদ্যোগে সমাজৰ অন্যান্য শ্ৰেণীৰ লোকসকলকো অনুপ্ৰাণিত কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে এখন সুস্থ, সুন্দৰ আৰু পৰিষ্কাৰ সমাজ গঢ়ি তোলাৰ বাবে কেৱল সজাগতা সভা বা ভাষণেই যথেষ্ট নহয়, তাৰ বাবে প্ৰয়োজন বাস্তৱসন্মত পদক্ষেপ আৰু সামূহিক অংশগ্ৰহণ। অভয়াপুৰীত সমজিলা দিৱসৰ সাংস্কৃতিক অনুষ্ঠানৰ পিছত গ্ৰহণ কৰা এই পদক্ষেপে সেই কথাকে পুনৰ প্ৰতিপন্ন কৰিলে। নিজৰ কৰ্মৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাৰ্তা প্ৰচাৰ কৰাটো সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ। প্ৰশাসন আৰু সংবাদকৰ্মীৰ এই ব্যতিক্ৰমী উদ্যোগে সমজিলা দিৱসৰ আনন্দ-উৎসৱৰ মাজতে সামাজিক দায়বদ্ধতা, পৰিৱেশ সচেতনতা আৰু সামূহিক কৰ্তব্যবোধৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিলে। এনে পদক্ষেপে ভৱিষ্যতেও ৰাজহুৱা অনুষ্ঠানসমূহৰ পিছত পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত ইতিবাচক মানসিকতা গঢ়ি তুলিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

সাংস্কৃতিক সন্ধিয়া জীপাল কৰিলে জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষু শৰ্মাই, শুভ উদ্বোধন 'Explore Abhayapuri' ভিডিঅ' প্ৰকল্প

অসম বাৰ্তা, অভয়াপুৰী, ১৩ অক্টোবৰ ঃ চাৰিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত অভয়াপুৰী সমজিলা দিৱসৰ সামৰণি পৰে এক আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে। সমজিলা দিৱসৰ অন্তিম দিনাৰ কাৰ্যসূচীৰ অন্যতম আকৰ্ষণ আছিল অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষু শৰ্মাৰ সংগীতানুষ্ঠান। শিল্পীগৰাকীৰ গীতৰ সুৰেৰে মুখৰিত হৈ পৰা অনুষ্ঠানস্থলীত উপস্থিত দৰ্শক-শ্ৰোতাই সাংস্কৃতিক সন্ধিয়াটো উপভোগ কৰে। অভয়াপুৰী সমজিলাৰ বিভিন্ন কাৰ্যসূচীৰে চাৰিদিন ধৰি উদযাপন কৰা এই দিৱসৰ সামৰণি অনুষ্ঠানত স্থানীয় ৰাইজৰ লগতে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক বিশেষ মাত্ৰা প্ৰদান কৰে। সমজিলাখনৰ সাংস্কৃতিক পৰিৱেশ, সামাজিক সম্প্ৰীতি আৰু আঞ্চলিক পৰিচয়ক প্ৰতিফলিত কৰা এই আয়োজনত সাংস্কৃতিক অনুষ্ঠানৰ লগতে অভয়াপুৰীৰ পৰিচয় আৰু সম্ভাৱনাক বহল পৰিসৰত তুলি ধৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা হয় বিশেষ পদক্ষেপ। সামৰণি অনুষ্ঠানৰ অন্যতম উল্লেখযোগ্য কাৰ্যসূচী আছিল 'Explore Abhayapuri' ভিডিঅ' প্ৰকল্পৰ শুভ উদ্বোধন। এই প্ৰকল্পৰ জৰিয়তে অভয়াপুৰীৰ বিভিন্ন দিশ, আঞ্চলিক পৰিচয় আৰু সম্ভাৱনাসমূহ অধিক বিস্তৃত পৰিসৰত দাঙি ধৰাৰ সুযোগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। ডিজিটেল মাধ্যমৰ জৰিয়তে অভয়াপুৰীক নতুন ৰূপত চিনাকি কৰাই দিয়াৰ ক্ষেত্ৰত এই পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি অনুষ্ঠানত উপস্থিত ৰাইজে আশা প্ৰকাশ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী। লগতে উপস্থিত থাকে অভয়াপুৰী বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়, বঙাইগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লোমল মাহাট্টো আৰু বিশিষ্ট সমাজসেৱক ৰুদ্ৰ কুমাৰ পাঠক। ইয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰৰ আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে। সাংস্কৃতিক সন্ধিয়াৰ মূল আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষু শৰ্মাৰ সংগীত পৰিৱেশন। অসমৰ সংগীত জগতত নিজৰ সুকীয়া কণ্ঠ আৰু গায়নশৈলীৰে পৰিচিত শিল্পীগৰাকীৰ সংগীতানুষ্ঠানে সমজিলা দিৱসৰ অন্তিম দিনাৰ পৰিৱেশ অধিক জীপাল কৰি তোলে। গীত-সুৰৰ মাজেৰে উপস্থিত দৰ্শক-শ্ৰোতাই অনুষ্ঠানটোৰ আনন্দ উপভোগ কৰে। উল্লেখ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অভয়াপুৰী সমজিলা দিৱসে অঞ্চলটোৰ ৰাইজৰ মাজত উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰাৰ লগতে স্থানীয় পৰিচয় আৰু সাংস্কৃতিক ঐতিহ্যক উদযাপনৰ এক মঞ্চ হিচাপে পৰিগণিত হয়। বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত এই দিৱসৰ অন্তিম দিনা সাংস্কৃতিক অনুষ্ঠান আৰু 'Explore Abhayapuri' ভিডিঅ' প্ৰকল্পৰ শুভ উদ্বোধনে বিশেষ তাৎপৰ্য বহন কৰে। এইদৰে সংগীত, সংস্কৃতি আৰু নতুন পদক্ষেপৰ সমাহাৰেৰে অভয়াপুৰী সমজিলা দিৱসৰ সামৰণি পৰে।

গোলাঘাটৰ বস্ত্ৰ ব্যৱসায়ী বলৰাম লাডিয়াৰ মৃত্যু

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ গোলাঘাট নগৰৰ ধোদৰ আলিৰ নিবাসী প্ৰয়াত যুগল কিশোৰ লাডিয়াৰ পুত্ৰ বলৰাম লাডিয়াৰ আজি গুৱাহাটীত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ বলৰাম লাডিয়া ক্লথ ষ্ট'ৰৰ স্বত্বাধিকাৰী আছিল। ব্যৱসায়ীজনৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭২ বছৰ। তেওঁ গোলাঘাট গৌশালা কৃষি কেন্দ্ৰৰ আজীৱন সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ইউনাইটেড চেম্বাৰ অৱ কমাৰ্চৰো সদস্য আছিল। তেওঁ হনুমান জন্মোৎসৱ সমাৰোহ সমিতি, গোলাঘাটৰ প্ৰাক্তন কোষাধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰিও তেওঁ বিভিন্ন সামাজিক সংগঠনৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত হৈ সেৱা আগবঢ়াইছিল। লাডিয়াৰ বিয়োগত গোলাঘাটৰ বিভিন্ন সংগঠনৰ বিষয়ববীয়াসকলে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰ, এগৰাকী কন্যাকে ধৰি আত্মীয়-স্বজনৰে পৰিপূৰ্ণ এটা বৃহৎ পৰিয়াল এৰি থৈ যায়। ৰাছিয়াৰ মৃত্যুত গোলাঘাট চহৰত গভীৰ শোকৰ ছাঁ পৰে।

সম্পাদকীয়

জুবিন মহোৎসৱৰ আৰু দায়িত্বশীলতাৰ প্ৰশ্ন

অসমৰ সাংস্কৃতিক জীৱনত জুবিন গাৰ্গ কেৱল এজন শিল্পীমাত্ৰ নহয়, তেওঁ হৈছে লাখ লাখ অনুৰাগীৰ প্ৰাণৰ স্পন্দন, আবেগ আৰু এক সাংস্কৃতিক সত্তা। এই জনপ্ৰিয় শিল্পীগৰাকীৰ জন্মদিনক লৈ ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠান-পৰ্ব অনুষ্ঠিত হোৱাটো অতি স্বাভাৱিক কথা। কিন্তু শেহতীয়াভাৱে গুৱাহাটীৰ লতাশিল খেলপথাৰত আয়োজন কৰিবলৈ ওলোৱা তিনিদিনীয়া 'জুবিন মহোৎসৱ'ক লৈ যি বিতৰ্কৰ সূত্ৰপাত হৈছে, সি সঁচাকৈয়ে দুৰ্ভাগ্যজনক আৰু চিন্তনীয়।

ঘটনাৰ সূত্ৰপাত হৈছে অজয় ফুকন আৰু ৰিতু কলিতাৰ নেতৃত্বত অনুষ্ঠিত এক সংবাদমেলৰ পৰা। জ্যোতি চিত্ৰবনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সংবাদমেলত ১৮, ১৯ আৰু ২০ নৱেম্বৰত লতাশিল খেলপথাৰত তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন মহোৎসৱ পতাৰ কথা ঘোষণা কৰা হৈছিল। ইয়াৰ পিছতে সামাজিক মাধ্যমত এটা পোষ্টাৰ ভাইৰেল হৈ পৰে, য'ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মন্ত্ৰী বিমল বৰা, বিধায়ক ৰূপক শৰ্মা, আছুৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা আদিৰ লগতে শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ নামো উপদেষ্টা বা পৃষ্ঠপোষক হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল।

এই পোষ্টাৰখন পোহৰলৈ অহাৰ লগে লগে ই এক তীব্ৰ বিতৰ্কৰ ৰূপ লয়, কিয়নো তালিকাখনত নাম থকা প্ৰায় প্ৰতিগৰাকী ব্যক্তিয়েই ইয়াৰ সৈতে সম্প্ৰীতি নথকাৰ কথা স্পষ্ট কৰি দিয়ে। আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰতিক্ৰিয়াটো আহে গৰিমা শইকীয়া গাৰ্গৰ ফালৰ পৰা। তেওঁ স্পষ্টভাৱে সামাজিক মাধ্যমত জনায় যে এই অনুষ্ঠানৰ সৈতে তেওঁ কোনো প্ৰকাৰে জড়িত নহয় আৰু মুখ্য উপদেষ্টা হিচাপে থাকিব বুলিও তেওঁ কেতিয়াও কোনো কথা দিয়া নাছিল। তেওঁ লগতে স্পষ্ট কৰি দিয়ে যে সদৌ অসম জুবিন গাৰ্গ ফেন ক্লাবৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসী ৰাইজৰ অভিভাৱকত্বত এইবাৰ প্ৰাণৰ শিল্পীগৰাকীৰ জন্মদিনটি ডিব্ৰুগড়ত সৃষ্টিৰ দিন হিচাপে পালন কৰা হ'ব, আৰু সেই অনুষ্ঠানতো তেওঁ কোনো প্ৰকাৰৰ দায়িত্ব লোৱা নাই।

আনহাতে, এই বিতৰ্কত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই তৎপৰতাৰে নিজৰ স্থিতি স্পষ্ট কৰি কয় যে গুৱাহাটীত প্ৰস্তাৱিত এই বেচৰকাৰী মহোৎসৱ বা অনুষ্ঠানৰ সৈতে তেওঁ বা মুখ্যমন্ত্ৰীগৰাকী কোনোমতে জড়িত নহয়। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে পবিত্ৰ মাৰ্ঘেৰিটাই ইতিমধ্যে স্থিতি স্পষ্ট কৰিছে আৰু এনেকুৱা বিতৰ্কত মুখ্যমন্ত্ৰী নটনাই ভাল।

এই সমগ্ৰ পৰিস্থিতিয়ে কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। প্ৰথমতে, আয়োজক সমিতিয়ে কোনো বিশিষ্ট ব্যক্তিৰ অনুমতি অবিহনে বা তেওঁলোকৰ সন্মতি নোহোৱাকৈ কেনেকৈ তেনে দায়িত্বশীল পদত তেওঁলোকৰ নাম ৰাজহুৱা পোষ্টাৰত প্ৰকাশ কৰিলে? এয়া সঁচাকৈয়ে এক দায়িত্বজ্ঞানহীন পদক্ষেপ। এজন জনপ্ৰিয় শিল্পীৰ নাম লৈ কৰা এনে কাৰ্যই কেৱল ৰাজহুৱা বিভ্ৰান্তিৰ সৃষ্টি কৰাই নহয়, বৰঞ্চ সংশ্লিষ্ট ব্যক্তিজনাৰ সন্মান আৰু বিশ্বাসযোগ্যতাকো প্ৰশ্নৰ সন্মুখীন কৰায়।

দ্বিতীয়তে, জুবিন গাৰ্গৰ দৰে এজন সৰ্বজনগ্ৰাহ্য শিল্পীৰ নাম সাঙুৰি হোৱা এনে বিতৰ্কে তেওঁৰ লাখ লাখ অনুৰাগীকো গভীৰভাৱে মৰ্মাহত কৰিছে। এটা অনুষ্ঠান আয়োজন কৰোঁতে স্বচ্ছতা, পাৰস্পৰিক যোগাযোগ আৰু সততা অৱলম্বন কৰাটো আয়োজকসকলৰ প্ৰাথমিক দায়িত্ব। কিন্তু তাৰ পৰিৱৰ্তে খৰখেদাকৈ বা অবিবেচকভাৱে চলোৱা কাৰ্যই কেৱল বিতৰ্কহে বঢ়াই তুলিলে।

জুবিন গাৰ্গৰ জনপ্ৰিয়তাক সচ্ছলভাৱে বা তেওঁৰ প্ৰতি থকা ভালপোৱাৰ পৰা যিকোনো সাংস্কৃতিক অনুষ্ঠান হ'ব পাৰে, কিন্তু তাৰ বাবে অনৈতিক বা অনুমতি অবিহনে আনৰ নাম ব্যৱহাৰ কৰাৰ প্ৰৱণতা অতিশয় নিন্দনীয়। আশা কৰোঁ, আয়োজক সমিতিয়ে এই ভুলৰ পৰা শিক্ষা ল'ব আৰু ভৱিষ্যতে এনে বিতৰ্কৰ পৰিৱৰ্তে গঠনমূলক আৰু স্বচ্ছ পৰিৱেশ বৰ্তাই ৰাখিবলৈ যত্নপৰ হ'ব। অসমৰ সুস্থ সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰিবলৈ সকলো পক্ষৰে দায়িত্বশীল আচৰণ অতি প্ৰয়োজনীয়।

অসমীয়া সমাজৰ শালীনতা ঃ ঐতিহ্য, উত্তৰণ

এখন সমাজৰ প্ৰকৃত পৰিচয় কেৱল তাৰ ভাষা, পোছাক-পৰিচ্ছদ, খাদ্যাভ্যাস বা লোকউৎসৱৰ বাহ্যিক আড়ম্বৰৰ মাজতেই আৱদ্ধ নাথাকে। সমাজখনৰ ব্যক্তিবিশেষে পাৰস্পৰিক সম্পৰ্কত কেনেদৰে আচৰণ কৰে, কিমান সংযম আৰু সহৃদয়তাৰে মত বিনিময় কৰে, নিজৰ ব্যক্তিগত অধিকাৰ উপভোগৰ সমান্তৰালভাৱে সামাজিক দায়বদ্ধতাক কিমান গভীৰভাৱে উপলব্ধি কৰে- তাৰ মাজতেই সমাজখনৰ আত্মিক আৰু নৈতিক চৰিত্ৰৰ প্ৰতিফলন ঘটে। এই মানৱীয় আৰু সামাজিক মূল্যবোধসমূহৰ এক পৰিশীলিত, মাৰ্জিত প্ৰকাশেই হৈছে 'শালীনতা'। শালীনতা কোনো নিৰ্দিষ্ট ভৌগোলিক পৰিসীমা, পোছাক বা সামাজিক শ্ৰেণীৰ একচেটিয়া সম্পত্তি নহয়। ই মানুহৰ চিন্তা, ভাষা, আচৰণ, বিবেক আৰু আনৰ মৰ্যাদাৰ প্ৰতি থকা সহজাত সন্মানৰ সৈতে গভীৰভাৱে জড়িত। ব্যক্তিগত স্বাধীনতাক উপভোগ কৰাৰ সমান্তৰালভাৱে আনৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা, যুক্তি আৰু দায়িত্ববোধক মত প্ৰকাশৰ অবিচ্ছেদ্য অংগ কৰা আৰু প্ৰযুক্তিৰ দ্ৰুত পৰিৱৰ্তনৰ মাজতো মানৱীয় সংবেদনশীলতা অটুট ৰখাই হ'ল প্ৰকৃত শালীনতাৰ লক্ষণ।

অসমীয়া সমাজত শালীনতাৰ ধাৰণা কোনো এক নিৰ্দিষ্ট সময়ত আকস্মিকভাৱে গঢ় লৈ উঠা নাই। শতিকাজোৰা সামাজিক ক্ৰমবিকাশ, ধৰ্মীয়-সাংস্কৃতিক আন্দোলন, লোকপৰম্পৰা আৰু ঐতিহাসিক পৰিৱৰ্তনৰ মাজেৰে ইয়াৰ এক স্বকীয় ৰূপ বিকশিত হৈছে। প্ৰাচীন কামৰূপৰ সামাজিক জীৱনত পৰিয়াল, গুৰু-শিষ্যৰ সম্পৰ্ক, ধৰ্মীয় আচাৰ আৰু সামূহিক জীৱনৰ মাজত কিছুমান অলিখিত বিধি-ব্যৱস্থা আৰু পাৰস্পৰিক সন্মানৰ প্ৰচলন আছিল। মধ্যযুগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ নেতৃত্বত গঢ় লৈ উঠা নৱ-বৈষ্ণৱ আন্দোলনে অসমীয়া সমাজৰ নৈতিক আৰু সামাজিক জীৱনত এক যুগান্তকাৰী পৰিৱৰ্তন আনিছিল। নামঘৰ, সত্ৰ, বৰগীত, ভাওনা আৰু অংকীয়া নাটৰ জৰিয়তে কেৱল ধৰ্মীয় ভক্তিৰেই প্ৰসাৰ ঘটা নাছিল, বৰঞ্চ সংযম, অহিংসা, সাম্য, সহিষ্ণুতা আৰু ভাতৃত্ববোধৰ এক গভীৰ সামাজিক ভেটি নিৰ্মাণ হৈছিল। একেদৰে আহোমৰ প্ৰশাসনিক ব্যৱস্থা আৰু গাঁওকেন্দ্ৰিক সামূহিক জীৱনৰ মাজতো পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু সামাজিক শৃংখলাৰ সুদৃঢ় পৰিকাঠামো গঢ় লৈ উঠিছিল। ইয়াৰ সমান্তৰালভাৱে অসমৰ বিভিন্ন জনগোষ্ঠীয় পৰম্পৰাই অসমীয়া শালীনতাক এক উদাৰ আৰু সৰল মাত্ৰা প্ৰদান কৰিছে। বড়ো, মিচিং, কাৰ্বি, ৰাভা আদিকে ধৰি থলুৱা জনজাতীয় সমাজৰ সামূহিক শ্ৰমদানৰ ৰীতি, গাঁওসভাৰ সন্মিলিত সিদ্ধান্ত আৰু নাৰীৰ মৰ্যাদাপূৰ্ণ কৰ্মমুখী স্বাধীনতাই অসমীয়া সমাজখনক উমৈহতীয়া সহনশীলতাৰ শিক্ষা দিছে। অৱশ্যে অতীতৰ সমাজখন সম্পূৰ্ণ ত্ৰুটিহীন বুলি ভাবিলে ভুল হ'ব। কাৰণ সেই সময়তো সামাজিক স্তৰভেদ, বৰ্ণবৈষম্য আৰু কিছু কুসংস্কাৰ আছিল। সেয়ে অতীতক অন্ধ অনুকৰণ নহয়, তাৰ ইতিবাচক মানৱীয় মূল্যবোধসমূহক গ্ৰহণ কৰাটোহে যুক্তিসংগত বিষয়।

ঔপনিৱেশিক শাসনৰ সমান্তৰালভাৱে পাশ্চাত্য শিক্ষাৰ আগমন, ছপাশালৰ প্ৰতিষ্ঠা আৰু 'অৰুণোদই'ৰ জৰিয়তে অসমত যি আধুনিক বৌদ্ধিক জাগৰণৰ সূচনা হৈছিল, সি শালীনতাৰ ধাৰণাক এক নতুন দিশ প্ৰদান কৰিলে। ক্ৰমে শিক্ষাৰ সম্প্ৰসাৰণ আৰু যুক্তিবাদী সাহিত্যৰ বিকাশৰ ফলত সামাজিক মূল্যবোধসমূহ অন্ধ সংস্কাৰৰ পৰা মুক্ত হৈ বিবেক, মানৱাধিকাৰ আৰু সামাজিক দায়িত্বৰ সৈতে সংযুক্ত হ'বলৈ ধৰিলে। স্বাধীনতাৰ উত্তৰ কালত শিক্ষা, নগৰীকৰণ আৰু গণমাধ্যমৰ প্ৰসাৰে পুৰণি স্থবিৰ হৈ থকা সামাজিক পৰিসৰত স্বাভাৱিক ভাৱে এক নতুন গতিশীলতাৰ সূচনা কৰিলে।

> *শালীনতাৰ আলোচনাৰ দিশত নাৰীৰ সামাজিক ভূমিকা আৰু পোছাকৰ প্ৰসংগ কেতিয়াও পৃথক হ'ব নোৱাৰে। ঐতিহাসিকভাৱে মেখেলা-চাদৰ বা পৰম্পৰাগত জনগোষ্ঠীয় সাজ-পোছাক অসমীয়া সংস্কৃতিৰ এক গৌৰৱোজ্জ্বল পৰিচয়। কিন্তু কোনো ব্যক্তিৰ, বিশেষকৈ এগৰাকী নাৰীৰ নৈতিক চৰিত্ৰ বা মূল্যবোধৰ একমাত্ৰ মাপকাঠি হিচাপে পোছাকক ব্যৱহাৰ কৰাটো প্ৰকৃত অৰ্থত শালীনতাৰ পৰিপন্থী। দৰাচলতে শালীনতা ৰক্ষাৰ দায়িত্ব কেতিয়াও একপক্ষীয়ভাৱে নাৰীৰ ওপৰত আৰোপ কৰিব নোৱাৰি। সংযত ভাষাৰ প্ৰয়োগ, আনৰ ব্যক্তি গত পৰিসৰৰ প্ৰতি সন্মান, ন্যায়সংগত আচৰণ আৰু উদাৰ দৃষ্টিভংগী পুৰুষ আৰু মহিলা উভয়েই সমানে ৰক্ষা কৰাটো সামাজিক কৰ্তব্য। আধুনিকতা মানে পৰম্পৰাগত মূল্যবোধৰ বিনাশ নহয়। বৰঞ্চ সময়োপযোগী ন্যায়বোধ আৰু সমতাৰ ভিত্তিত মূল্যবোধক নতুন ৰূপ দিয়াহে প্ৰকৃত আধুনিকতা। একবিংশ শতিকাৰ ডিজিটেল বিপ্লৱে মানুহৰ যোগাযোগৰ ধৰণটোক নাটকীয়ভাৱে সলনি কৰি পেলাইছে। সামাজিক মাধ্যমসমূহে অসমৰ ভাষা, গীত-মাত, বিহু, সত্ৰীয়া সংস্কৃতি আৰু স্থানীয় শিল্পকলাক বি শ্বদৰবাৰত তুলি ধৰাৰ অভূতপূৰ্ব সুযোগ সৃষ্টি কৰিছে। বহু প্ৰতিভাশালী যুৱক-যুৱতীয়ে এই মাধ্যমসমূহ সৃষ্টিশীল আৰু গঠনমূলক কামত ব্যৱহাৰ কৰিছে। কিন্তু ইয়াৰ বিপৰীত ছবিখন যথাৰ্থতে উদ্বেগজনক।*



শালীনতাৰ আলোচনাৰ দিশত নাৰীৰ সামাজিক ভূমিকা আৰু পোছাকৰ প্ৰসংগ কেতিয়াও পৃথক হ'ব নোৱাৰে। ঐতিহাসিকভাৱে মেখেলা-চাদৰ বা পৰম্পৰাগত জনগোষ্ঠীয় সাজ-পোছাক অসমীয়া সংস্কৃতিৰ এক গৌৰৱোজ্জ্বল পৰিচয়। কিন্তু কোনো ব্যক্তিৰ, বিশেষকৈ এগৰাকী নাৰীৰ নৈতিক চৰিত্ৰ বা মূল্যবোধৰ একমাত্ৰ মাপকাঠি হিচাপে পোছাকক ব্যৱহাৰ কৰাটো প্ৰকৃত অৰ্থত শালীনতাৰ পৰিপন্থী। দৰাচলতে শালীনতা ৰক্ষাৰ দায়িত্ব কেতিয়াও একপক্ষীয়ভাৱে নাৰীৰ ওপৰত আৰোপ কৰিব নোৱাৰি। সংযত ভাষাৰ প্ৰয়োগ, আনৰ ব্যক্তিগত পৰিসৰৰ প্ৰতি সন্মান, ন্যায়সংগত আচৰণ আৰু উদাৰ দৃষ্টিভংগী পুৰুষ আৰু মহিলা উভয়েই সমানে ৰক্ষা কৰাটো সামাজিক কৰ্তব্য।



নলিনী ৰঞ্জন ভূঞা

আধুনিকতা মানে পৰম্পৰাগত মূল্যবোধৰ বিনাশ নহয়। বৰঞ্চ সময়োপযোগী ন্যায়বোধ আৰু সমতাৰ ভিত্তিত মূল্যবোধক নতুন ৰূপ দিয়াহে প্ৰকৃত আধুনিকতা।

একবিংশ শতিকাৰ ডিজিটেল বিপ্লৱে মানুহৰ যোগাযোগৰ ধৰণটোক নাটকীয়ভাৱে সলনি কৰি পেলাইছে। সামাজিক মাধ্যমসমূহে অসমৰ ভাষা, গীত-মাত, বিহু, সত্ৰীয়া সংস্কৃতি আৰু স্থানীয় শিল্পকলাক বিশ্বদৰবাৰত তুলি ধৰাৰ অভূতপূৰ্ব সুযোগ সৃষ্টি কৰিছে। বহু প্ৰতিভাশালী যুৱক-যুৱতীয়ে এই মাধ্যমসমূহ সৃষ্টিশীল আৰু গঠনমূলক কামত ব্যৱহাৰ কৰিছে। কিন্তু ইয়াৰ বিপৰীত ছবিখন যথাৰ্থতে উদ্বেগজনক। সামাজিক মাধ্যমত ব্যক্তিগত জীৱন আৰু ৰাজহুৱা পৰিসৰৰ সীমাৰেখা ক্ৰমাৎ বিলুপ্ত হৈ পৰিছে। ভিউজ, লাইক আৰু এলগৰিদমৰ অন্ধ প্ৰতিযোগিতাই মানুহক চাঞ্চল্যকৰ বিষয়বস্তু প্ৰচাৰৰ দিশে লৈ গৈছে।

দেখা গৈছে-অনিয়ন্ত্ৰিত ইণ্টাৰনেট ব্যৱহাৰ আৰু অভিভাৱকসকলৰ সচেতনতাৰ অভাৱত কিশোৰ-কিশোৰীসকলৰ মাজত মাৰ্জিত ৰুচিবোধ আৰু সামাজিক শিষ্টাচাৰৰ স্খলন ঘটিবলৈ ধৰিছে। ক্ষন্তেকতে 'ভাইৰেল' হোৱাৰ মোহত বহু সময়ত শালীনতাৰ সীমা চেৰাই সস্তীয়া জনপ্ৰিয়তাক 'আধুনিকতা' বুলি গ্ৰহণ কৰাৰ এক অস্বস্তিকৰ প্ৰৱণতা গঢ় লৈ উঠিছে। যিটো বিষয় সামাজিক তথা সাংস্কৃতিক ভাৱে চিন্তনীয় হৈ উঠিছে। আনহাতে অসমীয়া সাংস্কৃতিক অনুষ্ঠান, মঞ্চ বা দৈনন্দিন জীৱনৰ সাধাৰণ ত্ৰুটি-বিচ্যুতিসমূহকো সামাজিক মাধ্যমত অতিৰঞ্জিত কৰি চৰিত্ৰহনন, চাইবাৰ বুলিং আৰু কটু ভাষাৰে আক্ৰমণ কৰাৰ এক অসুস্থ প্ৰৱণতা গঢ় লৈ উঠিছে। এই দিশতেই 'ডিজিটেল শালীনতা' বা 'ডিজিটেল দায়িত্ববোধ'ৰ প্ৰয়োজনীয়তা অনিবাৰ্য হৈ পৰিছে। কোনো তথ্যৰ সত্যতা নিৰূপণ নকৰাকৈ ক্ষন্তেকীয়া উত্তেজনাৰ বশৱৰ্তী হৈ প্ৰচাৰ নকৰা, ব্যক্তিগত গোপনীয়তাক উলংঘা নকৰা আৰু ভিন্নমতক ব্যক্তিগত শত্ৰুতালৈ ৰূপান্তৰ নকৰাটোৱেই হৈছে আধুনিক শালীনতা। সাম্প্ৰতিক সময়ত কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিপফেক প্ৰযুক্তিৰ অপব্যৱহাৰে মানুহৰ মৰ্যাদা আৰু সামাজিক আস্থাক এক গভীৰ সংকটৰ মুখলৈ ঠেলি দিছে। কৃত্ৰিমভাৱে কাৰোবাৰ ছবি বা কণ্ঠ বিকৃত কৰি ভাবমূৰ্তি নষ্ট কৰাটো নৈতিক অপৰাধ। গতিকে প্ৰযুক্তিৰ ব্যৱহাৰত মানৱীয় সততা আৰু সংবেদনশীলতা ৰক্ষা কৰাটো আজিৰ যুগৰ নৈতিক পৰীক্ষা হৈ পৰিছে।

বৰ্তমান সময়ত এটা প্ৰশ্ন সঘনাই উচ্চাৰিত হয়- সমাজত শালীনতাৰ অৱক্ষয় ঘটিছে নেকি? এই প্ৰশ্নৰ উত্তৰ একপক্ষীয় হ'ব নোৱাৰে। সামাজিক মাধ্যমত দেখা পোৱা অসহিষ্ণুতা বা ভাষাৰ পতন নিশ্চিতভাৱেই চিন্তাৰ বিষয়। কিন্তু একে সময়তে আজিৰ সমাজত নাৰী অধিকাৰ, ব্যক্তি স্বাধীনতা, লিংগ সমতা আৰু ন্যায়পৰায়ণতাক লৈ যি ঐতিহাসিক সজাগতা গঢ় লৈ উঠিছে, সেয়াও এক উচ্চস্তৰৰ নৈতিক উত্তৰণৰেই প্ৰতীক। গতিকে সমস্যাটো কেৱল মূল্যবোধৰ অৱক্ষয়ত নহয়, বৰঞ্চ শালীনতাৰ পৰিসৰৰ ৰূপান্তৰতহে নিহিত হৈ আছে। যি সামাজিক যোগাযোগ এসময়ত গাঁৱৰ চ'ৰাঘৰ বা নামঘৰৰ মুখামুখি সান্নিধ্যত সীমাবদ্ধ আছিল, তাৰ ঠাইত আজি ডিজিটেলৰ জৰিয়তে ৰাজহুৱা পৰিসৰলৈ সম্প্ৰসাৰিত হৈছে।

এই সন্ধিক্ষণত শালীনতাৰ সুস্থ চৰ্চা পৰিয়ালৰ পৰাই আৰম্ভ হোৱাটো উচিত। পিতৃ-মাতৃ আৰু পৰিয়ালৰ জ্যেষ্ঠসকলৰ পৰাই নতুন প্ৰজন্মই সংযম, সহমৰ্মিতা আৰু ভাষাৰ মাৰ্জিত ব্যৱহাৰ শিকে। একেদৰে শিক্ষানুষ্ঠানসমূহেও কেৱল পাঠ্যপুথিৰ জ্ঞান প্ৰদানতে সীমাবদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীক ডিজিটেল সাক্ষৰতা, চাইবাৰ নৈতিকতা আৰু আনৰ মতামতক সন্মান জনোৱাৰ শিক্ষা দিয়াটো সময়ৰ প্ৰধান দাবী। লেখক, শিল্পী, সংবাদ মাধ্যম আৰু চিন্তাশীল নাগৰিকসকলেও ৰাজহুৱা মঞ্চত সুস্থ তৰ্ক আৰু শালীন বাৰ্তালাপৰ পৰিৱেশ জীয়াই ৰখাত অগ্ৰণী ভূমিকা পালন কৰাটো নিতান্ত প্ৰয়োজন।

পৰিশেষত ক'ব পাৰি যে, অসমীয়া সমাজৰ শালীনতা অতীতৰ কোনো নিশ্চল বা স্থবিৰ ধাৰণা নহয়। ই সময়ৰ স্পন্দনৰ সৈতে গতিশীল হৈ থকা এক জীৱন্ত সামাজিক প্ৰমূল্য। অতীতৰ ঐতিহ্যমণ্ডিত নৱ-বৈষ্ণৱ আদৰ্শ, থলুৱা জনগোষ্ঠীয় উদাৰ সম্প্ৰীতি আৰু সামূহিক দায়বদ্ধতাক বৰ্তমানৰ গণতান্ত্ৰিক মূল্যবোধ, মানৱাধিকাৰ আৰু প্ৰযুক্তিনিৰ্ভৰ জীৱনশৈলীৰ সৈতে একাত্ম কৰাটোৱেই আমাৰ অন্যতম দায়িত্ব। অতীতক অন্ধ অনুকৰণ নকৰি আৰু আধুনিকতাক বিবেচনাহীনভাৱে গ্ৰহণ নকৰি- স্বাধীনতা, মৰ্যাদা, সহনশীলতা আৰু মানৱীয়তাৰ এক সুসমন্বিত ৰূপ গঢ়ি তুলিব পাৰিলেহে অসমীয়া সমাজৰ শালীনতা চিৰপ্ৰাসংগিক আৰু মহীয়ান হৈ বৰ্তি থাকিব।

হাতী-মানুহৰ সংঘাত

বৰ্তমান সময়ত অসমৰ প্ৰায় ঠাইতে হাতী-মানুহৰ সংঘাত হৈ আছে। ই এটা ভয়ংকাৰ সমস্যাৰ সৃষ্টি হৈছে। এতিয়া বনৰীয়া হাতীয়ে গাঁৱে-ভূঞে চহৰে নগৰে ঘূৰি ফুৰিছে। মাজে সময়ে মানুহ মাৰিছে। সদায় আজি ইখন গাঁৱত মানুহৰ ঘৰ-দুৱাৰ উৱাল ভাঙিছে। কালিলৈ সিখন গাঁৱৰ মানুহৰ ঘৰ-দুৱাৰ ভাঙিছে। মুঠতে শান্তি নোহোৱা পৰিৱেশ সৃষ্টি হৈছে। ভয় শংকাৰে ভৰি পৰিছে মন। বিশেষকৈ আমাৰ পলাশবাৰী সমষ্টিৰ ৰঙামাটি, বিজয় নগৰ, দখলা, বাটৰ বাট, নহিৰা, ৰামপুৰ, ভাগৱতী পাৰা, ভূৱাপাৰা, আমোদ পুৰ, জেজাৰবড়ী, ৰাজা পুখুৰী, সানপাৰা, বৰিহাট, মিৰ্জা, বৰকুছি আদি অনেক ঠাইত হাতীৰ উপদ্ৰৱ বেছি নেকি? সন্ধিয়া হোৱাৰ লগে-লগে মানুহৰ মনত ভয় সোমাই। কাৰণ চকুৰ আগেদি হঠাতে পাৰ হৈ যায়। এনেকুৱা পৰিৱেশ সৃষ্টি হোৱা বেছি বছৰ হোৱা নাই। কিয়নো আমি আগতে নিশাৰ ভাগত বিহু চোৱা, থিয়েটাৰ চোৱা, চিনেমা চোৱা বা গৰমৰ দিনত লগ বন্ধুৰ সৈতে মুকলি ঠাইত ৰাতিলৈ আড্ডা মাৰি থাকাত। কোনোদিনে মা-দেউতাই কোৱা নাছিল। ঐ ডেকা ল'ৰা সোনকালে ঘৰলৈ আহিবি। নহ'লে বাটত হাতী লগত মুখা মুখি হবি। তেনেহলে আজি কিয় এনেকুৱা পৰিৱেশ সৃষ্টি হ'ল? কাৰ বাবে সৃষ্টি হ'ল? কিয় বনৰীয়া হাতী গাওঁ অঞ্চলপালে। আজি মানুহৰ টোপনি নাই। বৰ দুখৰ কথা। দিনৰ দিনটো হাড়ভঙা পৰিশ্ৰম কৰি আকৌ ৰাতি দুচকুত টোপনি নাই। ইয়াৰ মূল কাৰণ দিনে দিনে হাতীৰ সংখ্যা বাঢ়ি আছে। হাতী ধৰা বন্ধ কৰিছে। তদুপৰি বৰ্তমান সময়ত হাবি জংঘল ধ্বংস হৈ আহিছে। তাত মানুহে বসতিস্থল পাতিছে। সেয়ে হাতীবোৰ থাকিবলৈ ঘন অৰণ্য তথা খাদ্য খাবলৈ গছ গছনি একো নোহোৱা হৈ আহিছে। সিহঁতে যেন উপায় বিহীন হৈ আন্ধাৰৰ সুযোগ লৈ বনাঞ্চলৰ পৰা জনাঞ্চলত লৈ খাদ্য বিচাৰি আহে। আমি ফটকা ফুটাই হৈ হাল্লা কৰি খেদি দিওঁ। খেদিলে কি হ'ব? পিছদিনা আকৌ ওলাই আহে। একে লগে আঠটা নটা আহে। এই ক্ষেত্ৰত ৰাইজৰ অনুৰোধ বা দাবীত আগৰ বিধায়কজনে বৰ্তমান বিধায়ক জনে মুঠ দুবাৰ দুৰ লৈ খেদি পঠিয়াই। কিন্তু কামত অহা নাই। জানিব পৰা মতে ৰাণী অঞ্চলতো চলাৰ ফেঙচিং দিছে। তথাপি প্ৰতিৰোধ হোৱা নাই। এই প্ৰবন্ধটো লিখি থাকোঁতে ধাপ ধুপ ফটকাৰ শব্দ শুনি আছোঁ। এতিয়া ফটকাৰ শব্দ শুনিলে মানুহৰ অন্য কথা মনলৈ নাহে। কেৱল হাতী আৰু হাতী। ধাম ধুম ক'ত কেইটা আহিছে? ইয়াৰ বাবে ৰাইজে এটা হাতী সংবাদ বুলি হৱাটচএপ গুপ ও আছে। যিয়ে য'ত হাতী দেখা পায়। তৎক্ষণাৎ গুপত লেখি হ ওঁক বা ফটো সহকাৰে দি দিয়ে। তেতিয়া মানুহখিনিয়ে কিছু সাৱধান হ'ব পাৰে। ই এটা ভাল পদক্ষেপ বুলি ক'ব পাৰি। হাতীৰ নাকৰ কি আচৰিত গোন্ধ শক্তি আছে? নাজানো। পথেৰে গৈ থাকোঁতে কাৰ ঘৰত ধান আছে। কেনেকৈ গম পায়। নিশ্চয় কিবা এটা ৰহস্য আছে। কিয়নো আমাৰ ঘৰৰ ওচৰৰ চাৰিটা পৰিয়ালৰ ধান থোৱা ঘৰ ভাঙি ধান খাইছে। ধানৰ বস্তাই বস্তাই উলিয়ায় বাটে-পথে পেলাইছে, খাইছে। আকৌ কলগছ, গছ বন পাত বাহঁ খাই তহিলঙ কৰিছেই। একোটা পৰিয়ালৰ যেনেকুৱাকৈ ভাঙিছে। দ্বিতীয়বাৰ বনোৱা সহজ কথা নহয়। নাইবা একোখন উৱাল ভাঙিছে। ঘপকৈ কেনেকৈ বনাব। টকা প ইচাৰ কথা আছে। কিন্তু কথা হ'ল সাহায্য দিয়াৰ ক্ষেত্ৰত পলম হৈ আছে। মাত্ৰ হাতীয়ে ঘৰ ভঙা পৰিয়ালক টচ লাইট দিয়া বুলি শুনিছোঁ। তাকো সকলোৱে পোৱা নাই। কেতিয়া বা মানুহবোৰক সহায় সাহায্য কৰে। আমাৰ কথা হ'ল। ১/ আমি কেতিয়ালৈ হাতী সমস্যাৰ পৰা পৰিত্ৰাণ পাম। নে সদায় এনেদৰে হাতী মানুহৰ সংঘাত চাই থাকিব লাগিব। ২/ হাতী সমস্যাটো বিধানসভাত ঠাই দিব লাগে। ৩/ হাতীয়ে ক্ষতিগ্ৰস্ত কৰা পৰিয়াল সমূহক এক সপ্তাহৰ ভিতৰত সাহায্য দিব লাগে। ৪/ হাতীৰ ক্ষেত্ৰত এটা দীঘলীয়া পৰিকল্পনা কৰিব লাগে। সুবিধা লৈ লৈ এটা এটাকৈ ধৰি ধৰি অভয়াৰণ্যত এৰি থৈ আহিব লাগে। কিয়নো ইহঁতৰ সংখ্যা সময়ৰ লগে লগে বৃদ্ধি পায় আছে। ৫/ বন কৰ্মীসকল সজাগ সচেতন হৈ থাকিব লাগে। ফোন কিয় কৰিব লাগে? এই ক্ষেত্ৰত ক'ত কেতিয়া হাতী ওলাই নিজৰ দৃষ্টি ৰাখিব লাগে। ৬/ চৰকাৰে গছ বন কটা পাহাৰ ধ্বংস কৰা বন্ধ কৰক। লগতে গাঁৱতে এতিয়া একাংশ লোকে গছ কটা অভিযান চলাই আছে। দৈনিক গাড়ীক গাড়ী নি আছে। ইয়াৰ পাছতে ক'ব বিচাৰোঁ আমাৰ জনসাধাৰণৰ দায়িত্ব আৰু কৰ্তব্য কেনেকুৱা হোৱা উচিত। ১/ হাতী ওলালেই হৈ হাল্লা বেছি কৰিব নালাগে। আকৌ একেবাৰে কাষলৈ গৈ ফটকা ফুটাই দিগদাৰ দিব নালাগে। নহ'লে কেতিয়াবা বিপদজনক হ'ব পাৰে। ২/ প্ৰয়োজনত বন বিভাগক খবৰ দিয়ক। তেওঁ লোকৰ পৰামৰ্শ শুনক আৰু মানি চলক। ৩/ স্পৰ্শ অঞ্চলত বন কৰ্মী বেছিকৈ নিয়োগ কৰক। হাতীয়ে ভয় কৰা সামগ্ৰী কৰ্মীসকলক যোগান ধৰক। ৫/ হাতীৰ কথা জানা মানুহক নিয়োগ কৰক। ৬/ হাতীৰ বাবে স্পৰ্শকাতৰ এলেকাত পহৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৭/ চৰকাৰে প্ৰতিৰোধৰ ব্যৱস্থা কৰিলে তাত সহযোগিতা কৰক। লগতে তাক সংৰক্ষণৰ ব্যৱস্থা কৰক। কাৰণ চৰকাৰ আৰু জনসাধাৰণৰ সহায় সহযোগিতা যিকোনো সমস্যা সমাধান কৰিবলৈ বৰ সহায় হ'ব। শেষত আমি আশা কৰিম হাতী মানুহৰ সংঘাত সোনকালেই নিৰ্মূল হ'ব ওঁক।

বিপুল চন্দ্ৰ দাস

লেখকৰ ঠিকনা ঃ নহিৰা গাঁও, দক্ষিণ কামৰূপ

সংৰক্ষণ আৰু থলুৱাৰ অধিকাৰৰ সমান্তৰাল যাত্ৰা

পদ্ম মৰাণ

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কেৱল অসমৰ ভৌগোলিক গৌৰৱেই নহয়, সমগ্ৰ বিশ্বৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ইতিহাসত এক উজ্জ্বল অধ্যায়। একশৃংগ গঁৰ, এশীয় হাতী, বনৰীয়া ম'হ আৰু দুষ্প্ৰাপ্য পক্ষীকুলৰ সুৰক্ষিত বাসভূমি হিচাপে সমৃদ্ধ এই বিশাল বনাঞ্চলে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ চিনাকি অনন্য কৰি তুলিছে। কিন্তু কালৰ কুটিল গতি আৰু মানৱ সভ্যতাৰ সম্প্ৰসাৰণৰ লগে লগে কাজিৰঙাৰ সংৰক্ষণ প্ৰক্ৰিয়াটো ক্ৰমান্বয়ে জটিল হৈ পৰিছে। সাম্প্ৰতিক সময়ত কাজিৰঙাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতিতন্ত্ৰ সংবেদনশীল অঞ্চল (Eco-Sensitive Zone - ESZ) পুনৰ্নিৰ্ধাৰণৰ বিতৰ্কই উন্নয়ন আৰু প্ৰকৃতি সুৰক্ষাৰ মাজৰ সেই অঘোষিত সংঘাতক পুনৰাই এক গুৰুত্বপূৰ্ণ জাতীয় আলোচনাৰ কেন্দ্ৰবিন্দুলৈ আনিছে।

মূলতঃ উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক নিৰ্দেশনা আৰু কেন্দ্ৰীয় পৰিৱেশ সুৰক্ষা নীতি অনুসৰি যিকোনো সংৰক্ষিত বনাঞ্চল বা ৰাষ্ট্ৰীয় উদ্যানৰ চৌপাশৰ ১০ কিলোমিটাৰ পৰ্যন্ত এলেকা 'পাৰিৱেশিক সংবেদনশীল অঞ্চল' (ESZ) হিচাপে চিহ্নিত কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল উদ্যানখনৰ সুৰক্ষাৰ বাবে এক শক্তিশালী আৱৰণ বা 'বাফাৰ জ'ন' গঢ়ি তোলা, যাতে উদ্যানৰ ভিতৰৰ প্ৰাকৃতিক ভাৰসাম্য বাহিৰৰ কোলাহল আৰু অনিয়ন্ত্ৰিত উদ্যোগীকৰণৰ দ্বাৰা বিঘ্নিত নহয়। কিন্তু বৰ্তমান চৰকাৰে বোকাখাত চহৰ আৰু ইয়াৰ সমীপৱৰ্তী জনবসতিপূৰ্ণ অঞ্চলসমূহত এই ১০ কিলোমিটাৰৰ পৰিসৰ হ্ৰাস কৰি ১ কিলোমিটাৰলৈ নিৰ্ধাৰণ কৰাৰ বাবে প্ৰস্তাৱ আৰু আইনী পদক্ষেপ গ্ৰহণ কৰিছে।

চৰকাৰৰ এই নতুন নীতি আৰু পৰিকল্পনাৰ আঁৰত আছে এক দীৰ্ঘদিনীয়া স্থানীয় সামাজিক দাবী। বোকাখাতৰ দৰে পুৰণি আৰু বিকাশমুখী চহৰখন কাজিৰঙাৰ অতি নিকটতে অৱস্থিত হোৱাৰ বাবে ১০ কিলোমিটাৰীয়া কঠোৰ নিয়মৰ ফলত স্থানীয় থলুৱা জনসাধাৰণে নিজৰ মাটিত গৃহনিৰ্মাণ, কৃষিভিত্তিক সম্প্ৰসাৰণ, সৰু-বৰ ব্যৱসায়-বাণিজ্য আৰু ৰাজহুৱা উন্নয়নমূলক কাম-কাজত নানা ধৰণৰ আইনী প্ৰত্যাহ্বানৰ মুখামুখি হ'বলগীয়া হৈছিল। আনকি বোকাখাতৰ প্ৰস্তাৱিত ক্ৰীড়া প্ৰকল্প বা মিনি ষ্টেডিয়াম নিৰ্মাণৰ দৰে জনকল্যাণমূলক কামতো আইনী অন্তৰায় আহি পৰিছিল। সেয়ে চৰকাৰে থলুৱা ৰাইজৰ নাগৰিক অধিকাৰ আৰু পৌৰ-উন্নয়নৰ স্বাৰ্থত এই নিয়ম শিথিল কৰাৰ খোজ তুলিছে।

যিদৰে থলুৱা ৰাইজৰ অৰ্থনৈতিক আৰু নাগৰিক বিকাশ অস্বীকাৰ কৰিব নোৱাৰি, ঠিক সেইদৰে পৰিৱেশবিদ, প্ৰকৃতিপ্ৰেমী আৰু সচেতন চক্ৰসমূহে প্ৰকাশ কৰা গভীৰ উদ্বেগকো সম্পূৰ্ণভাৱে উলাই কৰিব নোৱাৰি। সংবেদনশীল অঞ্চলৰ পৰিসৰ হ্ৰাস কৰিলে কাৰ্বীয়া অঞ্চলত অনিয়ন্ত্ৰিত ইটাভাটা, ক্ৰাছাৰ উদ্যোগ, ব্যক্তিগত কংক্ৰীটৰ নিৰ্মাণ আৰু অনাকাংক্ষিত আৱাসিক পৰ্যটন কেন্দ্ৰ গঢ়ি উঠাৰ পূৰ্ণ আশংকা থাকে। যদি সংৰক্ষিত অঞ্চলৰ নিয়ম অতিমাত্ৰা শিথিল কৰা হয়, তেন্তে শব্দ প্ৰদূষণ, আৱৰ্জনা নিষ্কাশনৰ সমস্যা আৰু মানুহৰ ক্ৰমবৰ্ধমান উপস্থিতিয়ে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰিব।

বিশেষকৈ বাৰিষাৰ সময়ছোৱাত যেতিয়া ব্ৰহ্মপুত্ৰৰ উফন্দি অহা পানীয়ে কাজিৰঙাৰ ৭০-৮০ শতাংশ এলাকা প্লাবিত কৰে, তেতিয়া বনৰীয়া জীৱ-জন্তুবোৰৰ বাবে জীৱন ৰক্ষাৰ একমাত্ৰ উপায় হৈ পৰে দক্ষিণ দিশে থকা কাৰ্বি আংলঙৰ সুউচ্চ পাহাৰসমূহ। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ জীৱ-জন্তুবোৰে পাহাৰলৈ প্ৰব্ৰজন কৰোঁতে যিবোৰ নিৰ্দিষ্ট পথ বা 'এনিমেল ক'ৰিডৰ' ব্যৱহাৰ কৰে, সেইবোৰ সুৰক্ষিত হৈ থকাটো অত্যন্ত জৰুৰী। সংবেদনশীল অঞ্চল সৰু কৰাৰ ফলত যদি এই প্ৰাকৃতিক বিচৰণ পথসমূহত মানুহৰ দখল বা বাণিজ্যিক নিৰ্মাণ কাৰ্য বৃদ্ধি পায়, তেন্তে মানুহ আৰু বনৰীয়া জীৱ-জন্তুৰ সংঘাত (Human-Animal Conflict) ভয়াৱহভাৱে বৃদ্ধি পাব।

এই জটিল সমস্যাৰ সমাধান কেৱল এটা সিদ্ধান্ততে আৱদ্ধ হৈ থাকিব নোৱাৰাতো স্পষ্ট। ইয়াৰ বাবে এক ভাৰসাম্যপূৰ্ণ আৰু বিজ্ঞানসন্মত দৃষ্টিভংগীৰ জৰুৰী প্ৰয়োজন। প্ৰথমতেই, চৰকাৰে সমগ্ৰ কাজিৰঙাৰ বাবে এটা একমুখী নীতি প্ৰয়োগ নকৰি ভৌগোলিক সংবেদনশীলতা অনুসৰি সুকীয়া জ'নিং (Zoning) প্ৰথা গ্ৰহণ কৰিব লাগে। বোকাখাতৰ দৰে ইতিমধ্যে গঢ়ি উঠা ঘন জনবসতি পূৰ্ণ চহৰ এলেকাত নিয়ম শিথিল কৰি থলুৱা ৰাইজক সকাহ দিয়াৰ বিপৰীতে, কাৰ্বি আংলং দিশৰ যিবোৰ প্ৰাকৃতিক হাতী বা গঁৰৰ পাৰাপাৰৰ পথ আছে, তাত ESZৰ ১০ কিলোমিটাৰ পৰিসৰ কঠোৰভাৱে বাহাল ৰখা উচিত।

দ্বিতীয়তে, ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কাজিৰঙাৰ মাজেৰে পাৰ হৈ যোৱা অংশত যি ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড ক'ৰিডৰ (উৰণীয়া সেতু) নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে, তাৰ কাম দ্ৰুতগতিৰে সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ ফলত বাৰিষা জীৱ-জন্তুবোৰে ৰাস্তাৰ তলেৰে সুৰক্ষিতভাৱে পাহাৰলৈ যাব পাৰিব আৰু তীব্ৰবেগী গাড়ীৰ খুন্দাত বন্যপ্ৰাণীৰ মৃত্যু ৰোধ হ'ব।

কাজিৰঙা সংৰক্ষণৰ ইতিহাসলৈ চালে দেখা যায় যে, স্থানীয় ৰাইজৰ সক্ৰিয় সহযোগিতা আৰু ত্যাগৰ অবিহনে এই বনাঞ্চলখন সংৰক্ষিত হৈ থকাটো সম্ভৱ নাছিল। চোৰাং চিকাৰ প্ৰতিৰোধ কৰাৰ পৰা আৰম্ভ কৰি পৰ্যটনৰ জৰিয়তে নিজৰ ঐতিহ্য ৰক্ষা কৰালৈকে থলুৱা মানুহখিনিয়ে মুখ্য ভূমিকা পালন কৰি আহিছে। সেয়ে সংৰক্ষণ আৰু উন্নয়নক পৰস্পৰৰ বিৰোধী হিচাপে নাচাই, সমান্তৰালভাৱে আগবঢ়াই নিব লাগিব। চৰকাৰে পৰিৱেশবিদ, থলুৱা জনসাধাৰণ আৰু বন্যপ্ৰাণী বিশেষজ্ঞসকলৰ সৈতে মুক্ত আলোচনাৰ জৰিয়তে এনে এক নীতি নিৰ্ধাৰণ কৰা উচিত, যিয়ে এফালে থলুৱা মানুহৰ অধিকাৰ আৰু ভৱিষ্যত সুৰক্ষিত কৰিব আৰু আনফালে কাজিৰঙাৰ বিশ্বমানৰ প্ৰাকৃতিক ঐতিহ্যক মহীয়ান কৰি ৰাখিব।

৬ গ্ৰাম ড্ৰাগছসহ আটক চনেৰটাৰীৰ যুৱক; ঘৰৰ পৰা উদ্ধাৰ ড্ৰাগছভৰ্তি পেকেট

বৰপেটাৰ তাৰাবাৰী আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান

অসম বাৰ্তা, চেঙা, ১৩ অক্টোবৰ ঃ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখি বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষীয়ে এজন সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে তেওঁৰ ঘৰৰ পৰা ড্ৰাগছভৰ্তি প্লাষ্টিকৰ পেকেট উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে। আৰক্ষীৰ এই অভিযানক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক চৰ্চা চলিছে। প্ৰাপ্ত তথ্য অনুসৰি, তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয় আৰু উপ-পৰিদৰ্শক বিশ্বজিৎ দাসৰ নেতৃত্বত চলোৱা ড্ৰাগছবিৰোধী অভিযানৰ সময়ত এই সফলতা লাভ কৰে আৰক্ষীয়ে। অভিযানকালত চনেৰটাৰী গাঁৱৰ জোনাব আলীৰ পুত্ৰ চহিদুল ইছলামক আটক কৰা হয়। আটকাধীন লোকজনৰ ঘৰৰ পৰা প্ৰায় ৬ গ্ৰাম ড্ৰাগছ থকা এটা প্লাষ্টিকৰ পেকেট উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, বৰ্তমান সময়ত ড্ৰাগছৰ অবাধ প্ৰচলনে যুৱ প্ৰজন্মৰ লগতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। বিশেষকৈ গ্ৰামাঞ্চলসমূহত ড্ৰাগছৰ সৰবৰাহ আৰু ব্যৱহাৰ ৰোধ কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ তৎপৰতা যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এনে পৰিস্থিতিত তাৰাবাৰী আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই অহাৰ লগতে সন্দেহযুক্ত ব্যক্তিৰ বিৰুদ্ধেও নজৰ ৰাখিছে। আৰক্ষীৰ প্ৰাথমিক তথ্য অনুসৰি, আটকাধীন চহিদুল ইছলামৰ বিৰুদ্ধে অঞ্চলটোত ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। অৱশ্যে এই অভিযোগৰ সত্যতা আৰু ঘটনাটোৰ সৈতে আন কোনো লোক জড়িত আছে নে নাই, সেয়া আৰক্ষীৰ তদন্তৰ পিছতহে স্পষ্ট হ'ব। আটকাধীন লোকজনৰ পৰা উদ্ধাৰ কৰা ড্ৰাগছৰ উৎস, সৰবৰাহৰ সম্ভাব্য পথ আৰু ইয়াৰ সৈতে আন কোনো



ব্যক্তি বা চক্ৰ জড়িত থকাৰ সম্ভাৱনাৰ দিশসমূহ আৰক্ষীয়ে তদন্তৰ আওতালৈ আনিব পাৰে। ঘটনাটোৰ সন্দৰ্ভত অধিক তথ্যৰ বাবে আৰক্ষীৰ তদন্তৰ ফলাফললৈ অপেক্ষা কৰা হৈছে। ইফালে, ড্ৰাগছৰ দৰে সামাজিক ব্যাধি নিৰ্মূল কৰিবলৈ আৰক্ষীৰ অভিযানৰ সমান্তৰালভাৱে ৰাইজৰ সজাগতা আৰু সহযোগিতাও অত্যন্ত প্ৰয়োজনীয়। ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অব্যাহত ৰখা এনে অভিযানৰ জৰিয়তে অঞ্চলটোত নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহ নিয়ন্ত্ৰণ কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে। তাৰাবাৰী আৰক্ষীয়ে ঘটনাটোৰ সন্দৰ্ভত অধিক তদন্ত অব্যাহত ৰাখিছে। তদন্তৰ অগ্ৰগতিৰ পিছতহে এই ঘটনাৰ সৈতে জড়িত অন্যান্য দিশসমূহ পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

তুষাৰ পালৰ নেতৃত্বত চেলেংহাটত সজাগতা সভা

অসম বাৰ্তা, চেলেংহাট, ১৩ অক্টোবৰ ঃ সমাজৰ পৰা নিচাজাতীয় দ্ৰব্যৰ প্ৰচলন নিৰ্মূল কৰি এখন নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে দেওবাৰে যোৰহাট জিলাৰ চেলেংহাটৰ নামচেচু গাঁৱত তুষাৰ পালৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। নামচেচু গাঁৱৰ আশিস দুৱৰাৰ বাসগৃহত অনুষ্ঠিত সভাখনত অঞ্চলটোৰ শতাধিক লোক উপস্থিত থাকে। সভাত সভাপতিত্ব কৰে কুশল বৰুৱাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিক্ষাবিদ অজয় ধৰ আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতিৰ সভাপতি গকুল মাঝি। নিচামুক্তি অভিযানৰ মুখ্য প্ৰচাৰক তুষাৰ পালে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে চুবুৰীয়ে চুবুৰীয়ে অবৈধ সুৰা আৰু অন্যান্য নিচাজাতীয় দ্ৰব্যৰ ৰমৰমীয়া বেহা বৃদ্ধি পোৱাটো সমাজৰ বাবে এক গভীৰ উদ্বেগৰ বিষয় হৈ পৰিছে। এই সামাজিক ব্যাধি নিৰ্মূল কৰিবলৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে বিশেষকৈ মহিলাসকলক অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। পৰিয়াল আৰু সমাজৰ সামূহিক প্ৰচেষ্টাৰেহে নিচামুক্ত পৰিৱেশ গঢ়ি তোলা সম্ভৱ বুলিও তেওঁ মত প্ৰকাশ কৰে। সভাপতিৰ ভাষণত কুশল বৰুৱাই উঠি অহা প্ৰজন্মক নিচাজাতীয় দ্ৰব্যৰ কৰাল গ্ৰাসৰ পৰা আঁতৰাই ৰাখি প্ৰগতিৰ পথেৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অভিভাৱক আৰু সমাজৰ দায়িত্বৰ বিষয়ে আলোকপাত কৰে। বিশিষ্ট অতিথি শিক্ষাবিদ অজয় ধৰে নিচাৰ কু-প্ৰভাৱ সম্পৰ্কে এক অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়াই যুৱ প্ৰজন্মক নিচাৰ পৰা আঁতৰাই ৰাখিবলৈ সকলোকে সজাগ আৰু দায়বদ্ধ হ'বলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে সভাত উপস্থিত থকা অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতিৰ সভাপতি গকুল মাঝিয়ে সমাজৰ পৰা নিচাজাতীয় দ্ৰব্যৰ প্ৰচলন নিৰ্মূল কৰাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নিচাৰ কু-প্ৰভাৱৰ পৰা সমাজক ৰক্ষা কৰিবলৈ সংগঠনটোৰে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলিও তেওঁ আশ্বাস দিয়ে। সভাত উপস্থিত আন কেইবাগৰাকীও ব্যক্তিয়ে নিচাৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজ দিয়াৰ পোষকতা কৰি নিজৰ মতামত প্ৰকাশ কৰে। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সিদ্ধান্ত অনুসৰি, প্ৰথমে প্ৰতিটো পৰিয়ালৰ পৰাই নিচামুক্তি অভিযান আৰম্ভ কৰা হ'ব। পৰিয়ালৰ কোনো ব্যক্তি নিচাসক্ত হ'লে তেওঁক উপযুক্ত পৰামৰ্শ আৰু বুজনিৰে সুস্থ জীৱনলৈ ঘূৰাই অনাৰ প্ৰয়াস কৰা হ'ব। পিতৃ-মাতৃসকলক সন্তানৰ গতিবিধিৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিবলৈ আৰু বিপথে পৰিচালিত হোৱাৰ লক্ষণ দেখা পালে সময়মতে সজাগ কৰিবলৈ আহ্বান জনোৱা হয়। ইয়াৰ উপৰি অঞ্চলটোত অবৈধভাৱে সুৰা বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰা পৰিয়ালসমূহক প্ৰথমে বুজনি দি বিকল্প সংব্যৱসায়ৰ সৈতে জড়িত হ'বলৈ পৰামৰ্শ দিয়াৰ সিদ্ধান্ত লোৱা হয়। প্ৰয়োজন সাপেক্ষে এনে পৰিয়ালসমূহক আৰ্থিক সহায় আগবঢ়োৱাৰ বিষয়েও আলোচনা কৰা হয়। অৱশ্যে বাৰে বাৰে বুজনি দিয়াৰ পাছতো অবৈধ ব্যৱসায় অব্যাহত ৰাখিলে সংশ্লিষ্ট ব্যক্তিৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰা হয়। সভাৰ সামৰণিত নিচামুক্তি অভিযানক সফল কৰি তুলিবলৈ অঞ্চলটোৰ সকলো শ্ৰেণীৰ ৰাইজক ঐক্যবদ্ধভাৱে সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনোৱা হয়। সামাজিক সচেতনতা, পাৰিবাৰিক দায়িত্ব আৰু জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে এখন সুস্থ, সুৰক্ষিত আৰু নিচামুক্ত সমাজ গঢ়ি তোলাই সমাজৰ লক্ষ্য হ'ব লাগে বুলি সকলোৱে মত পোষণ কৰে।

বৰপেটা ৰাজহ চক্ৰৰ অন্তৰ্গত বাৰাদি ছেইণ্ট মেৰীছ, ইংৰাজী মাধ্যমিক বিদ্যালয়ত ভূমিকম্প আৰু অগ্নি জৰুৰীকালীন অৱস্থাৰ ওপৰত অনুশীল

অসম বাৰ্তা, বৰপেটা সদৰ, ১৩ অক্টোবৰ ঃ বৰপেটাৰ বাৰাদিৰ ছেইণ্ট মেৰীছ ইংৰাজী মাধ্যমিক বিদ্যালয়ত প্ৰায় ৫০০ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰীৰ অংশ গ্ৰহণেৰে ভূমিকম্প আৰু অগ্নিকাণ্ডৰ জৰুৰীকালীন অৱস্থাৰ অনুকৰণ কৰি ৯ অক্টোবৰ তাৰিখে এক অনুশীলন (মকড্ৰিল) অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠানিক প্ৰস্তুতি বৃদ্ধি আৰু দুৰ্যোগৰ সময়ত অংশ গ্ৰহণকাৰী সকলক উপযুক্ত জৰুৰীকালীন সঁহাৰি পদ্ধতিৰ সৈতে পৰিচিত কৰাৰ বাবে এই অনুশীলনৰ আয়োজন কৰা হৈছিল। বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰন কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী (এন ডি আৰ এফ), অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, ১ম বেটেলিয়ন, জিলা দুৰ্যোগ সঁহাৰি বাহিনী আৰু স্বাস্থ্য বিভাগৰ সমন্বয়ত অনুষ্ঠিত কৰে এই অনুশীলন। এই অনুশীলনত ভূমিকম্প আৰু অগ্নিকাণ্ডৰ সৈতে জড়িত জৰুৰীকালীন পৰিস্থিতিৰ অনুকৰণ কৰা হৈছিল, য'ত খালী কৰাৰ পদ্ধতি, অনুসন্ধান আৰু উদ্ধাৰ অভিযান, ক্ষতিগ্ৰস্ত ব্যৱস্থাপনা, প্ৰাথমিক চিকিৎসা আৰু সমন্বিত জৰুৰীকালীন সঁহাৰিৰ প্ৰদৰ্শন কৰা হৈছিল। অংশগ্ৰহণকাৰীসকলক অত্যাৱশ্যকীয় সুৰক্ষাৰ নিয়মাৱলী, শৃংখলাবদ্ধভাৱে খালী কৰাৰ গুৰুত্ব আৰু জৰুৰীকালীন পৰিস্থিতিৰ সময়ত তৎকালীন আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ প্ৰতি সংবেদনশীল কৰা হৈছিল। এই কাৰ্যসূচীত দুৰ্যোগৰ প্ৰস্তুতি শক্তিশালী কৰাৰ বাবে, সঁহাৰি সংস্থাসমূহৰ মাজত সমন্বয় উন্নত কৰাৰ বাবে আৰু জৰুৰীকালীন অৱস্থাত ফলপ্ৰসূভাৱে সঁহাৰি জনাবলৈ ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ কৰ্মচাৰী সকল যাতে পৰ্যাপ্তভাৱে সজ্জিত হয়, তাৰ বাবে শিক্ষানুষ্ঠান সমূহত নিয়মীয়াকৈ অনুশীলন (মকড্ৰিল) অনুষ্ঠিত কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। জিলা দুৰ্যোগ ব্যৱস্থাপনা বৰপেটাই সমগ্ৰ জিলাতে সুৰক্ষা আৰু স্থিতিস্থাপকতাৰ সংস্কৃতি গঢ়ি তোলাৰ লক্ষ্যৰে সমন্বিত পদক্ষেপৰ জৰিয়তে দুৰ্যোগৰ বিপদ সজাগতা আৰু প্ৰস্তুতি শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰিছে।

মৰিগাঁৱত লোকপিয়লৰ প্ৰস্তুতি সন্দৰ্ভত এদিনীয়া জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৩ অক্টোবৰ ঃ মৰিগাঁও জিলাত আজি জিলা লোকপিয়ল পুথি (District Census Handbook) প্ৰস্তুতকৰণ আৰু লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ প্ৰস্তুতি সন্দৰ্ভত এদিনীয়া জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ ৰাজহ চক্ৰসমূহৰ ভাৰপ্ৰাপ্ত বিষয়া তথা চক্ৰ বিষয়াসকল, মৰিগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া আৰু জিলাখনৰ ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে। অসম চৰকাৰৰ লোকপিয়ল সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক শ্ৰী সপ্তৰাজ দাসে প্ৰশিক্ষণ প্ৰদান কৰে। তেওঁ জিলা লোকপিয়ল পুথি প্ৰস্তুতকৰণৰ লগতে লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰয়োজনীয় পদ্ধতি আৰু প্ৰস্তুতি সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত মৰিগাঁৱৰ অতিৰিক্ত জিলা আয়ুক্ত (লোকপিয়ল) ড° নীলাক্ষী বৈশ্যও উপস্থিত থাকে। এই প্ৰশিক্ষণৰ মূল উদ্দেশ্য আছিল লোকপিয়ল সম্পৰ্কীয় কাৰ্যকলাপসমূহ সুচাৰুৰূপে, পদ্ধতিগতভাৱে আৰু ফলপ্ৰসূভাৱে ৰূপায়ণৰ বাবে জিলা পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী তথা ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মকৰ্তাসকলৰ প্ৰস্তুতি অধিক সুদৃঢ় কৰা।

সমজিলা দিৱসৰ সাংস্কৃতিক অনুষ্ঠানৰ পিছত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাৰ্তা

▫ অভয়াপুৰীত প্ৰশাসন আৰু সংবাদকৰ্মীৰ ব্যতিক্ৰমী পদক্ষেপ ▫

অসম বাৰ্তা, সৃজনগ্ৰাম, ১৩ অক্টোবৰ ঃ অভয়াপুৰী সমজিলা দিৱস উপলক্ষে আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ পিছত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰি ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰে অভয়াপুৰীৰ প্ৰশাসন আৰু সংবাদকৰ্মীসকলে। কেৱল সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাতে নিজৰ দায়িত্ব সামৰি নাৰাখি অনুষ্ঠানস্থলী পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰতো সচেতনতা প্ৰদৰ্শন কৰি তেওঁলোকে সমাজৰ আগত এক সুন্দৰ নিদৰ্শন দাঙি ধৰে। সমজিলা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন কাৰ্যসূচীৰ মাজেৰে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠান উপভোগ কৰিবলৈ সমবেত হোৱা লোকসকলৰ উপস্থিতিত অনুষ্ঠানস্থলী মুখৰ হৈ পৰে। কিন্তু অনুষ্ঠানৰ সামৰণিৰ পিছত সাধাৰণতে দেখা পোৱা আৱৰ্জনাময় পৰিৱেশৰ বিপৰীতে অভয়াপুৰীত দেখা গ'ল এক ব্যতিক্ৰমী দৃশ্য। প্ৰশাসন আৰু সংবাদকৰ্মীসকলে আগবাঢ়ি আহি অনুষ্ঠানস্থলী পৰিষ্কাৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰে। এই পদক্ষেপৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতা কেৱল প্ৰশাসনৰ দায়িত্ব নহয়, বৰঞ্চ ই প্ৰতিগৰাকী নাগৰিকৰে সামাজিক দায়িত্ব এই গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰা হয়। ৰাজহুৱা স্থানত যিকোনো অনুষ্ঠান অনুষ্ঠিত কৰাৰ পিছত সেই স্থান পৰিষ্কাৰ কৰি ৰখাটো সকলোৰে নৈতিক কৰ্তব্য। এই ক্ষেত্ৰত প্ৰশাসন আৰু সংবাদকৰ্মীসকলৰ এনে উদ্যোগে সমাজৰ অন্যান্য শ্ৰেণীৰ লোকসকলকো অনুপ্ৰাণিত কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে এখন সুস্থ, সুন্দৰ আৰু পৰিষ্কাৰ সমাজ গঢ়ি তোলাৰ বাবে কেৱল সজাগতা সভা বা ভাষণেই যথেষ্ট নহয়, তাৰ বাবে প্ৰয়োজন বাস্তৱসন্মত পদক্ষেপ আৰু সামূহিক অংশগ্ৰহণ। অভয়াপুৰীত সমজিলা দিৱসৰ সাংস্কৃতিক অনুষ্ঠানৰ পিছত গ্ৰহণ কৰা এই পদক্ষেপে সেই কথাকে পুনৰ প্ৰতিপন্ন কৰিলে। নিজৰ কৰ্মৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাৰ্তা প্ৰচাৰ কৰাটো সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ। প্ৰশাসন আৰু সংবাদকৰ্মীৰ এই ব্যতিক্ৰমী উদ্যোগে সমজিলা দিৱসৰ আনন্দ-উৎসৱৰ মাজতে সামাজিক দায়বদ্ধতা, পৰিৱেশ সচেতনতা আৰু সামূহিক কৰ্তব্যবোধৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিলে। এনে পদক্ষেপে ভৱিষ্যতেও ৰাজহুৱা অনুষ্ঠানসমূহৰ পিছত পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত ইতিবাচক মানসিকতা গঢ়ি তুলিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

মৰিগাঁও জিলা আমছুৰ উদ্যোগত জনজাগৰণ সভাত আমছুৰ সভাপতি ইমতিয়াজ হুছেইন

"প্ৰাণৰ শিল্পী জুবিন গাৰ্গ ন্যায়ৰ দাবীত প্ৰতিবাদত আমছুৰ পূৰ্ণ সমৰ্থন আছে"

অসম বাৰ্তা, লাহৰীঘাট, ১৩ অক্টোবৰ ঃ আজি মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আমছুৰ এক বিশাল জনজাগৰণ সভা অনুষ্ঠিত হয়। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আৰু ভূৰাগাঁও আঞ্চলিক সমিতিৰ সহযোগত ভূৰাগাঁও আঞ্চলিক ঈদগাহ ময়দানত এক বিশাল জনজাগৰণ সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলা আমছুৰ সভাপতি হাৰুন অল ৰশ্বিদ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত বিশাল জনজাগৰণ সভাত উপস্থিত থাকে আমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ইমতিয়াজ হুছেইন, মুখ্য উপদেষ্টা আইনুদ্দিন আহমেদ, সাধাৰণ সম্পাদকদ্বয় মিন্নাতুল ইছলাম আৰু কুদ্দুচ আলী চৰকাৰ, সহঃ সাধাৰণ সম্পাদক ইক্ৰামুল হুছেইন, প্ৰচাৰ সম্পাদক ছাদ্দাম হুছেইন, সাংস্কৃতিক সম্পাদক শ্বাজাহান খন্দকাৰৰ লগতে জিলা সমিতি বিষয়ববীয়া, প্ৰাক্তন আমছুৰ কেন্দ্ৰীয় আৰু জিলা সমিতিৰ বিষয় ববীয়াসকল। জনজাগৰণ সভাত উপস্থিত থাকি আমছুৰ সভাপতি ইমতিয়াজ হুছেইনে ভাষণ প্ৰসংগত কয় যে, সংখ্যালঘুৰ ন্যায়, অধিকাৰ, ভূমিহীনৰ পট্টাৰ বাবে দেহৰ শেষ টুপাল তেজ থকালৈকে সংগ্ৰাম কৰি যাম। বৰ্তমান সময়ত সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত মাদক দ্ৰব্য বিশেষকৈ ড্ৰাগছে এক ভয়াবহ পৰিস্থিতি সৃষ্টি কৰিছে। সমাজৰ পৰা এই অবৈধ ড্ৰাগছ বন্ধ নহ'লে দিনক দিনে জাতিটো এক ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীনৰ দিশে গতি কৰিছে। নিচা বা মাদক দ্ৰব্যই এটা জাতি পংগু কৰি দিয়ে। বৰ্তমান সমাজৰ আটাইতকৈ ডাঙৰ ব্যাধি ৰোধৰ বাবে সমাজ সৰ্বস্তৰৰ লোকক মাৰবান্ধি থিয় হ'বলৈ আহ্বান জনায়। লগতে আমছুৰ সভাপতি গৰাকীয়ে কয় যে, জাতি এটা আগবাঢ়ি যোৱাৰ মূল অস্ত্ৰ শিক্ষা। সেয়ে সকলোকে নিজৰ সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰাৰ ক্ষেত্ৰত যতপৰোনাস্তি চেষ্টা কৰিবলৈ আহ্বান জনায়। লগতে প্ৰাণ শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ বাবে হোৱা প্ৰতিবাদ সম্পৰ্কে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত আমছুৰ সভাপতি গৰাকীয়ে কয় যে, জুবিন গাৰ্গৰ ন্যায়ৰ বাবে গৰিমা বৌয়ে আহ্বান জনোৱা আন্দোলনত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ পূৰ্ণ সমৰ্থন আছে। জুবিন গাৰ্গে ন্যায় পাবই লাগিব বুলি দাবী কৰে। জনজাগৰণ সভাখনত আমছুৰ সাধাৰণ সম্পাদক মিন্নাতুল ইছলামে ভাষণ প্ৰসংগত কয় যে, আমছুৱে সংখ্যালঘু জনসাধাৰণৰ ন্যায় আৰু প্ৰাপ্য অধিকাৰ ক্ষেত্ৰত কেতিয়াও আপোচ নকৰে। সংখ্যালঘু ৰাইজৰ স্বাৰ্থত আমছু সদায় আছিলে আৰু আনাগত দিনত থাকিব। তেখেতে লগতে কয় যে, আমছু কেতিয়াও উচ্ছেদৰ বিৰোধী নহয়, কিন্তু চৰকাৰে বৈষম্য নীতিৰে কেৱল বাচি বাচি সংখ্যালঘুলোকক কৰা উচ্ছেদ মানি নলয়। সংখ্যালঘু লোকসকলক কৰা অন্যায় অত্যাচাৰৰ বিৰুদ্ধে কৰা প্ৰতি ক্ষেত্ৰতে চৰকাৰৰ বিৰোধিতা কৰিব বুলি চৰকাৰক হুংকাৰ প্ৰদান কৰে।



জুবিন গাৰ্গৰ প্ৰসংগৰে দুলীয়াজান মহাবিদ্যালয়ত ১৩ অক্টোবৰত ৰাজ্যিক ভিত্তিত তৰ্ক সমৰ

অসম বাৰ্তা, দুলীয়াজান, ১৩ অক্টোবৰ ঃ অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আদৰ্শৰ মূল্যায়নক লৈ এখন আকৰ্ষণীয় তৰ্ক সমৰৰ সাক্ষী হ'বলৈ গৈ আছে দুলীয়াজানবাসী। অহা ১৩ অক্টোবৰ, মঙলবাৰে দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাজ্যিক ভিত্তিত এখন আন্তঃমহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। দুলীয়াজান মহাবিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগত দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত এই 'ত্ৰয়োবিংশতিতম বাৰ্ষিক শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা'খন অনুষ্ঠিত হ'ব। এই বাৰৰ প্ৰতিযোগিতাখনৰ বিষয়বস্তু যথেষ্ট সমসাময়িক আৰু আকৰ্ষণীয়। সদনৰ বিষয়বস্তু হিচাপে নিৰ্ধাৰণ কৰা হৈছে— "ৰাজনৈতিক পৰিসৰৰ ঊৰ্ধ্বত ৰাখিলেহে জুবিন গাৰ্গৰ আদৰ্শৰ যথাৰ্থ মূল্যায়ন সম্ভৱ।" উল্লেখ্য যে, ১৯৮০ চনৰ ১৮ জানুৱাৰীত অসম আন্দোলনৰ সময়ত দুলীয়াজানৰ তৈল অৱৰোধ কাৰ্যসূচীত প্ৰাণ আহুতি দিয়া চাৰিগৰাকী জাতীয় বীৰৰ স্মৃতিত ২০০৩ চনৰ পৰাই এই প্ৰতিযোগিতাখন ধাৰাবাহিক ভাৱে অনুষ্ঠিত কৰি অহা হৈছে। উদ্যোক্তাই জনোৱা মতে, ১৩ অক্টোবৰৰ পুৱা ৯ বজাত পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হ'ব। ৯.১৫ বজাত শ্বহীদ তৰ্পণ, ৯.৩০ বজাত পঞ্জীয়ন আৰু ৯.৪৫ বজাত শ্বহীদৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হ'ব। ইয়াৰ পিছতে পুৱা ১০ বজাৰ পৰা মূল প্ৰতিযোগিতাখন আৰম্ভ হ'ব আৰু বিয়লি ২.৩০ বজাত বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিখন মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পৰা এটাকৈ দলে অংশগ্ৰহণ কৰিব পাৰিব আৰু প্ৰতিটো দলত সপক্ষ আৰু বিপক্ষৰ এগৰাকীকৈ প্ৰতিযোগী থকাটো বাধ্যতামূলক। প্ৰতিযোগিতাত বিজয়ী শ্ৰেষ্ঠ তাৰ্কিক আৰু শ্ৰেষ্ঠ দললৈ ক্ৰমে ১৫,০০০ টকাকৈ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। সেইদৰে দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক আৰু দললৈ ১০,০০০ টকাকৈ তথা তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক আৰু দললৈ ৫,০০০ টকাকৈ পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে শিক্ষানুষ্ঠানৰ মূৰব্বীৰ দ্বাৰা স্বাক্ষৰিত প্ৰ-পত্ৰ ১৩ অক্টোবৰৰ ভিতৰত হোৱাটছএপ যোগে প্ৰেৰণ কৰিবলৈ উদ্যোক্তামণ্ডলীয়ে আহ্বান জনাইছে। সবিশেষ জানিবলৈ তথা যোগাযোগৰ বাবে উদ্যোক্তাসকলে ৯৯৫৭০৭৪৮৭১, ৯৮৬৪০৯০৮৭৩ আৰু ৯১০১৫২০২৪০ নম্বৰ মুকলি কৰি দিছে। লগতে প্ৰ-পত্ৰসমূহ ৯৯৫৭০৭৪৮৭১ আৰু ৯৮৬৪০৯০৮৭৩ হোৱাটছএপ নম্বৰত জমা দিব পাৰিব বুলি জানিবলৈ দিছে।

মাকুমৰ দুটাকৈ স্থানত সংঘটিত দুটাকৈ পথ দুৰ্ঘটনা

অসম বাৰ্তা, মাকুম, ১৩ অক্টোবৰ ঃ মাকুমত পৃথকে পৃথকে সংঘটিত দুটাকৈ পথ দুৰ্ঘটনাৰ ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰথমটো দুৰ্ঘটনা মাকুম টেঙাপানী ৰোডৰ কানাড়া বেংকৰ সন্মুখত সন্ধিয়া প্ৰায় ৫.৩০ বজাত সংঘটিত হয়। এ এচ -২৩-এ এন -৯১১৪ নম্বৰৰ এখন বাইকত তিনিজন আৰোহীয়ে টেঙাপানীৰ দিশৰ পৰা মাকুম অভিমুখে আহি থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা এখন স্কুটীৰ সৈতে বাইকখনৰ সংঘৰ্ষ হয়। ফলত নিয়ন্ত্ৰণ হেৰুৱাই বাইকখনে পথৰ কাষত থকা এটা বিদ্যুতৰ খুঁটাত খুন্দা মৰাৰ পাছত বাইকখনত থকা তিনিও আৰোহী গুৰুতৰ ভাৱে আহত হয় যদিও স্কুটী খনত থকা মহিলা আৰোহী দুগৰাকীৰ কোনোধৰণৰ আঘাত প্ৰাপ্ত নহ'ল। পৰৱৰ্তী সময়ত আহত তিনিও আৰোহীক তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ বাবে প্ৰেৰণ কৰা হয়। ঘটনাৰ খবৰ লাভ কৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু দুৰ্ঘটনাগ্ৰস্ত বাইকখন থানালৈ লৈ যায়। ইপিনে নিশা মাকুম থানাৰ অন্তৰ্গত আনন্দবাগ চাহ বাগিচাৰ সংযোগী ২৩ নং লাইনৰ সমীপৰ বাইপাছত সংঘটিত আনটো পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহীৰ মৃত্যু হয়। জানিব পৰা মতে, কোনো অচিনাক্ত এখন চাৰিচকীয়া বাহনে চাইকেল আৰোহী গৰাকীক পাছফালৰ পৰা খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনা সংঘটিত কৰিয়ে চাৰিচকীয়া বাহনখন ঘটনা স্থলীৰ পৰা পলায়ন কৰে বুলি জানিবলৈ পৰা যায়। মাকুম আৰক্ষী থানাৰ তহলদাৰী আৰক্ষীৰ এটা দলে মাকুম দ্বিতীয় অসম আৰক্ষী বাহিনীৰ দিশৰ পৰা আহি থকা সময়তে পথৰ মাজত এজন ব্যক্তি আৰু এখন চাইকেল পৰি থকা প্ৰত্যক্ষ কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৃত ব্যক্তিগৰাকীক আনন্দবাগ চাহ বাগিচাৰ ২৩ নং লাইনৰ বাসিন্দা চুজিৎ নায়ক বুলি চিনাক্ত কৰা হয়।

একত্ৰীকৰণ হোৱা বিদ্যালয়ৰ স্নাতকোত্তৰ আৰু স্নাতক ডিগ্ৰীধাৰী ইণ্টাৰমিডিয়েট শিক্ষক-শিক্ষয়িত্ৰীৰ পদ উন্নীতকৰণৰ দাবী সদৌ অসম শিক্ষক কৰ্মচাৰী পৰিষদৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ অসমৰ একত্ৰীকৰণ হোৱা হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত কৰ্মৰত এম.এ., বি.এ. আৰু বি.এড. ডিগ্ৰীধাৰী ইণ্টাৰমিডিয়েট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পদসমূহ উচ্চতৰ মাধ্যমিক বা হাইস্কুল পৰ্যায়লৈ উন্নীতকৰণৰ দাবী উত্থাপন কৰিছে সদৌ অসম শিক্ষক কৰ্মচাৰী পৰিষদে। দীৰ্ঘদিন ধৰি এই শিক্ষক-শিক্ষয়িত্ৰীসকলে উচ্চ শ্ৰেণীত পাঠদান কৰি অহাৰ পাছতো তেওঁলোকৰ পদ উন্নীতকৰণৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাত বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। উল্লেখ্য যে, শিক্ষা ক্ষেত্ৰ আঁচনিৰ অধীনত একেটা চৌহদত অৱস্থিত বিদ্যালয়সমূহ একত্ৰীকৰণৰ উদ্দেশ্যে অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালকে পত্ৰ নং DIS/Amalgamation/59/2016/Pat/147, তাৰিখ ১৭ নৱেম্বৰ, ২০১৭ অনুসৰি নিৰ্দেশনা জাৰি কৰিছিল। উক্ত নিৰ্দেশনাৰ ভিত্তিত ২০১৭ চনত অসমৰ বিভিন্ন জিলাত বহু সংখ্যক নিম্ন প্ৰাথমিক বিদ্যালয় (এল.পি. স্কুল), মধ্য ইংৰাজী বিদ্যালয় (এম.ই. স্কুল), হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় একত্ৰীকৰণ কৰা হৈছিল। বিদ্যালয়সমূহ একত্ৰীকৰণৰ ফলত একেটা চৌহদতে বিভিন্ন পৰ্যায়ৰ শ্ৰেণীৰ পাঠদানৰ ব্যৱস্থা গঢ়ি উঠিছিল। কিন্তু একত্ৰীকৰণৰ পাছতো বহু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু শ্ৰেণী অনুসৰি প্ৰয়োজনীয় শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ পৰিলক্ষিত হোৱা বুলি অভিযোগ উত্থাপন হৈছে। আনহাতে, একত্ৰীকৰণৰ পূৰ্বৰে পৰা বহু এল.পি. আৰু এম.ই. বিদ্যালয়ত কৰ্মৰত কিছুমান শিক্ষক-শিক্ষয়িত্ৰীৰ এম.এ., বি.এ. আৰু বি.এড. আদি উচ্চ শিক্ষাগত অৰ্হতা আছে। একত্ৰীকৰণৰ পাছত এই শিক্ষক-শিক্ষয়িত্ৰীসকলে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শ্ৰেণীসমূহতো পাঠদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক স্বাৰ্থত তেওঁলোকে দায়িত্ব পালন কৰি অহাৰ পাছতো তেওঁলোকৰ শিক্ষাগত অৰ্হতা আৰু কৰ্মৰ পৰিসৰৰ সৈতে সংগতি ৰাখি পদসমূহ উন্নীতকৰণৰ বিষয়টো এতিয়াও গুৰুত্বপূৰ্ণ দাবী হিচাপে বিবেচিত হৈ আছে। এই সন্দৰ্ভত শিক্ষক কৰ্মচাৰী পৰিষদে অসম চৰকাৰৰ শিক্ষা বিভাগৰ ওচৰত দাবী জনাইছে যে, একত্ৰীকৰণৰ পূৰ্বৰে পৰা এম.এ., বি.এ. আৰু বি.এড. ডিগ্ৰীধাৰী হিচাপে কৰ্মৰত যোগ্য শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পদসমূহৰ বিষয়টো চৰকাৰে সহানুভূতিশীলভাৱে বিবেচনা কৰি শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক। পৰিষদে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ দৃষ্টি আকৰ্ষণ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকল যাতে তেওঁলোকৰ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত নহয়, তাৰ বাবে পদ উন্নীতকৰণৰ বিষয়টো ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰিবলৈ আহ্বান জনাইছে। এতিয়া সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আশা— চৰকাৰে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি প্ৰয়োজনীয় নীতি-নিৰ্দেশনা আৰু প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰিব, যাতে তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবীৰ এক ইতিবাচক সমাধান ওলাই আহে।

২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে পুনৰ

লগতে জীপ চাফাৰীত অংশ লয়, ব্যাখ্যা কেন্দ্ৰ পৰিদৰ্শন কৰে আৰু এখন ৰাজহুৱা সভাত ভাষণ দিয়ে। বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয় যে পবিতৰা অভয়াৰণ্যৰ পৰ্যটন সম্ভাৱনা যথেষ্ট অধিক। অভয়াৰণ্যখনক আৰু অধিক আকৰ্ষণীয় কৰি তুলিবলৈ চৰকাৰে প্ৰচেষ্টা চলাব। তেওঁ উল্লেখ কৰে যে অভয়াৰণ্যৰ পৰ্যটনৰ সৈতে স্থানীয় লোকসকলৰ জীৱিকা জঞ্জতি হৈ আছে। সেয়ে স্থানীয় ৰাইজেও বন্যপ্ৰাণী সংৰক্ষণত বিশেষ গুৰুত্ব দিছে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি নগাঁও লোকসভা সমষ্টিৰ সাংসদ দেৱাশিস শৰ্মাই পবিতৰালৈ অহা সকলো পৰ্যটকক স্বাগতম জনায়। তেওঁ কয় যে বিগত বৰ্ষত পবিতৰা অভয়াৰণ্যলৈ প্ৰায় ৩৫ হাজাৰ পৰ্যটকে ভ্ৰমণ কৰিছিল। ইয়াৰে ৫০০ৰো অধিক বিদেশী পৰ্যটক আছিল। এইবাৰো পৰ্যটকৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ মন্তব্য কৰে। সাংসদ শৰ্মাই লগতে কয় যে এইবাৰ স্থানীয় নিবনুৱা যুৱকসকল পৰ্যটন ক্ষেত্ৰত আগবাঢ়ি আহিছে। ফলত জীপৰ সংখ্যাও বৃদ্ধি পাইছে। পবিতৰালৈ পৰ্যটকৰ সংখ্যা বঢ়াৰ লগে লগে স্থানীয় নিবনুৱাৰ সংস্থাপনৰ বাটো মুকলি হ'ব। পৰ্যটনৰ সমান্তৰালভাৱে স্থানীয় যুৱক-যুৱতীসকলৰ জীৱিকা উন্নয়নৰ দিশটোতো গুৰুত্ব দিয়াৰ প্ৰয়োজন বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য, ১৯৭১ চনত পবিতৰাক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হৈছিল। ১৯৮৭ চনত ইয়াক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়া হয়। ১৯৯৮ চনত চূড়ান্ত সীমা নিৰ্ধাৰণ কৰি অভয়াৰণ্যখনক সম্পূৰ্ণ ৰূপ দিয়া হয়। বৰ্তমান ইয়াৰ মুঠ মাটিকালি প্ৰায় ৩৮.৮ বৰ্গ কিলোমিটাৰ। ইয়াৰে প্ৰায় ১৬ বৰ্গ কিলোমিটাৰ অঞ্চল এশিঙীয়া গঁড়ৰ মূল বাসস্থান হিচাপে পৰিগণিত। পবিতৰা অভয়াৰণ্য এশিঙীয়া গঁড়ৰ মুক্ত বিচৰণস্থলী হিচাপে বিশ্ববিখ্যাত। অভয়াৰণ্যখনত গঁড়ৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে পৰ্যটকৰ সংখ্যাও বাঢ়ি আহিছে। পবিতৰা বন্যপ্ৰাণী সংমণ্ডল বিষয়া আলেখ চাক্সেনাই জনোৱা মতে, ২০২২ চনৰ গণনা অনুসৰি অভয়াৰণ্যখনত এশিঙীয়া গঁড়ৰ সংখ্যা ১০৭ টা। ইয়াৰে প্ৰায় ৩০টা মতা, ৫০টা মাইকী আৰু ২৭টা পোৱালি গঁড়। গঁড়ৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত প্ৰায় ছৰ পৰা ৭ টা। ২০১৬ চনৰ পৰা আজিলৈকে পবিতৰাত গঁড়ৰ চোৰাং চিকাৰ শূন্য হৈ আছে। অভয়াৰণ্যখনত প্ৰায় চল্লিশৰ পৰা ৩৮৫ প্ৰজাতিৰ চৰাই পোৱা যায়। শীতকালত পৰিভ্ৰমী চৰাইৰ সংখ্যা ১১,০০০ৰো অধিক হয়। ইয়াৰে প্ৰায় ৮০ শতাংশ পৰিভ্ৰমী চৰাই। জলাশয় আৰু ঘাঁহনিত বহুতো জলচৰ চৰাইৰ আগমন ঘটে। বন বিভাগৰ তথ্য অনুসৰি, পবিতৰা অভয়াৰণ্য চৰাই নিৰীক্ষণৰ বাবেও এক গুৰুত্বপূৰ্ণ স্থান। পৰ্যটকৰ পৰিসংখ্যাৰ বিষয়ে সংমণ্ডল বিষয়া আলেখ চাক্সেনাই জানোৱা মতে, ২০২৪-২৫ বৰ্ষত পবিতৰালৈ মুঠ ৩৪, ৪৩৭ গৰাকী পৰ্যটকে আহিছিল। ইয়াৰে ৩৩, ৮০০ গৰাকী ভাৰতীয় আৰু ৬৩৭ গৰাকী বিদেশী পৰ্যটক আছিল। একেদৰে ২০২৫-২৬ বৰ্ষত মুঠ পৰ্যটকৰ সংখ্যা আছিল ৩৫, ৩৭১ গৰাকী। ইয়াৰে ৩৪, ৬৯৫ গৰাকী ভাৰতীয় আৰু ৬৭৬ গৰাকী বিদেশী পৰ্যটক আছিল। এই পৰিসংখ্যাই দেখুৱায় যে পবিতৰালৈ পৰ্যটকৰ আগমন বছৰি বৃদ্ধি পাইছে। বৰ্তমান অভয়াৰণ্যখনত ১০৭টা এশিঙীয়া গঁড়ৰ উপৰিও বনৰীয়া ম'হ, হৰিণা, বনৰীয়া গাহৰি আদি বন্যপ্ৰাণী আছে। এইবোৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ আহিছে। অভয়াৰণ্যখন পুনৰ মুকলি হোৱাৰ লগে লগে পৰ্যটন ক্ষেত্ৰত নতুন গতি আহিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে। উদ্বোধনী অনুষ্ঠানত তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, মায়ংৰ ৰজা তৰণী কান্ত সিংহ, অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক সত্যেন্দ্ৰ সিং, বিজেপি মৰিগাঁও জিলা সভাপতি ৰাম প্ৰসাদ সৰকাৰ আৰু বন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

যন্তৰ-মন্তৰত চিজেপি কৰ্মী সৌৰভ

কৰে। এক্সত দীপকেয়ে লিখিছে, "সৌৰভ, আশু আৰু আজিংক্য এতিয়াও আৰক্ষীৰ জিম্মাত আছে আৰু আৰক্ষীয়ে অধিবক্তাসকলক তেওঁলোকক লগ কৰিবলৈ দিয়া নাই।" তেওঁ লগতে লিখিছে, "আৰক্ষীয়ে অধিবক্তাক তেওঁলোকক সাক্ষাৎ কৰাৰ পৰা কেনেদৰে বাধা দিব পাৰে? এয়া এক অপহৰণ, কাৰণ আৰক্ষীয়ে নিশ্চিতভাৱে আইনৰ নিয়ম মানি চলা নাই।" মঙলবাৰে যন্তৰ-মন্তৰ প্ৰতিবাদস্থলীত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰি থকা অৱস্থাত চিজেপি কৰ্মী সৌৰভ দাস, আশুতোষ ৰাংকা আৰু আজিংক্য শিণ্ডেক দিল্লী আৰক্ষীয়ে আটক কৰি ৰখাৰ পিছতে তেওঁ এই বিবৃতি প্ৰকাশ কৰিছে। এদিন পূৰ্বে কৰ্তৃপক্ষই যন্তৰ-মন্তৰক নিৰ্দিষ্ট বিক্ষোভ স্থান হিচাপে অধিসূচিত কৰাৰ পিছত এই ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ পূৰ্বে মঙলবাৰে ককৰোচ্ছ জনতা পাৰ্টীৰ নেতা অভিজিৎ দীপকেয়ে দিল্লীত বন্দী হৈ থকা দলৰ সদস্যসকলক পৃথক স্থানত ৰখাৰ অভিযোগ উত্থাপন কৰি আৰক্ষীয়ে অধিবক্তাক এখন থানাত প্ৰৱেশ কৰাত বাধা দিয়া বুলি দাবী কৰে। দলৰ সদস্যক আটক কৰাৰ সন্দৰ্ভত দীপকেয়ে কয় যে তেওঁ চিজেপিৰ আইনী মুৰব্বী ৰত্ন সিঙৰ সৈতে কথা পাতিছে আৰু তেওঁ আশুতোষ, আজিংক্য আৰু সৌৰভক পৃথকে পৃথকে ৰখাৰ কথা অৱগত কৰাইছে। আনহাতে, তেওঁলোকৰ লগত থকা ৰৰজন স্বেচ্ছাসেৱকক অন্য ঠাইলৈ লৈ যোৱা হৈছে। দীপকেয়ে কয়, "মই এইমাত্ৰ ৰত্ন সিঙৰ (চিজেপিৰ আইনী মুৰব্বী) সৈতে কথা পাতিছিলোঁ; তেওঁ মোক কয় যে আশুতোষ, আজিংক্য আৰু সৌৰভক পৃথকে পৃথকে ৰখা হৈছে। তেওঁলোকৰ লগত থকা ৰৰজন স্বেচ্ছাসেৱকক আন ঠাইলৈ লৈ যোৱা হৈছে।" দিল্লী আৰক্ষীয়ে মঙলবাৰে চিজেপিৰ কৰ্মী আশুতোষ ৰাংকা, সৌৰভ দাস আৰু আজিংক্য শিণ্ডেক আটক কৰাৰ পিছত তেওঁৰ এই মন্তব্য আহিছে। উল্লেখ্য যে যন্তৰ-মন্তৰক প্ৰতিবাদস্থলী হিচাপে ঘোষণা কৰাৰ পিছত তেওঁলোকে হেঙাৰ ভাঙি প্ৰৱেশ কৰাৰ চেষ্টা কৰিছিল। দীপকেয়ে অভিযোগ কৰে যে দলৰ অধিবক্তাসকল আহি পোৱাৰ সময়ত আৰক্ষীয়ে তেওঁলোকক থানাত প্ৰৱেশ কৰিবলৈ নিদিলে আৰু দলৰ আন সদস্যসকলকো আটক কৰাৰ ভাবুকি দিয়া হৈছে। তেওঁ কয়, "আমাৰ অধিবক্তাসকল যেতিয়া থানাত উপস্থিত হৈছিল, তেতিয়া আৰক্ষীয়ে তেওঁলোকক প্ৰৱেশ কৰিবলৈ নিদিলে। আমাৰ দলৰ আন সদস্যসকলক তাত আটক কৰাৰ ভাবুকি দিয়া হৈছিল।" তেওঁ লগতে কয়, "দেশত একনায়কত্ববাদ চলি আছে। নিয়মক আওকাণ কৰা হৈছে। আপুনি কিহৰ বাবে ভয় কৰিছে? মই বুজি পোৱা নাই যে নৰেন্দ্ৰ মোদীৰ বাবে জ্ঞানেশ কুমাৰ কিয় ইমান গুৰুত্বপূৰ্ণ।" ইয়াৰ পূৰ্বে গ্ৰেপ্তাৰৰ ঘটনাক ধিক্কাৰ দি দীপকেয়ে আৰক্ষীৰ এই কাৰ্যৰ বৈধতা আৰু নৈতিকতাক লৈ প্ৰশ্ন উত্থাপন কৰে। তেওঁ প্ৰশ্ন কৰে, "আমাৰ দলটোৱে আজি পুৱা যন্তৰ-মন্তৰলৈ গৈ ত্ৰিৰংগ উত্তোলন কৰে। ত্ৰিৰংগ উত্তোলন কৰাটো কেতিয়া নিয়মৰ উলংঘা হ'ল? যন্তৰ-মন্তৰত ত্ৰিৰংগ উত্তোলন কৰাটো উলংঘা বুলি যিয়ে ভাবে, তেৱেঁই দেশদ্ৰোহী। আৰু যদি সৌৰভ দাস, আশুতোষ ৰাংকা, আজিংক্য শিণ্ডে আৰু ত্ৰিৰংগ উত্তোলন কৰাৰ বাবে গ্ৰেপ্তাৰ হোৱা আনসকলৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছে, তেন্তে কঠোৰ ব্যৱস্থা লোৱা উচিত। ত্ৰিৰংগ উত্তোলন কৰাৰ বাবে কাৰোবাক কেনেকৈ গ্ৰেপ্তাৰ কৰিব পাৰে? এইখন কেনে ধৰণৰ দেশ? এয়া কেনে ধৰণৰ নিয়ম?"

তিনিচুকীয়া জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰৰ

পঞ্চায়ত সচিব, আত্ম-সহায়ক গোটৰ সদস্য আৰু গ্ৰামোন্নয়নৰ লগত জড়িত সকলো অংশীদাৰৰ সামৰ্থ্য বৃদ্ধি আৰু দক্ষতা বিকাশত এক নতুন দিগন্তৰ সূচনা কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এই কেন্দ্ৰটোৱে কেৱল প্ৰশিক্ষণ প্ৰতিষ্ঠান হিচাপে নাথাকি, গ্ৰাম্য উন্নয়নৰ পৰিকল্পনা, সামাজিক সুৰক্ষা আঁচনিৰ ৰূপায়ণ আৰু ডিজিটেল পঞ্চায়তৰ ধাৰণাক বাস্তৱায়িত কৰাৰ জ্ঞান কেন্দ্ৰ হিচাপে কাম কৰিব। ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ত স্বচ্ছ, দক্ষ আৰু জনমুখী প্ৰশাসন নিশ্চিত হ'ব আৰু 'বিকশিত অসম'ৰ সপোন বাস্তৱায়িত হ'ব। তেওঁ লগতে কেন্দ্ৰটোৰ সৰ্বোত্তম ব্যৱহাৰৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে, মাকুম সম-জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপত অৱস্থিত এই জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰৰ প্ৰশাসনিক ভৱনটোৰ লগতে ছাত্ৰাবাসটো ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ অধীনত প্ৰায় ২ কোটি টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰৰ প্ৰতিষ্ঠা হৈছে জিলাখনত পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ বাবে সামৰ্থ্য বৃদ্ধি আৰু প্ৰশিক্ষণৰ পদক্ষেপক শক্তিশালী কৰা আৰু ফলপ্ৰসূ গ্ৰামোন্নয়নক প্ৰসাৰিত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই কেন্দ্ৰটোৱে নিৰ্বাচিত প্ৰতিনিধি আৰু গ্ৰাম্য শাসনৰ লগত জড়িত অন্যান্য অংশীদাৰসকলৰ বাবে প্ৰশিক্ষণ, জ্ঞান বিনিময় আৰু প্ৰাতিষ্ঠানিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। আজিৰ সভাত শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়া, মাকুম বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিশান, তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোহাঁই, ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, চাবুৱা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক পোনাকন বৰুৱা, তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱান, গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক অনন্ত কুমাৰ গগৈ, জিলা পৰিষদৰ ভাৰপ্ৰাপ্ত মুখ্য কাৰ্যবাহী বিষয়া হিমাদ্ৰী বৰা, মাকুম সম-জিলা আয়ুক্ত নিলুৰাম শৰ্মা, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভদ্ৰেশ্বৰ মৰাণ, জিলা পৰিষদৰ উপ-সভাপতি চিত্ৰলেখা দুৱৰা সোনা প্ৰমুখ্যে আটাইকেইটা পঞ্চায়ৰ নিৰ্বাচিত প্ৰতিনিধি, আটাইকেইটা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ বিষয়ববীয়া তথা স্থানীয় ৰাইজ উপস্থিত থাকে।

কলকাতাৰ শিল্পীৰ ঠগত বিপাঙত

আৰক্ষী থানাত সহায় বিচাৰিবলগীয়া হৈছে। ঘটনা অনুসৰি, মহানগৰীৰ ছাত্ৰীবাৰী দেৱপূজাস্থান সমিতি আৰু কুমাৰপাৰাৰ নয়নতৰা ক্লাৱে অসমীয়া ঐতিহ্য তথা কৃষ্টি-সংস্কৃতিক বিষয়বস্তু হিচাপে লৈ মণ্ডপ নিৰ্মাণৰ বাবে কলকাতাৰ ঢাকুৰীয়াৰ বাসিন্দা সুদীপ্ত পাল নামৰ শিল্পীজনক ঠিকা দিছিল। দুয়োখন কমিটিৰ সৈতে প্ৰায় ৮ লাখ টকাৰ চুক্তি হৈছিল। নিৰ্দিষ্ট সময়ৰ ভিতৰত মণ্ডপ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি দিলেও পূজাৰ দিন ওচৰ চাপি অহাৰ পিছতো তেওঁ মাত্ৰ ৪০ শতাংশ কাম সম্পূৰ্ণ কৰে। অভিযোগ অনুসৰি, ইয়াৰ মাজতে শিল্পীজনে কৌশলেৰে ছাত্ৰীবাৰী দেৱপূজাস্থান সমিতিৰ পৰা ৫ লাখ ৩৫ হাজাৰ টকা হস্তগত কৰে। ধন লোৱাৰ পিছত তেওঁ কাম সম্পূৰ্ণ নকৰাকৈ উধাও হয়। একেদৰে নয়নতৰা ক্লাৱৰ পৰাও মণ্ডপ নিৰ্মাণৰ নামত ৮ লাখ টকা লৈ পলায়ন কৰাৰ অভিযোগ উঠিছে। ইটিভি ভাৰতৰ হাতত পোৱা তথ্য অনুসৰি, দুয়োখন কমিটি একেজন প্ৰৱঞ্চক শিল্পীৰ চিকাৰ হৈছে। পূজাৰ মাত্ৰ তিনিটা দিন বাকী থকাত ছাত্ৰীবাৰী পূজা কমিটিয়ে উপায়ন্তৰ হৈ সমগ্ৰ ঘটনা সন্দৰ্ভত ভৰলুমুখ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰ অনুসৰি, অভিযুক্ত শিল্পীৰ সন্ধানত জোৰদাৰ তদন্ত চলি আছে।

কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজ্যসভা

২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনত দলৰ স্থিতি আৰু সুদৃঢ় কৰাত তেওঁ এতিয়া মনোনিৱেশ কৰিব। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা মুৰুগানৰ হাতত দুগ্ধ বিভাগৰ দায়িত্বও আছিল। পদত্যাগৰ কথা প্ৰকাশ কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশ আৰু তামিলনাডুৰ সেৱা কৰাৰ সুযোগ লাভ কৰাটো তেওঁৰ জীৱনৰ অন্যতম ডাঙৰ সন্মান। দিন হাজিৰা কৰা শ্ৰমিকৰ সন্তান হিচাপে জীৱন আৰম্ভ কৰি কেন্দ্ৰীয় মন্ত্ৰীসভালৈকে যোৱা তেওঁৰ যাত্ৰাক সৌভাগ্য বুলি অভিহিত কৰে মুৰুগানে। কিন্তু এতিয়া তেওঁ পুনৰ দলৰ তৃণমূল পৰ্যায়ৰ কামলৈ উভতি যাব বিচাৰে। দলীয় কৰ্মীসকলৰ সৈতে থাকি তামিলনাডুত বিজেপিক শক্তিশালী কৰাত সম্পূৰ্ণ সময় দিয়াৰ সিদ্ধান্ত তেওঁ লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা পত্ৰতো তামিলনাডুত বিজেপিৰ সংগঠন শক্তিশালী কৰিবলৈ অধিক সময় দিয়াৰ কথা উল্লেখ কৰিছে মুৰুগানে। পত্ৰখনত প্ৰধানমন্ত্ৰীৰ শেহতীয়া তামিলনাডু ভ্ৰমণৰ কথাও তেওঁ স্মৰণ কৰিছে। মুৰুগানৰ মতে, মোদীৰ ভ্ৰমণৰ সময়ত ৰাজ্যখনৰ জনসাধাৰণে তেওঁক উষ্ম আদৰণি জনাইছিল। ৰাইজৰ এই মৰম আৰু উৎসাহে তামিলনাডুৰ উন্নত ভৱিষ্যতৰ প্ৰতি থকা আশাৰ প্ৰতিফলন ঘটায়। জনসাধাৰণৰ এই সঁহাৰিয়ে ৰাজ্যখনৰ বাবে অধিক কাম কৰাৰ প্ৰেৰণা যোগোৱা বুলিও তেওঁ উল্লেখ কৰে। তেওঁৰ মতে, ৰাইজৰ মৰমে তামিলনাডু, বিজেপি আৰু দেশৰ বাবে অধিক কাম কৰাৰ সংকল্প আৰু দৃঢ় কৰি তুলিছে। মুৰুগানৰ পদত্যাগৰ পাছতে তামিলনাডুৰ ৰাজনীতিক লৈ নতুন চৰ্চা আৰম্ভ হৈছে। ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনত নিজৰ স্থিতি শক্তিশালী কৰিবলৈ বিজেপিয়ে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰাৰ সম্ভাৱনা আছে।

ছখন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি

তেওঁ হিমাচল প্ৰদেশ আৰু বিহাৰৰ ৰাজ্যপাল হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। মাৰ্চ মাহত আৰ এন ৰবিক পশ্চিমবংগৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ পিছৰে পৰা আৰ্লেকাৰে অতিৰিক্তভাৱে তামিলনাডুৰ ৰাজ্যপালৰ দায়িত্ব চম্ভালি আহিছিল। কেৰালাৰ নতুন ৰাজ্যপাল হ'ব ছিকিমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ। তেওঁ এজন প্ৰবীণ আৰু অভিজ্ঞ বিজেপি নেতা তথা ৰাজস্থানৰ ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ। ২০২৪ চনৰ জুলাই মাহত তেওঁক ছিকিমৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছিল। আনহাতে, দুষ্যন্ত গৌতমক ছিকিমৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ ৰাজ্যসভাৰ প্ৰাক্তন সদস্য। ছিকিমত তেওঁ ওম প্ৰকাশ মাথুৰক স্থলাভিষিক্ত কৰিব। মাথুৰক কেৰালালৈ বদলি কৰা হৈছে। ঝাৰখণ্ড বিজেপিৰ জ্যেষ্ঠ নেতা ব্ৰজ মোহন ৰামক ওড়িশাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ পালামুৰ প্ৰাক্তন লোকসভা সাংসদ। তেওঁ হৰি বাবু কাম্ভমপতিৰ ঠাইত ওড়িশাত কাৰ্যভাৰ গ্ৰহণ কৰিব। মহেন্দ্ৰগড়ৰ বিজেপিৰ প্ৰাক্তন সাংসদ সুধা যাদৱক কৰ্ণাটকৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী আয়োগৰ প্ৰাক্তন সদস্য। থাৱাৰচন্দ গেহলটৰ ঠাইত কৰ্ণাটকত তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰিব। ধল সিং বিসেনক উত্তৰাখণ্ডৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ মধ্যপ্ৰদেশ চৰকাৰৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ বিজ্ঞপ্তি অনুসৰি, এই নিযুক্তিসমূহ ৰাজ্যপালসকলে নিজ নিজ পদৰ দায়িত্ব লোৱাৰ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব।

জ্ঞানেশ কুমাৰে গণতন্ত্ৰক হত্যা কৰিছে

পদত্যাগৰ দাবীত ঐক্যবদ্ধ হৈছে। আজি লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বাসগৃহত ইণ্ডি এলায়েন্সৰ আন এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত কংগ্ৰেছৰ কেইবাগৰাকীও শীৰ্ষ পৰ্যায়ৰ নেতাৰ লগতে আৰজেডিৰ তেজস্বী যাদৱ, শিৱসেনা, টিএমচি, সমাজবাদী পাৰ্টীকে ধৰি বিৰোধী ৰাজনৈতিক দলৰ বহুকেইগৰাকী নেতা আৰু আইছাৰ সভাপতি নেহা ব'ৰাই অংশগ্ৰহণ কৰে। বৈঠকত নিৰ্বাচন আয়োগ, মুখ্য নিৰ্বাচন আয়ুক্ত, ভোট চুৰি, এছআইআৰকে ধৰি বিভিন্ন বিষয়ত ভৱিষ্যতৰ ৰণকৌশল সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকৰ অন্তত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে আজি দেশৰ সমগ্ৰ বিৰোধী দল একত্ৰিত হৈছে। আনহাতে শিৱসেনাৰ সঞ্জয় ৰাউত আৰু টিএমচিৰ সাংসদ সাগৰিকা ঘোষে কয় যে জ্ঞানেশ কুমাৰক অপসাৰণ নকৰালৈকে বিৰোধীৰ যুঁজ অব্যাহত থাকিব। বৈঠকৰ অন্তত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কয়, "নিৰ্বাচন আয়োগ আৰু নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে আমাৰ প্ৰতিবাদ সফল হৈছে। আমি থমকি নৰওঁ। যিকোনো মূল্যৰ বিনিময়ত আমি দেশত গণতন্ত্ৰ পুনৰুদ্ধাৰ কৰিম। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে পদত্যাগ নকৰা পৰ্যন্ত আমাৰ আন্দোলন চলি থাকিব। এই যুঁজত সমগ্ৰ বিৰোধী দল একত্ৰিত হৈছে।" ৰাহুল গান্ধীয়ে লগতে কয়, "জ্ঞানেশ কুমাৰে সমগ্ৰ নিৰ্বাচনী ব্যৱস্থাটোক ধ্বংস কৰিছে। এক প্ৰকাৰে তেওঁ গণতন্ত্ৰক হত্যা কৰিছে। গতিকে ভোট চুৰিৰ লগত জড়িত প্ৰতিজনেই উচিত শাস্তি পাব লাগিব।" বিৰোধী দলসমূহে স্পষ্ট কৰি দিছে যে মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগ নোহোৱালৈকে তেওঁলোকৰ আন্দোলন আৰু প্ৰতিবাদ অব্যাহত থাকিব।

চাৰ্জশ্বীটক "ভুৱা আৰু দুৰ্বল" আখ্যা

উল্লেখ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত তেওঁ প্ৰায় এবছৰ ধৰি হাফলং কাৰাগাৰত বন্দী হৈ আছিল। অমৃতপ্ৰভা মহন্তক গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰাৰ পিছতেই অসম চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে বিধায়ক অখিল গগৈ। সংবাদ মাধ্যমৰ সন্মুখত অখিল গগৈয়ে কয়, "অমৃতপ্ৰভাৰ পাছত শ্যামকানু, সিদ্ধাৰ্থ, শেখৰজ্যোতি-সকলো এজন এজনকৈ মুক্ত আকাশৰ তললৈ ওলাই আহিব। তেতিয়া অসমৰ মুখ্যমন্ত্ৰীয়ে ক'ব- 'আদালতৰ ৰায়দানত আমি একো কৰিব নোৱাৰোঁ।' আৰু শেষত হিমন্ত বিশ্ব শৰ্মাই হিৰ' বনিব। মই বাৰম্বাৰ অসম চৰকাৰক কৈ আহিছিলো যে আপোনালোকৰ চাৰ্জশ্বীটখন দুৰ্বল। কিন্তু তেতিয়া সকলোৱে মোক সমালোচনা কৰিছিল।" অখিল গগৈয়ে লগতে কয়, "মই বাৰম্বাৰ অসম চৰকাৰক কৈ আহিছিলো যে আপোনালোকৰ চাৰ্জশ্বীটখন মিছা। অসম চৰকাৰৰ চাৰ্জশ্বীটখনে জুবিন হত্যাৰ প্ৰকৃত তথ্য যোগান ধৰিব পৰা নাই। জুবিন হত্যা গোচৰত দাখিল কৰা চাৰ্জশ্বীটখনে কোনো ব্যক্তিক ফাঁচীৰ ৰায়দান দিব নোৱাৰে, যাৱজ্জীৱন কাৰাদণ্ডও দিব নোৱাৰে। কিন্তু মোৰ কথা কোনেও নুশুনিলে; বৰং মই মানুহক উচটনি দিয়া বুলি একাংশই মোক সমালোচনা কৰিলে।" তেওঁ আৰু কয়, "অমৃতপ্ৰভা মহন্তৰ জামিন জুবিন হত্যাৰ গোচৰৰ বাবে অশনি সংকেত। মই আগতেই কৈছিলো, জুবিন গাৰ্গ হত্যা গোচৰৰ এগৰাকী অভিযুক্তই যদি জামিন লাভ কৰে, তেনেহ'লে বাকী অভিযুক্তসকলৰো মুক্ত আকাশৰ তললৈ অহাৰ বাট সহজ হৈ পৰে। মই বাৰম্বাৰ কৈ আছিলো যে অসম চৰকাৰে এখন ভুৱা আৰু দুৰ্বল চাৰ্জশ্বীট দাখিল কৰিছে।" অখিল গগৈয়ে কয়, "যিহেতু সমগ্ৰ অসমৰ ভিতৰত মোৰ ওপৰতেই আটাইতকৈ বেছি গোচৰ আছে, গতিকে মই জুবিন গাৰ্গ হত্যাৰ চাৰ্জশ্বীটখন পঢ়ি বুজিছিলো যে এই চাৰ্জশ্বীটখনেৰে বেছিদিন কোনো অভিযুক্তক কাৰাগাৰত বন্দী কৰি ৰখাটো সম্ভৱ নহয়। যদি এই চাৰ্জশ্বীটখনেৰেই জুবিন গাৰ্গৰ হত্যা গোচৰৰ শুনানি সম্পন্ন হয়, তেনেহ'লে আদালতে গোটেই কেইজন অভিযুক্তকে শীঘ্ৰেই কাৰাগাৰৰ পৰা মুকলি কৰি দিবলৈ ৰায়দান দিব।" ইফালে, অসমৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধেও সৰৱ হৈ পৰে অখিল গগৈ। তেওঁ কয়, "অসমৰ মুখ্যমন্ত্ৰীয়ে নিজেই কৈছিল যে এজনে জুবিন গাৰ্গক হত্যা কৰিছে আৰু বাকী দুজনে সহযোগ কৰিছে। কিন্তু যিগৰাকী মহিলাই জুবিন গাৰ্গৰ লগত মৃত্যুৰ আগমুহূৰ্তলৈকে একেলগে আছিল, সেই গৰাকী মহিলাৰ বিৰুদ্ধে যদি আৰক্ষীয়ে আদালতত একো প্ৰমাণ দাখিল কৰিব নোৱাৰে, তেনেহ'লে আন অভিযুক্তসকলকো বেছিদিন কাৰাগাৰত বন্দী কৰি ৰখাটো সম্ভৱ নহ'ব।"

হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যু ঃ

আৰক্ষীৰ দলটোৰ সৈতে কথা পতাৰ পিছতে পৰিয়ালে এই পদক্ষেপ গ্ৰহণ কৰে। হিমাশ্ৰী গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰী আছিল। অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত অনুষ্ঠিত এটা নৃত্য অনুষ্ঠানত অংশ ল'বলৈ তেওঁ তালৈ গৈছিল। তাৰ পৰা বিবেক এক্সপ্ৰেছ ৰে'লযোগে ঘৰলৈ উভতি অহাৰ সময়তে ছাত্ৰীগৰাকী সন্ধানহীন হয়। যোৱা ৬ অক্টোবৰত অন্ধ্ৰ প্ৰদেশৰ পণ্ডুৰু আৰক্ষী থানাৰ অন্তৰ্গত পেনুবৰ্থী গাঁৱৰ ওচৰত ৰে'লপথৰ কাষত হিমাশ্ৰীৰ মৃতদেহ উদ্ধাৰ হয়। প্ৰথম পৰ্যায়ৰ মৰণোত্তৰ পৰীক্ষাত তেওঁৰ শৰীৰত নিৰ্যাতন বা শাৰীৰিক আক্ৰমণৰ প্ৰমাণ পোৱা নগ'ল। অৱশ্যে মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। হিমাশ্ৰীৰ ৰে'লযাত্ৰাক লৈ পৰিয়ালে কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছে। আত্মীয়ৰ অভিযোগ অনুসৰি, জ্যোতি চৌধুৰীয়ে হিমাশ্ৰীক নিশাৰ ৰে'লখনত যাত্ৰা কৰিবলৈ জোৰ দিছিল। যাত্ৰাৰ সময়ত অবিনাশৰ তত্বাৱধানত তেওঁক ৰখা হৈছিল বুলিও পৰিয়ালে অভিযোগ কৰিছে। ইফালে, হিমাশ্ৰী সন্ধানহীন হোৱাৰ পিছত গোবিন্দা ৰেড্ডীয়ে দিয়া বক্তব্যক লৈও আত্মীয়সকলে সন্দেহ প্ৰকাশ কৰিছে। তেওঁলোকৰ দাবী, প্ৰথমতে ৰেড্ডীয়ে হিমাশ্ৰী সন্ধানহীন হোৱা নাই আৰু সুকলমে ঘৰলৈ উভতি আহিব বুলি জনাইছিল। কিন্তু মৃতদেহ উদ্ধাৰৰ পিছত তেওঁ সুমিত্ৰা আৰু অজিনুৰক দিয়া বক্তব্যত বিসংগতি দেখা গৈছিল বুলি পৰিয়ালে অভিযোগ কৰিছে। পৰিয়ালৰ অভিযোগ অনুসৰি, ৰেড্ডীয়ে হিমাশ্ৰীক ছুৰীৰে আক্ৰমণ কৰি চলন্ত ৰে'লৰ পৰা পেলাই দিয়া হৈছিল বুলি কৈছিল। অৱশ্যে এই অভিযোগসমূহৰ সত্যতা এতিয়াও তদন্তত নিশ্চিত হোৱা নাই। ঘটনাৰ তদন্তৰ বাবে অন্ধ্ৰ প্ৰদেশ আৰক্ষীৰ এটা বিশেষ দল সোমবাৰে গুৱাহাটীত উপস্থিত হয়। দলটোৱে হিমাশ্ৰীৰ ঘৰত গৈ মাতৃৰ ভাষ্য গ্ৰহণ কৰে। বৰ্তমান তদন্তকাৰীসকলে ৰে'লৰ সংৰক্ষিত আসনৰ তালিকা, ফোনৰ তথ্য আৰু ৰে'ল ষ্টেচনৰ চিচিটিভি ফুটেজ পৰীক্ষা কৰি আছে। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও হিমাশ্ৰীৰ শোকসন্তপ্ত পৰিয়ালক সাক্ষাৎ কৰি আৰ্থিক সাহায্যৰ আশ্বাস দিছে। ঘটনাৰ তদন্তত অন্ধ্ৰ প্ৰদেশ আৰক্ষীৰ সৈতে সমন্বয় ৰক্ষাৰ বাবে অসম আৰক্ষীৰ মহাপৰিদৰ্শক জি ভি শিৱ প্ৰসাদক অন্ধ্ৰ প্ৰদেশলৈ প্ৰেৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুলৈ পৃথকে পত্ৰ লিখি ঘটনাটোৰ সম্পূৰ্ণ তদন্তৰ দাবী জনাইছে। আৰক্ষীয়ে জনোৱা মতে, তদন্তৰ পৰা লাভ কৰা তথ্য-প্ৰমাণৰ ভিত্তিত এজাহাৰত নাম থকা লোককেইজনক সোধা-পোছা কৰা হ'ব।

SIT অভিযোগনামাত সুৰুঙাৰ অভিযোগ

তদন্তকাৰী দল (SIT)ৰ তদন্ত আৰু অভিযোগনামাক লৈ প্ৰশ্ন উত্থাপন কৰাৰ লগতে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত নিজৰ স্থিতি স্পষ্ট কৰে। অভিনেতা যতীন বৰাই অভিযোগ কৰে যে SIT-এ দাখিল কৰা অভিযোগনামাত সুৰুঙা ৰৈ যোৱাৰ বাবেই অমৃতপ্ৰভা মহন্তই জামিন লাভ কৰাৰ সুযোগ পালে। তেওঁৰ মতে, অভিযোগনামা শক্তিশালী নোহোৱাৰ ফলতেই এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। যতীন বৰাই কয়, "SITৰ চাৰ্জশ্বীটত সুৰুঙা থাকি গৈছে। যাৰ বাবে অমৃতপ্ৰভাই জামিন লাভ কৰিলে। চাৰ্জশ্বীট শক্তিশালী নোহোৱাৰ বাবেই এই সুৰুঙা ৰৈ গ'ল।" অৱশ্যে তদন্ত প্ৰক্ৰিয়াক লৈ প্ৰশ্ন উত্থাপন কৰিলেও ন্যায় ব্যৱস্থাৰ ওপৰত এতিয়াও আস্থা অটুট থকা বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, "এতিয়াও ন্যায়ালয়ৰ ওপৰত বিশ্বাস আছে যে দোষীয়ে উচিত শাস্তি পাবই। জুবিন গাৰ্গক ন্যায় নালাগে নহয়, ন্যায় আমাকহে লাগে। মোৰ বিশ্বাস, আমি ন্যায় পাম।" জুবিন গাৰ্গৰ সৈতে থকা ব্যক্তিগত সম্পৰ্কৰ কথাও আৱেগিকভাৱে স্মৰণ কৰে যতীন বৰাই। তেওঁ কয় যে জুবিন গাৰ্গ কেৱল এগৰাকী শিল্পীয়েই নাছিল, তেওঁৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ বন্ধুও আছিল। তেওঁ কয়, "মোৰ সকলোতকৈ শ্ৰেষ্ঠ বন্ধু হৈছে জুবিন গাৰ্গ। অভিনেতা যতীন বৰাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত জুবিন গাৰ্গৰ যথেষ্ট অৰিহণা আছে। মই আৰু মোৰ পৰিয়াল সদায় গৰিমা শইকীয়া গাৰ্গৰ লগত আছোঁ আৰু থাকিম।" আনহাতে, অমৃতপ্ৰভা মহন্তৰ জামিনক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে অভিনেতা অৰুণ হাজৰিকাই। তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াক লৈ প্ৰশ্ন উত্থাপন কৰি তেওঁ কয়, "পানী নসৰকা বিচাৰ প্ৰক্ৰিয়া বুলি কৈছিল নহয়, এতিয়া দেখোন টোপ টোপকৈ পানী সৰকিবলৈ আৰম্ভ কৰিলেই। সন্দেহ হৈ গৈছে।" জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অসমবাসীয়ে ব্যাপকভাৱে মাত মাতিও এতিয়ালৈকে আশানুৰূপ ফল লাভ নকৰাত হতাশা প্ৰকাশ কৰে অভিনেতাগৰাকীয়ে। অৰুণ হাজৰিকাই কয়, "এতিয়া নিজৰ ওপৰতে ধিক্কাৰ জন্মিছে। অসমবাসীয়ে জুবিনৰ ন্যায়ৰ বাবে ইমান মাত মাতিও একো কৰিব নোৱাৰিলোঁ।" উল্লেখ্য যে মঙলবাৰে তেজপুৰত এটা নতুন ফাৰ্নিচাৰ শ্ব'ৰুম উদ্বোধন কৰিবলৈ আহি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এইদৰে মন্তব্য কৰে দুই অভিনেতাই। অমৃতপ্ৰভা মহন্তৰ জামিনক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজত দুইগৰাকী জনপ্ৰিয় অভিনেতাৰ এই প্ৰতিক্ৰিয়াই বিশেষ তাৎপৰ্য বহন কৰিছে। অৱশ্যে জামিন লাভ কৰাটোৱে অভিযুক্তক গোচৰৰ অভিযোগৰ পৰা দোষমুক্ত কৰা নুবুজায়। গোচৰটোৰ চূড়ান্ত নিষ্পত্তি ন্যায়ালয়ৰ বিচাৰ প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰিব।

ভোট চুৰি' প্ৰসংগত উত্তৰ দিবলৈ

নাই।" উল্লেখ্য, ভাৰতত প্ৰতিবাদ বা আন্দোলন নতুন কথা নহয়। কিন্তু শেহতীয়াকৈ বিৰোধীয়ে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু এছআইআৰ বিসংগতিৰ সন্দৰ্ভত যি প্ৰতিবাদ কৰিছে, তাক লৈ বিজেপি নেতাসকল সৰৱ হৈ পৰিছে। সোমবাৰে দিল্লীত ইণ্ডিয়া ব্লকে নিৰ্বাচন আয়ুক্ত, এছআইআৰ বিসংগতিৰ প্ৰসংগ আৰু 'ভোট চুৰি' শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰিছিল। সেই প্ৰতিবাদৰ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছিল। বিশেষকৈ কংগ্ৰেছে উত্থাপন কৰা ভোট চুৰিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কৈছিল, "যদি ভোট চুৰি কৰি নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হৈছে, তেন্তে ভোট চুৰি কৰি ৰাহুল গান্ধীও বিৰোধী দলপতি হৈছে। একেজন নিৰ্বাচন আয়ুক্তৰ অধীনত অনুষ্ঠিত হোৱা নিৰ্বাচনত অন্ধ্ৰপ্ৰদেশ আৰু কেৰালাত কেনেকৈ কংগ্ৰেছ মিত্ৰজোঁটৰ চৰকাৰ হ'ল?" মুখ্যমন্ত্ৰী শৰ্মাৰ এই মন্তব্যৰ প্ৰত্যুত্তৰত মঙলবাৰে কংগ্ৰেছ সাংসদ জীবি মেথাৰে কয়, "অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনত জয় হ'ব বুলি নিশ্চিত হোৱাৰ আঁৰত ক্ষমতাৰ অপপ্ৰয়োগ কৰি সমষ্টি পুনৰ্নিৰ্ধাৰণ আৰু এছআইআৰ প্ৰক্ৰিয়াৰ ৰূপায়ণ আছিল। এই দুয়োটা বিষয় কাৰ্যকৰী কৰাত তেওঁক সহায় কৰিছিল নিৰ্বাচন আয়োগ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে।" ইফালে, মুখ্যমন্ত্ৰী শৰ্মাই কৈছিল, "কংগ্ৰেছে আমাৰ গণতন্ত্ৰৰ যিসমূহ মূল প্ৰতিষ্ঠান, সেইসমূহ শেষ কৰাত উঠি-পৰি লাগিছে। দুই-তিনি হাজাৰ লোকক লগত লৈ কংগ্ৰেছে উচ্চতম ন্যায়ালয়ক যি ধৰণে ভাবুকি প্ৰদান কৰিলে, মই জীৱনত এনে কাণ্ড দেখা নাছিলো। ইয়াৰ পৰা ক'ব পাৰি যে পৰৱৰ্তী সময়ত যিকোনো গোচৰত পৰাজিত হোৱা লোকে মানুহ গোটাই উচ্চবা উচ্চতম ন্যায়ালয়ক ভাবুকি দিব।" এই কথাৰ উত্তৰত কংগ্ৰেছ সাংসদ মেথানে কয়, "ইণ্ডিয়া ব্লকৰ প্ৰতিবাদ দেখি বিজেপিয়ে ভয় খালে। গণতন্ত্ৰৰ শক্তি জনসাধাৰণৰ হাতত থাকে। সোমবাৰে জনসাধাৰণৰ সেই শক্তিৰ প্ৰমাণ পালে বিজেপিয়ে।" তেওঁ লগতে কয়, "যেতিয়া ৰাহুল গান্ধীৰ নেতৃত্বত ইণ্ডিয়া ব্লকৰ ৰেলী বাহিৰ কৰা হয়, তাত হাজাৰ হাজাৰ লোক উপস্থিত আছিল। যাৰ বাবে বিজেপি নিশ্চিতভাৱে উত্তেজিত হৈ পৰিছে। সেয়ে বিজেপিৰ অন্যান্য নেতাৰ দৰে মুখ্যমন্ত্ৰী শৰ্মাই সেই কথা কৈছে। আমি জানো জ্ঞানেশ কুমাৰৰ হাতত নিৰ্বাচন নিয়ন্ত্ৰণৰ ক্ষমতা আছে আৰু তেওঁ বিজেপিৰ নিয়ন্ত্ৰণত কাম কৰি আছে।"

জুবিন মহোৎসৱৰ সৈতে জড়িত

ভাইৰেল হোৱা পোষ্টাৰখনত উক্ত অনুষ্ঠানৰ উপদেষ্টা, পৃষ্ঠপোষক আদি বিভিন্ন পদত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, গৰিমা শইকীয়া গাৰ্গ, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মন্ত্ৰী বিমল বৰা, বিধায়ক ৰূপক শৰ্মা, আছুৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্য, আছুৰ সভাপতি উৎপল শৰ্মাকে ধৰি একাংশ ব্যক্তিৰ নাম উল্লেখ থকা বুলি দেখা গৈছে। সংবাদমেলৰ পিছত ভাইৰেল হোৱা পোষ্টাৰখন দেখি লগে লগেই প্ৰতিক্ৰিয়া ব্যক্ত কৰে গৰিমা শইকীয়া গাৰ্গে। তেওঁ এই অনুষ্ঠানৰ সৈতে কোনো ধৰণে জড়িত নোহোৱাৰ কথা স্পষ্ট কৰি সামাজিক মাধ্যমত লিখিছে, "মই স্পষ্ট কৰি দিব বিচাৰিছোঁ যে এই বিশেষ অনুষ্ঠানটোৰ সৈতে মই কোনো প্ৰকাৰে জড়িত নহয়। মই মুখ্য উপদেষ্টা হিচাপে তেওঁলোকৰ সৈতে থাকিম বুলি কেতিয়াও কথা দিয়া নাই।" গৰিমা শইকীয়া গাৰ্গে লগতে উল্লেখ কৰিছে যে সদৌ অসম জুবিন গাৰ্গ ফেন ক্লাৱৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসী ৰাইজৰ অভিভাৱকত্বত এইবাৰ প্ৰাণৰ শিল্পীগৰাকীৰ জন্মদিনটি সৃষ্টিৰ দিন হিচাপে ডিব্ৰুগড়ত পালন কৰাৰ কথা ইতিমধ্যে ৰাজহুৱাভাৱে ঘোষণা কৰা হৈছে। সেই অনুষ্ঠানতো তেওঁলোকে নিজেই আগভাগ লৈ সকলো কাৰ্যসূচী পৰিচালনা কৰিছে। মই তেওঁলোকৰ লগতো কোনো ধৰণৰ দায়িত্ব-বাব লোৱা নাই বুলি তেওঁ স্পষ্ট কৰিছে। উল্লেখ্য, জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে লতাশিল খেলপথাৰত তিনিদিনীয়া মহোৎসৱৰ আয়োজনৰ ঘোষণাক লৈ এতিয়া সামাজিক মাধ্যমত মিশ্ৰিত প্ৰতিক্ৰিয়া দেখা গৈছে। ভাইৰেল পোষ্টাৰখনত নাম উল্লেখ থকা ব্যক্তিসকলৰ ভিতৰত গৰিমা শইকীয়া গাৰ্গে নিজৰ সম্পৰ্ক অস্বীকাৰ কৰাৰ পিছত এই বিষয়টোৱে আৰু অধিক আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

মুকলি আকাশৰ তললৈ অমৃতপ্ৰভা

তিনিগৰাকী সদস্যই কাৰাগাৰৰ পৰা বাহিৰ হয়। অৱশেষত মঙলবাৰে পুৱা ৬.৩০ বজাত সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি অমৃতপ্ৰভা মহন্তক কাৰাগাৰৰ পৰা মুকলি কৰি পৰিয়ালৰ হাতত গতাই দিয়া হয়। মুক্তিৰ সময়ত তেওঁ মুখ ঢাকি কাৰাগাৰৰ পৰা বাহিৰ ওলাই আহে। উল্লেখ্য, যোৱা শুকুৰবাৰে গুৱাহাটী উচ্চন্যায়ালয়ে অমৃতপ্ৰভা মহন্তক ৫০ হাজাৰ টকাৰ বণ্ডৰ বিনিময়ত চৰ্তসাপেক্ষে জামিন মঞ্জুৰ কৰিছিল। ন্যায়ালয়ৰ জামিনৰ নিৰ্দেশ লাভ কৰাৰ পিছতো কাৰাগাৰৰ পৰা মুক্তি পাবলৈ প্ৰয়োজনীয় আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱালৈ তেওঁ অপেক্ষা কৰিবলগীয়া হৈছিল। জামিন লাভ কৰাৰ অৰ্থ গোচৰৰ পৰা দোষমুক্ত হোৱা নুবুজায়। গোচৰটোৰ তদন্ত আৰু পৰৱৰ্তী আইনী প্ৰক্ৰিয়া আগৰ দৰেই অব্যাহত থাকিব। গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰা জামিনৰ চৰ্তসমূহ মানি চলাটো তেওঁৰ বাবে বাধ্যতামূলক হ'ব। জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটোৱে ৰাজ্যবাসীৰ মাজত ব্যাপক চৰ্চা আৰু অনুভূতিৰ সৃষ্টি কৰি আহিছে। তেওঁৰ অনুৰাগী তথা একাংশ ৰাজ্যবাসীয়ে অমৃতপ্ৰভা মহন্তৰ মুক্তিৰ খবৰত অসন্তুষ্টি প্ৰকাশ কৰিছে। এই ঘটনাই গোচৰটোক পুনৰ আলোচনাৰ কেন্দ্ৰলৈ আনিছে। গোচৰটোত কোন দোষী আৰু কোন নিৰ্দোষী, সেই সন্দৰ্ভত চূড়ান্ত ৰায় আদালতৰ পৰৱৰ্তী বিচাৰ প্ৰক্ৰিয়াৰ পিছতহে ওলাব। তেতিয়ালৈকে আইনী প্ৰক্ৰিয়া অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

মমতা বেনাৰ্জীক চোকা অস্ত্ৰৰে আক্ৰমণৰ

৬ বজাত মমতা বেনাৰ্জীয়ে তৃণমূল নেতা বৈশ্বান চট্টোপাধ্যায় আৰু দোলা সেনে কালীঘাটত আয়োজন কৰা দুৰ্গাপূজাত অংশগ্ৰহণ কৰিবলৈ গৈছিল। সেই সময়তে মমতাৰ ঘৰৰ সমুখত এগৰাকী মহিলাই তেওঁক 'পেহী' বুলি সম্বোধন কৰি আগবাঢ়ি আহি মমতাৰ ওপৰত জঁপিয়াই পৰে। সেই সময়ত মহিলাগৰাকীৰ হাতত চোকা অস্ত্ৰ আছিল বুলি অভিযোগ উত্থাপন হৈছে। আনহাতে, মহিলাগৰাকীয়ে সুৱাৰ নিচাত মমতা বেনাৰ্জীৰ ঘৰৰ সন্মুখত থিয় হৈ মমতাক উদ্দেশ্যি গালি-গালাজ কৰিছিল আৰু ৰাস্তাত শুই পৰিছিল বুলিও অভিযোগ উঠিছে। ঘটনাৰ পিছতেই এই সন্দৰ্ভত কালীঘাট থানাত অভিযোগ দাখিল কৰে টিএমচি নেতা দোলাই। অভিযুক্ত মহিলাগৰাকীয়ে নিজকে চিভিক ভলেণ্টিয়াৰ বুলি পৰিচয় দিলেও তেওঁৰ সেই পৰিচয়ৰ সত্যতা এতিয়াও পৰীক্ষা কৰিব পৰা হোৱা নাই। একেদৰে মহিলাগৰাকী নিচাগ্ৰস্ত আছিল নে নাই, সেই সত্যতাও এতিয়াও নিশ্চিত কৰা হোৱা নাই। এই ঘটনাটোক কেন্দ্ৰ কৰি ৰাজনৈতিক মহলত চৰ্চা আৰম্ভ হৈছে। প্ৰকৃততে কি ঘটিছিল, অভিযুক্ত মহিলাগৰাকীৰ হাতত সঁচাকৈয়ে চোকা অস্ত্ৰ আছিল নে নাই-এই সকলো কথা তদন্তৰ পাছতহে পোহৰলৈ আহিব। শেহতীয়া খবৰ অনুসৰি, আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে আৰু আক্ৰমণকাৰী মহিলাগৰাকীক আটক কৰা হৈছে।

এনে বিতৰ্কত মুখ্যমন্ত্ৰীক নটনাই ভাল

সূত্ৰপাত হয়। মুখ্যমন্ত্ৰীয়ে কয়, "ইতিমধ্যে পবিত্ৰ মাৰ্ঘেৰিটাই স্পষ্ট কৰি দিছে। মই ভাবো, এনেকুৱা বিতৰ্কত মুখ্যমন্ত্ৰী নটনাই ভাল।" সোমবাৰে সমিতিৰ নাম প্ৰকাশৰ পিছতেই কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই নিজৰ স্থিতি স্পষ্ট কৰিছিল। সামাজিক মাধ্যমত এক পোষ্টযোগে তেওঁ স্পষ্ট কৰিছিল যে মহান শিল্পী জুবিন গাৰ্গৰ নামত গুৱাহাটীত প্ৰস্তাৱিত কোনো বেচৰকাৰী মহোৎসৱ বা অনুষ্ঠানৰ সৈতে তেওঁ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা জড়িত নহয়।

যুব প্ৰজন্মক নিচাৰ কৰলৰ পৰা ৰক্ষাৰ আহ্বান জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনী আৰু অতিৰিক্ত জিলা আয়ুক্ত অপৰূপা বৰগোহাঁইৰ

মাজুলীত সেৱা সংকল্প অভিযান ঃ জেংৰাইমুখ মহাবিদ্যালয়ত নিচামুক্ত ভাৰতৰ সজাগতা সভা

অসম বার্তা, উজনী মাজুলী, ১৩ অক্টোবৰ ঃ যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা দেশজুৰি ৰূপায়ণ হৈ থকা সেৱা সংকল্প অভিযানৰ অংশ হিচাপে মাজুলী জিলা প্ৰশাসন, সমাজ কল্যাণ বিভাগ আৰু মাজুলী আৰক্ষী পৰাশাসনে যৌথভাবে নিচামুক্ত ভাৰত অভিযানৰ অধীনত জিলাখনৰ বিভিন্ন স্থানত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি জেংৰাইমুখ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিচাসক্তিৰ ভয়াবহতা আৰু ইয়াৰ প্ৰতিৰোধৰ বিষয়ে এখন বিশেষ সজাগতামূলক সভা অনুষ্ঠিত হয়। মহিলা আৰু শিশু বিকাশ বিভাগৰ জিলা সমন্বয়ক মনজ্যোতি গোস্বামীয়ে আঁত ধৰা সভাখনিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনী, মাজুলী জিলাৰ অতিৰিক্ত আয়ুক্ত অপৰূপা বৰগোহাঁই, জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ নৰ কুমাৰ পেগু আৰু জেংৰাইমুখ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কুলজ্যোতি বয়। সভাত বক্তাসকলে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি নিচাযুক্ত দ্ৰব্যৰ সেবনে ব্যক্তি, পৰিয়াল আৰু সমাজৰ ওপৰত পেলোৱা নেতিবাচক প্ৰভাৱৰ বিষয়ে বিতংকৈ আলোকপাত কৰে। নিচাসক্তিয়ে কেৱল ব্যক্তিৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ক্ষতিসাধন কৰাই নহয়, ই শিক্ষাজীবন, পাৰিবাৰিক সম্পৰ্ক আৰু ভবিষ্যতৰ সম্ভাবনাসমূহতো গভীৰ বাধাৰ সৃষ্টি কৰে বুলি উল্লেখ কৰে। বিশেষকৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে যুব প্ৰজন্মক নিচাৰ প্ৰলোভনৰ পৰা আঁতৰি থাকি শিক্ষা, ক্ৰীড়া, সাংস্কৃতিক কাৰ্যকলাপ আৰু সৃষ্টিশীল কামত নিজকে নিয়োজিত কৰাৰ বাবে আহ্বান জনায়। লগতে নিচাৰ কু-প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টি কৰা, নিচাসক্ত ব্যক্তিক অবজ্ঞা নকৰি সহায়ৰ হাত আগবঢ়োৱা আৰু প্ৰয়োজন অনুসৰি উপযুক্ত চিকিৎসা তথা পৰামৰ্শ গ্ৰহণ কৰাত গুৰুত্ব আৰোপ কৰে। সভাৰ শেষত উপস্থিত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লগতে সমাজখনক নিচামুক্ত কৰি তোলাৰ সংকল্প গ্ৰহণ কৰে। এখন সুস্থ, সজাগ আৰু নিচামুক্ত সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত যুবপ্ৰজন্মৰ ভূমিকা আতি গুৰুত্বপূৰ্ণবুলি উল্লেখ কৰি সকলোকে এই অভিযানৰ অংশীদাৰ হ'বলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানত জেংৰাইমুখ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে বহু কেইগৰাকী অধ্যাপক -অধ্যাপিকাই অংশগ্ৰহণ কৰে। শেষত ৰাষ্ট্ৰীয় সংগীতেৰে সভাখন সফল সমাপ্তি ঘটে।

নগাঁৰত বেঙেনাআটি মুক্তৰ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পাৰুল বৰাৰ বিদায় সভা

অসম বার্তা, নগাঁও, ১৩ অক্টোবৰ ঃ নগাঁও জিলাৰ বেঙেনাআটি মুক্তৰ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পাৰুল বৰাৰ অৱসৰ উপলক্ষে আজি বিদ্যালয়খনৰ প্ৰাংগণত এখন বিদায় সভা অনুষ্ঠিত হয়। চলিত মাহৰ ৩১ তাৰিখে অৱসৰ গ্ৰহণ কৰিবলগীয়া শিক্ষয়িত্ৰীগৰাকীক সভাত বিদ্যালয় পৰিচালনা সমিতি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু স্থানীয় বাহিজে উদ্ভ সম্বৰ্ধনা জ্ঞাপন কৰে। বিদায়ল পৰিচালনা সমিতিৰ সভাপতি আনোৱাৰ ছজেনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁও জিলাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক সিদ্ধাৰ্থ কুমুদ গগৈ। তেওঁ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁৰ কৰ্মদক্ষতা, কৰ্তব্যনিষ্ঠা আৰু শিক্ষকতা জীৱনৰ অবদানৰ বিষয়ে আলোক পাত কৰে। লগতে উপস্থিত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্দেশ্যে আগবঢ়োৱা বক্তব্যই সভাত উপস্থিত সকলোকে আপ্লুত কৰে। উল্লেখযোগ্য যে পাৰুল বৰাই ১৯৯২ চনত ককী নিজৰাপাৰ বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল। পৰবৰ্তী সময়ত বিভাগীয় নিৰ্দেশ অনুসৰি ২০০১ চনত বেঙেনাআটি মুক্তৰ বিদ্যালয়ত যোগদান কৰে। নিজৰ কৰ্মদক্ষতা আৰু নিষ্ঠাৰ বলত পদোন্নতি লাভ কৰি ২০২১ চনৰ পৰা বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব পালন কৰি আহিছে। সুদীৰ্ঘ ৩৪ বছৰীয়া শিক্ষকতা জীৱনৰ অন্তত তেওঁ চলিত মাহৰ ৩১ তাৰিখে অৱসৰ গ্ৰহণ কৰিব। বিদায় সভাখনত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, ওচৰ-পাজৰৰ বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু স্থানীয় বাহিজে শিক্ষয়িত্ৰীগৰাকীক গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনায়। উপস্থিত বক্তাসকলে তেওঁৰ কৰ্মময় জীৱনৰ বিভিন্ন দিশ স্মৰণ কৰি ভবিষ্যৎ জীৱনৰ সুস্বাস্থ্য আৰু সুখ-শান্তি কামনা কৰে। ইয়াৰ পূৰ্বে প্ৰধান শিক্ষয়িত্ৰী পাৰুল বৰাৰ একক প্ৰচেষ্টাত তেওঁৰ প্ৰয়াত স্বামী গণেশ চন্দ্ৰ বৰাৰ স্মৃতিত স্থাপন কৰা বাটচ ৰাটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নগাঁও জিলাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক সিদ্ধাৰ্থ কুমুদ গগৈয়ে। সভাখনত বেঙেনাআটি আঞ্চলিক পঞ্চায়তৰ সদস্য হাবিবুৰ ইচ্ছিক চৌধুৰী, জ্যেষ্ঠ ব্যক্তি আদুলু গণি, সাংবাদিক ৰাহিদুল জামান আৰু জয়ন্ত শইকীয়া, বেঙেনাআটি গাঁও পঞ্চায়তৰ উপ-সভাপতি জাকিৰ হুছেইন, গাঁওপ্ৰধান চাহাব উদ্দিনকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

৩৪ বছৰীয়া শিক্ষকতা জীৱনৰ সামৰণি

দইচা জোনাকী মইনা পাৰিজাতৰ নতুন সমিতি গঠন



অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, তিনিচুকীয়া, ১৩ অক্টোবৰ ঃ সদৌ অসম মইনা পাৰিজাতৰ তিনিচুকীয়া জিলা সমিতিৰ অন্তৰ্গত "জোনাকী মইনা পাৰিজাত, দইচা"ৰ প্ৰথম দ্বি-বাৰ্ষিক সাধাৰণ পৰিষদৰ সভাখনি যোৱা দেওবাৰে বিজয় লক্ষ্মী মধ্য ই'ৰাজী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। এই সভাত পৰ্য্যবেক্ষক হিচাপে উপস্থিত থাকে সদৌ অসম মইনা পাৰিজাতৰ অন্তৰ্গত তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ সভাপতি পুষ্প মহন আৰু সম্পাদক সৌৰভজ্যোতি গোস্বামী। সভাত দইচাৰ জ্যেষ্ঠ নাগৰিক পুণ্যপ্ৰভা ভাজনী, বিজয় লক্ষ্মী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষয়িত্ৰী মামণি গোস্বামী তালুকদাৰ, অৰুণোদয় জাতীয় বিদ্যালয়ৰ বিষয় শিক্ষক পৰেশ কুমাৰ কাকতি, দইচা বালিজান গাঁও যুবক সংঘৰ সম্পাদক মনজিত বৰুৱাও উপস্থিত থাকে। সভাত সভাপতিত্ব কৰে জোনাকী মইনা পাৰিজাতৰ ২০২৪-২০২৬ বৰ্ষৰ সভানেত্ৰী অঞ্জুমণি দত্ত কাকতিয়ে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা পুৰবী তালুকদাৰে। সভাত মইনা পাৰিজাতৰ উদ্দেশ্য আৰু গুৰুত্বৰ ওপৰত বহল ভিত্তিত আলোচনা কৰা হয়। ইয়াৰ পিছতে সম্পাদিকা পুৰবী তালুকদাৰে বিগত বৰ্ষৰ প্ৰতিবেদন পাঠ আৰু হিচাপ দাখিল কৰে। প্ৰতিবেদন পাঠৰ পাছতে পুৰণি সমিতি ভংগ হয় আৰু জ্যোতি গোস্বামীক সভানেত্ৰী আৰু পুৰবী তালুকদাৰক সম্পাদিকা হিচাপে লৈ ২০২৬- ২০২৮ বৰ্ষৰ বাবে এখন ২৫ জনীয়া নতুন সমিতি গঠন কৰা হয়। বিগত বৰ্ষৰ দৰেই অনাগত দিনত নতুনকৈ গঠন হোৱা সমিতিখনে দইচাবাসী ৰাইজৰ সহায়-সহযোগিতাৰে বহুতৰ দইচা অঞ্চলৰ মইনাসকলৰ বাবে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে।

নির্মাণৰ ৯ মাহতেই খহিল চিলিং; আদিবাসী ছাত্ৰ সন্থাৰ ব্যাপক প্ৰতিক্ৰিয়া

ছেখোৱাত জগন্নাথ দক্ষতা বিকাশ কেন্দ্ৰ নির্মাণত ব্যাপক বিসংগতি

অসম বার্তা, ছেখোৱা, ১৩ অক্টোবৰ ঃ বাজ চৰকাৰৰ অনুদানৰে অসমৰ চাহ বাগিচাৰ শ্ৰমিকৰ দক্ষতা বিকাশৰ বাবে নির্মাণ কৰা জগন্নাথ দক্ষতা বিকাশ কেন্দ্ৰ নির্মাণত ব্যাপক লুঠনৰ অভিযোগ উঠিছে ধলা চাহ বাগিচাৰ কেন্দ্ৰটোত। ধলা চাহ বাগিচাৰ জগন্নাথ দক্ষতা বিকাশ কেন্দ্ৰটো নির্মাণৰ ন মাহৰ পিছতেই কেন্দ্ৰটোৰ চিলিং খহি পৰাত ঠিকাদাৰ গোষ্ঠীয়ে ব্যাপক আৰু অনিয়মেৰে চৰকাৰী ধনৰ শৰাধ পতাটো নিশ্চিত হৈ পৰিছে। বাগিচাখনত কেন্দ্ৰটো নির্মাণ হৈ থাকোঁতেই আদিবাসী ছাত্ৰ সন্থাৰ ছেখোৱা উপ শাখাই কেন্দ্ৰটোত অতি নিম্নমানৰ সামগ্ৰীৰ ব্যৱহাৰ হৈছে বুলি অভিযোগ কৰিছিল। কিন্তু বিভাগীয় কৰ্তৃপক্ষই বিষয়টো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ আজি সত্য প্ৰমাণিত হৈছে। যাৰ ফলত কেন্দ্ৰটো নির্মাণৰ ন মাহৰ পিছতেই কেন্দ্ৰটোৰ চিলিংখন যেনেসহ খহি পৰাত কোনো লোক নথকাৰ বাবেই আজি বাবে ভয়ংকৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰে। এক কোটি চৌৰাশ্ছি লাখ টকাৰ অনুদানেৰে নির্মিত এই ভৱনটো নির্মাণৰ সময়ত বিভাগীয় কৰ্তৃপক্ষই ভালকৈ চোৱা চিতা নকৰাৰ বাবেই ঠিকাদাৰে নিজৰ মইমাতালৈ নির্মাণকার্য চলোৱাৰ বাবে বাজহুৱা ধনৰ ব্যাপক অপচয় হোৱাৰ অভিযোগ উঠিছে। অতিশীঘ্ৰে জগন্নাথ কেন্দ্ৰটো পুনৰ নির্মাণ কৰি ব্যৱহাৰৰ উপযোগী কৰি তুলিবলৈ দাবী জনোৱাৰ লগতে বিষয়টি উচিত তদন্ত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক ছাত্ৰ সংগঠনটোৱে দাবী জনাইছে।

মাদকতা ভৰা স্নিগ্ধ-সমাহিত শৰতৰ আগমন

অপৰূপ ৰূপ-মাধুৰ্যৰ আৱেগ ঢালি এয়া এটি অনুপম গীতৰ মালিতা ৰচি গীতিকাৰে যি মনোৰম সুৰৰ ৰাংকাৰ তুলিছে ইয়াৰ মাজতেই আমি বিচাৰি পাওঁ শৰতৰ বৰ্ণনাময় প্ৰকাশ আৰু এপৰীয়া সুবাস। গ্ৰীষ্ম ঋতুৰ চোঁফলীয়া ৰঙৰ উত্তাপত যেতিয়া মৰুময় জগতত গছ-লতা, তৃণ-তৰু, মানুহকে মুখ্য কৰি সমগ্ৰ প্ৰাণী প্ৰজাতিয়ে অপৰিসীম ৰোগ-ব্যাধি, অপায়-অমঙ্গল আদিত চটফটাই হিন্ন অতিবাহিত কৰাৰ পাছত প্ৰকৃতিকুঞ্জলৈ শৰতৰ আগমন ঘটাৰ লগে লগেই প্ৰকৃতি বাজ্ৰে শীতল-সুন্দৰ হয়, শান্ত সমাহিত পৰশত উজলি উঠে আৰু সুকোমল প্ৰকৃতিৰ সুবিমল পৰশত যেন প্ৰকৃতি বাজ্ৰই সুখে-শান্তিৰে উশাহ-নিশাহ লৈ পৰা হয়।

জ্যোতিষ চৰ্চাৰ দুবদুষ্টি দৰ্শনৰ গণনানুসৰি বছৰবছটা ঋতুৰ ভিতৰত বসন্তক কোৱা হৈছে 'ঋতুৰাজ বসন্ত' আৰু শৰতক কোৱা হৈছে 'ঋতুৰাণী শৰৎ' বুলি। এই শৰৎ বৰ্ণনাত আমি ঋতুৰাজ বসন্তৰ প্ৰাণ উপচা মধু ক্ষণৰ বিষয়ে ক'ব বিচৰা নাই। ঋতুৰাণী শৰৎতে আজি আমাৰ মূল আলোচ্য বিষয়। শৰৎ কালত শত-সহস্ৰ, গুণ-গৰিমা, ভাব-অনুভাৱৰ বৰ্ণময় প্ৰকাশ আৰু বিকাশৰ কপৰেখা চিত্ৰিত হোৱা প্ৰত্যক্ষ প্ৰভাৱ আমাৰ অনুভূত হয়। শৰৎ কাল নামটো শুনিলেই আমাৰ কিবা এটা ভাল লাগি যায়, ঋতু শৰতৰ সমাহিত ভাৰ আৰু ৰূপ-মাধুৰ্যৰ মাজত মানুহে সততে শান্তি, সমৃদ্ধি আৰু আশাৰ সঞ্জীৱনী বিচাৰি পায়।

প্ৰকৃতিগত কাৰণতে প্ৰাকৃতিক পৰিৱেশত গ্ৰীষ্ম-বৰ্ষা ঋতুৰ এই আশান্তৰ্জৰ্জৰ পৰিৱেশ-পৰিস্থিতিত আমাৰ পৃথিৱীৰ উপৰিভাগৰ বাট-পথ, নলা-নৰ্দমা আদিৰ অৱস্থা অতিশয় কষ্টকৰ্ত্তাৰে তথা যাতায়ত ব্যৱস্থা যথাৰ্থতেই ৰৱ অসুবিধাময়, কণ্টকময় হয়। কিন্তু শৰৎকাল অৰ্থাৎ খৰালিমাহ উপৰিষ্ট হোৱাৰ লগে লগে বোকা-পানীয়ে উপচি থকা বাট-ঘাট শুকান সুবিধাজনক হৈ পৰা দেখা পোৱা যায়। মানুহে শৰৎকালৰ এইটো পৰতে বাটে পোৱালি মেলা বুলি কয়। দুৰবিবটীয়া বাটবোৱা এইটো পৰত চমু চাপি অহা বুলি মানুহে কয়। পথাৰ-সমাৰ আদিবোৱাৰো বোকা-পানী আদি নোহোৱা হয়। পথাৰৰ মাজেদিয়েই বাঙ্গা চমু কৰি মানুহে আহ-যাহ বা যাতায়ত আদি কৰিব পৰা হয়।

বাৰিষাকালত জল প্ৰকোপে দেখা দিয়া বানপানীৰ প্ৰাদুৰ্ভাৱবোৰ নোহোৱা হৈ মানুহৰ জীৱন যাত্ৰাৰ পথবোৰ সুচল সেন্দুৰীয়া হৈ পৰে। এই শৰতৰ সময়ত জলবাশি নিৰ্মল পৰিত্ৰ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন হোৱাৰ লগতে সামগ্ৰিক জলবায়ুও সুন্দৰ আৰু পৰিমিতাচাৰ হয়। শৰৎ কাল অহাৰ লগে লগে অহন সময়ত দেখা দিয়া অশুভজনিত কাৰণবোৰে যেনে- ৰোগ-ব্যাধি, অসুখ- অশান্তি আৰু স্বাস্থ্য বিঘ্নিত হব পৰা আপদ-বিপদৰ কামবোৰো প্ৰায় নিৰাময় হোৱা দেখা পোৱা যায়। শৰতৰ শীতলতাৰ লগে লগে মানুহৰ মনবোৰ, মন-গহনৰ আৱেগ-অনুকম্পাবোৰেও যেন প্ৰাণ পাই উঠে, ন ন চিন্তা-পৰিকল্পনা আৰু কৰ্মশক্তিৰ উৎসাহ-উদ্দীপনাবে কেতবোৰ সৃজনশীল গতিশীলতাবে নিজক নিয়োজিত কৰিব পাৰে। ঘৰ-বাৰী পতা, মাটি-ভেটি আদি দৃঢ়তাবে ৰক্ষা কৰা, নির্মাণাদি কৰাৰ পৰিকল্পনা যুগুত কৰিব পাৰে এই শৰৎ কালৰ সুস্থ বাতাবৰণতে।

স্মৰ্তব্য যে, মানৰ সমাজৰ শিল্প-সংস্কৃতি তথা সাহিত্যসমৃদ্ধ মনৰ মানুহবোৰৰ হৃদয় পৰাও কেতবোৰ ন ন ভাব-চিন্তাৰ সমাৰেশ ঘটে। নিজ নিজ কাপ-মেলাম আৰু শিল্পী তালিকাৰ হৃদয়ৰ পৰাও বহু বহু আশাব্যঞ্জক চিত্ৰ বিচিত্ৰৰ উন্মেষ ঘটে আৰু বাস্তৱৰ স্বাক্ষৰত নির্গত হয়। আইন সময়ৰ মানসিক উচ্ছৃঙ্খলৰ বাধা-বিঘিনিৰ প্ৰাচীৰ আওকাণ কৰি শিল্প সাংস্কৃতিক মনৰ মানুহে নানান প্ৰকাৰৰ গঠনমূলক কাম-কৰ্মৰ আঁচনি কপাময় কৰি আগবাঢ়ি যোৱাৰ প্ৰয়াস কৰিব পাৰে। শৰতাগমনৰ লগে লগে প্ৰকৃতিৰ কুঞ্জবনত কুঁবলী পৰে, গছ-বনে, ডালে-পাতে নিয়ত মুকুতা সৰে। সামগ্ৰিকভাবে সমগ্ৰ ধৰণীৰ বুকু শান্ত, শীতল, সুকোমল, সুগন্ধিময় তথা চৌপাশে আশা-আনন্দৰ বিয়োগল বাজি উঠে। এয়াই সুন্দৰ সমাহিত শৰৎ।

এজন অভিযুক্ত দেৱব্ৰত গগৈক গ্ৰেপ্তাৰ শিৱসাগৰ আৰক্ষীৰ

জাঁজীৰ ৰাষ্ট্ৰীয় ৰাজপথৰ ডকাইতি ঘটনাত এমাহৰ পিছত আৰক্ষীৰ আংশিক সফলতা

অসম বার্তা, চেলেংহাট, ১৩ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানা এলেকাৰ চাৰিশৰীয়া ৰাষ্ট্ৰীয় ৰাইপথত যোৱা ১৪ ছেপ্টেম্বৰৰ ৰাতিপুৱা প্ৰায় ১:৩০ বজাত আৰ্টিগা বাহনত অহা আৰু আৰক্ষীক পোছাক পিন্ধা সাতজনীয়া অজ্ঞাধাৰী দুৰ্বৃত্তৰ দলে জাঁজী জামুগুৰিৰ সমীপত গোলাঘাটৰ পৰা ডিব্ৰুগড়লৈ যোৱা ১৬.৫ কুইণ্টল ৰাইলাৰ মুগী কচিয়াই নিয়া এগছ-০৫চি-৭২৮৯ নম্বৰৰ মহিন্দ্ৰা বলেৰো পিকআপ বাহনখন অপহৰণ কৰিছিল। পিছত গৌৰীসাগৰ আৰক্ষীয়ে ২৯/২০২৬ নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি ঘটনাত ব্যৱহৃত হোৱা সন্দেহত এছছ-০৪-এএইচ-৭৮৭৫ নম্বৰৰ এখন নেক্সন, এছছ-০৪-বাই-৪৪৪৮ নম্বৰৰ এখন ইক'ভেন আৰু এছছ-০৪-এএল-২০০৮ নম্বৰৰ এখন মটৰচাইকেল জব্দ কৰিছিল। ঘটনাৰ পিছতে পৰা জড়িত সকলো অভিযুক্ত পলাতক আছিল। অৱশেষত আজি শিৱসাগৰ নগৰ পৰিদৰ্শক দেৱাশিস শৰ্মাৰ নেতৃত্বত আৰক্ষীয়ে দেৱব্ৰত গগৈ নামৰ এজন যুবকক গ্ৰেপ্তাৰ কৰে। তেওঁ শিৱসাগৰ থানা এলেকাৰ প্ৰগতি চাৰিআলিৰ প্ৰয়াত প্ৰদীপ গগৈৰ পুত্ৰ।

বৰহাপজানত পূৰ্ণাঙ্গ নাট 'হৃদয় ভঙাৰ আখৰা'ৰ শুভ মহৎৱৎ সম্পন্ন

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, তিনিচুকীয়া, ১৩ অক্টোবৰ ঃ তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়ত শিক্ষকতা কৰা কেইগৰাকীমান উদাম সাংস্কৃতিক শিক্ষকৰ প্ৰচেষ্টাত জিলাখনৰ টিংৱাই, বৰহাপজান, হাঁহৰা, গোপনাৰী আৰু চামডাং মণ্ডলৰ উদ্যোগত তথা বৰহাজানবাসীৰ সহযোগত এখন পূৰ্ণাঙ্গ নাট প্ৰদৰ্শনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি অলপতে 'হৃদয় ভঙাৰ আখৰা' নামৰ নাটখনৰ শুভ মঞ্চৱৎ অনুষ্ঠানটি অনুষ্ঠিত হয়। বৰহাপজান হিন্দী মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত বৰহাপজানৰ বিশিষ্ট ব্যক্তি তথা অৱসৰপ্ৰাপ্ত শিক্ষক ভদ্ৰকান্ত বৰুৱাই বস্তি প্ৰজ্বলন কৰে। শিক্ষক তথা অভিনেতা হিৰেশ্বৰ দাসে আঁত ধৰা এই অনুষ্ঠানত সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক দ্বীপেন বৰুৱা, জ্যেষ্ঠ শিক্ষক টিকেন্দ্ৰ গোঁহাই, শিক্ষক দেৱাশিস দাস, বিদ্যালয়খনৰ কৰ্মচাৰী বিদ্যাধৰ বৰুৱাকে প্ৰমুখ্যে কবি নাটখনৰ নাটাকাৰ, পৰিচালক আৰু অভিনেতা-অভিনেত্ৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, জিলাখনৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা শিক্ষক তথা বিশিষ্ট নাট্যকাৰ দেৱজিৎ শৰ্মাৰ দ্বাৰা ৰচিত আৰু মনোজ্ঞ ৰৱকাৰ পৰিচালনাত বৰহাপজান উচ্চ মাধ্যমিক বিদ্যালয়ত 'হৃদয় ভঙাৰ আখৰা' নামৰ নাটখনি মঞ্চস্থ হ'ব। এই নাট্য সন্ধিয়াটি সূচাৰুৰূপে পৰিচালনা কৰি নিবৰ বাবে ইতিমধ্যে ভৱকান্ত বৰুৱাক সভাপতি, অৰুণ বৰুৱাক উপ সভাপতি, বিধান মজলীয়ক আৰু মাধুৰ্য প্ৰতিমা শইকীয়াক যুটীয়া সম্পাদক, মাইনা দেউৰী আৰু মুনীন্দ্ৰ গগৈক সহকাৰী সম্পাদক, দ্বীপেন বৰুৱাক কোষাধ্যক্ষ আৰু কুশৰব মৰাণক দায়িত্ব অৰ্পণ কৰি এখন সমিতি গঠন কৰি দিয়ে। এইমাহৰ শেষৰফালে মঞ্চস্থ হ'বলগীয়া এই নাট্য সন্ধিয়াটিত সকলোবে সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তা সমিতিৰ হৈ মাধুৰ্য প্ৰতিমা শইকীয়া, সংগীতা শইকীয়া আৰু উদেন চুতীয়াই।

ডিমৌৰ চৰগুৰা আদৰ্শ কলিতা গাঁৱৰ লক্ষ্মীপূজাৰ আয়োজনৰ প্ৰস্তুতি

মঞ্চস্থ হ'ব "গান্ধাৰীৰ কৃষ্ণ দৰ্শন" নাট

অসম বার্তা, গেলেকী, ১৩ অক্টোবৰ ঃ ডিমৌৰ চৰগুৰা আদৰ্শ কলিতা গাঁৱত আজি এক উনহ-মালহপূৰ্ণ পৰিৱেশত আহা ২৫ অ'বাৰত লক্ষ্মীপূজাৰ আয়োজনৰ প্ৰস্তুতি কৰা হৈছে। প্ৰতিবছৰৰ দৰে এইবাৰো গাঁৱৰ যুবক-যুবতী তথা অকত-আইসকলৰ সহযোগত দিনযোৱা কাৰ্যসূচীবে লক্ষ্মীপূজাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি, দিনটোত বিভিন্ন কাৰ্যসূচীৰ লগতে অনুষ্ঠানৰ লগতে নাম-কীৰ্তন প্ৰসংগৰ আয়োজন কৰা হৈছে। ইয়াৰ দ্বাৰা সমগ্ৰ অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হব। সন্ধিয়ালৈ মূল আকৰ্ষণ হিচাপে সন্ধিয়ালৈ ন-পুৰণি অভিনেতাৰ সমাহাৰেৰে "গান্ধাৰীৰ কৃষ্ণ দৰ্শন" নামৰ আকৰ্ষণীয় নাটভাগ মঞ্চস্থ কৰা হ'ব। বিশেষকৈ, এই নাটখনত যুধিষ্ঠিৰৰ চৰিত্ৰত অভিনয় কৰিব অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ (AJYCP) ডিমৌ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক যদুমণি আদিত্যই। চৰগুৰা আদৰ্শ কলিতা গাঁৱৰ সহযোগত অনুষ্ঠিত হব লগা এই লক্ষ্মীপূজাত বৰনামঘৰক পুৰাবে পৰাই ভক্তপ্ৰাণ ৰাইজৰ ভিৰ হোৱাৰ আশা কৰা হৈছে।

দক্ষিণ জাজড়িত অংগন মিলন মেলা সম্পন্ন

অসম বার্তা, বেৰেজীয়া, ১৩ অক্টোবৰ ঃ মহিলা আৰু শিশু বিকাশ বিভাগ অসমৰ নগাঁও জিলাৰ দলংঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত, অংগনবাৰী কৰ্মী সহায়িকা সকলৰ ব্যবস্থাপনাত দেওবাৰে জাজৰি ঘন স্মৃতি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অংগন মিলন মেলা সম্পন্ন হয়। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া দেশ সেৱাৰ সংকল্প অভিযানৰ অংশ হিচাপে আয়োজন কৰা অংগন মিলন মেলা অনুষ্ঠানৰ আনুষ্ঠানিক সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীন চন্দ্ৰ বৰদলিয়ে। কন কন শিশুসকলৰ ওমলা গীতেৰে আৰম্ভ হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে অংগনবাৰী কৰ্মী টুটুমনি দাসে আৰু এই অনুষ্ঠানৰ মূল লক্ষ্য আৰু বৈশিষ্ট্যাৱৰ ওপৰত বক্তব্য ৰাখে প্ৰকল্প বিষয়া বিভা কলিতাই। অনুষ্ঠানত মাজ জাজৰি দৰঙীয়াল গাঁও পঞ্চায়তৰ সভানেত্ৰী হিমাশ্ৰী শইকীয়া, আঞ্চলিক সদস্যা পুৰবী মহন্ত বৰা, শিক্ষা সমন্বয়ক নৰেন ডেকা, সাংবাদিক বাহুল দেৱ বৰদলি, গাঁওপ্ৰধান দিলীপ চন্দ্ৰ বৰাকে ধৰি শতাধিক ৰাইজ উপস্থিত থাকে। এই অনুষ্ঠানতে অংগনবাৰী কৰ্মী সহায়িকা সকলৰে আগবঢ়োৱা মুখ্যমন্ত্ৰীৰ একহাজাৰ টকাৰ চেক সমূহ বিতৰণ কৰা হয়।

সেৱা সংকল্প অভিযানৰ অধীনত মাকুমত পথ সুৰক্ষা সজাগতা সভা



অসম বাৰ্তা, মাকুম, ১৩ অক্টোবৰ ঃ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশৰ প্ৰতি ২৫ বছৰীয়া সেৱাৰ প্ৰতি সন্মান জনাই যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা সমগ্ৰ দেশতে আৰম্ভ কৰা হৈছে মাহজোৰা 'সেৱা সংকল্প অভিযান'। এই অভিযানৰ অংশ হিচাপে বিভিন্ন বিভাগে নিজ নিজ ক্ষেত্ৰত সেৱামূলক আৰু সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ইয়াৰ অংশস্বৰূপে তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ উদ্যোগত আৰু জিলা পৰিবহণ কাৰ্যালয়ৰ সহযোগত জিলাখনৰ বিভিন্ন স্থানত পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত কৰি অহা হৈছে। পৰিবহণ সংস্থাৰ লগতে বাছ, চালক, মালিক, অটো, ই-ৰিস্কা আৰু মেজিক চালক সন্থাৰ সহযোগত জিলাখনৰ বিভিন্ন স্থানত প্ৰতিদিনে দুই-তিনিখনকৈ সজাগতা সভা অনুষ্ঠিত কৰি পথ সুৰক্ষাৰ প্ৰতি জনসাধাৰণক সচেতন কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ ধাৰাবাহিকতা ৰক্ষা কৰি আজি তিনিচুকীয়া জিলা পৰিবহণ বিভাগৰ উদ্যোগত মাকুমস্থিত বনমালী শইকীয়া ভৱনত এখন পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত ই-ৰিস্কা চালক সন্থা, অটো চালক সন্থাকে ধৰি সংশি-ষ্ট বিভিন্ন সন্থাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে তিনিচুকীয়া জিলাৰ জিলা পৰিবহণ বিষয়া কানাই মহন্তই। সভাখনত যান-বাহন চলাচলৰ সময়ত পথ সুৰক্ষাৰ নিয়মসমূহ কঠোৰভাৱে মানি চলাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ দুচকীয়া বাহনৰ চালক আৰু আৰোহী উভয়ে হেলমেট পৰিধান কৰা, চাৰিচকীয়া বাহন চলোৱাৰ সময়ত ছিটবেল্ট ব্যৱহাৰ কৰা, নিৰ্ধাৰিত গতিসীমা অতিক্ৰম নকৰা, মদ্যপান কৰি বাহন নচলোৱা আৰু গাড়ী চলোৱাৰ সময়ত ম'বাইল ফোন ব্যৱহাৰ কৰাৰ পৰা বিৰত থকাৰ বিষয়ে চালকসকলক সজাগ কৰা হয়। আজিৰ সভাখনত মাকুম সম জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰণ, মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিযান, মাকুম পৌৰসভাৰ পৌৰপতি অৰ্চনা শইকীয়া, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি চন্দ্ৰ বৰুৱা, মাকুম শাখা সাহিত্য সভাৰ সভাপতি সুমিত্ৰ গগৈ সম্পাদক দিগন্ত দাস প্ৰমুখ্যে কেইবাগৰাকী গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে। উপস্থিত থকা গণ্য-মান্য ব্যক্তিসকলে পথ সুৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ আগবঢ়োৱাৰ লগতে যান-বাহন আইন মানি চলি পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে সকলোকে দায়িত্বশীল ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

বিভিন্ন চৰকাৰী আঁচনিৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে পৰিদৰ্শন মন্ত্ৰীগৰাকীৰ

নগাঁৱত যোগান মন্ত্ৰী কৌশিক ৰায়ৰ বিভাগীয় কাম-কাজৰ পৰ্যালোচনা



অসম বাৰ্তা, নগাঁও, ১৩ অক্টোবৰ ঃ নগাঁও জিলাত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা তথা সমবায় বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন জনকল্যাণমূলক আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি বিয়লি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বিভাগীয় মন্ত্ৰী কৌশিক ৰায়ৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত চলি থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্প, আন্তঃগাঁথনি নিৰ্মাণ আৰু অনাময় ব্যৱস্থাৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। একেদৰে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ 'অন্ন সেৱা দিন' কাৰ্যসূচীৰ ৰূপায়ণ, অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ বিতৰণ ব্যৱস্থা আৰু হিতাধিকাৰীসকলে লাভ কৰা খাদ্য সামগ্ৰীৰ শেহতীয়া স্থিতিৰ বিষয়েও বুজ লোৱা হয়। ইয়াৰ উপৰি মন্ত্ৰীগৰাকীয়ে নগাঁও জিলাৰ সমবায় সমিতিসমূহৰ অধীনত থকা খাদ্য সংৰক্ষণাগাৰসমূহৰ কাৰ্যক্ষমতা, মজুত খাদ্য সামগ্ৰীৰ উপলব্ধতা আৰু বিতৰণ ব্যৱস্থাৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰে। চৰকাৰী আঁচনি আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সুফল যাতে জিলাখনৰ প্ৰতিগৰাকী যোগ্য হিতাধিকাৰীয়ে সময়মতে, স্বচ্ছতাৰে আৰু নীৰৱচ্ছিন্নভাৱে লাভ কৰিবলৈ সক্ষম হয়, তাৰ ওপৰত মন্ত্ৰীগৰাকীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। এইক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকলক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰাৰ লগতে আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত অধিক তৎপৰতা অৱলম্বন কৰিবলৈ আহ্বান জনোৱা হয়। পৰ্যালোচনা বৈঠকখনত ধিং বিধানসভা সমষ্টিৰ বিধায়ক মেহবুব মুক্তাৰ, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আয়ুক্ত হেমন্ত ভূঞা, অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ পৰিচালন সঞ্চালিকা পাৰিজাত ভূঞা, পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ সঞ্চালক সুশান্ত দত্ত, 'অমৃত' (AMRUT) প্ৰকল্পৰ সঞ্চালিকা সম্প্ৰীতি গোস্বামী, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, নগাঁও পৌৰসভাৰ অধ্যক্ষা অম্বিকা মজুমদাৰ, নগাঁও জিলা উন্নয়ন আয়ুক্ত পাৰ্থ প্ৰতিম বৈৰাগী আৰু কলিয়াবৰৰ সহকাৰী আয়ুক্ত তেজস অগ্নিহোত্ৰীৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে, পৰ্যালোচনা বৈঠকৰ পূৰ্বে মন্ত্ৰী কৌশিক ৰায়ে নগাঁও জিলাৰ বিভিন্ন স্থানত পৰিদৰ্শন কৰি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ তথা সমবায় বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা কেইবাটাও আঁচনিৰ কাম-কাজৰ বুজ লয়। লগতে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অধীনত থকা বিভিন্ন সমিতি আৰু সুলভ মূল্যৰ দোকানসমূহো পৰিদৰ্শন কৰি খাদ্য সামগ্ৰীৰ মজুত আৰু বিতৰণ ব্যৱস্থাৰ শেহতীয়া স্থিতি পৰীক্ষা কৰে।

গোসাঁইগাঁৱত চাৰিদিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ যুৱ মহোৎসৱ

অসম বাৰ্তা, গোসাঁইগাঁও, ১৩ অক্টোবৰ ঃ বিটিচিৰ যুৱ প্ৰজন্মৰ মাজত কলা-সংস্কৃতি, ক্ৰীড়া আৰু শৈক্ষিক দিশৰ বিকাশৰ লগতে সুপ্ত প্ৰতিভাৰ সন্ধান দিয়াৰ লক্ষ্যৰে আজি গোসাঁইগাঁৱত আৰম্ভ হৈছে চাৰিদিনীয়া যুৱ মহোৎসৱ। গোসাঁইগাঁও জিলা বিপিএফৰ উদ্যোগত গোসাঁইগাঁও চহৰৰ ইউ এন ব্ৰহ্ম আৰু নেহৰু খেলপথাৰত ১৩ অক্টোবৰৰ পৰা ১৬ অক্টোবৰলৈ এই মহোৎসৱ অনুষ্ঠিত হ'ব। মহোৎসৱৰ প্ৰথম দিনা ইউ এন ব্ৰহ্ম খেলপথাৰত অনুষ্ঠিত আনুষ্ঠানিক কাৰ্য্যসূচীত পতাকা উত্তোলন কৰে গোসাঁইগাঁৱৰ বিধায়ক শোভাৰাম বসুমতাৰীয়ে। আনহাতে, মূল মণ্ডপ মুকলি কৰে বিটিচিৰ কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰীয়ে। ইয়াৰ পিছতে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে যুৱ মহোৎসৱৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া নৃত্য-গীতেৰে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। চাৰিদিনীয়া এই মহোৎসৱত এথলেটিকছ, কাবাডী, ফুটবল আৰু ভলীবলকে ধৰি বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সাংস্কৃতিক শিতানত বাগুৰুম্বা নৃত্য, পৰম্পৰাগত আৰু আধুনিক গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। একেদৰে সাহিত্য শিতানত তৰ্ক প্ৰতিযোগিতা, আবৃত্তি, আকস্মিক বক্তৃতা আৰু ৰচনা লিখা প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। উদ্বোধনী অনুষ্ঠানত যুৱ বিপিএফৰ কেন্দ্ৰীয় সভাপতি ৰিঞ্জয় বড়ো, সাধাৰণ সম্পাদক শৰৎ চন্দ্ৰ দাস, উপ-সভাপতি প্ৰহ্লাদ ব্ৰহ্ম, বিটিচিৰ কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰী, এমচিএলএ এন্তাজ আলী, উইলিয়াম নাৰ্জাৰীকে ধৰি বিপিএফৰ কেইবাগৰাকীও নেতা-কৰ্মী উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে কয় যে যুৱ মহোৎসৱে যুৱক-যুৱতীসকলক নিজৰ প্ৰতিভা বিকাশ আৰু প্ৰদৰ্শনৰ বাবে এক উপযুক্ত মঞ্চ প্ৰদান কৰিছে। এই মহোৎসৱ আয়োজনৰ আঁৰত কোনো লাভ-লোকচানৰ হিচাপ নাই বুলি উল্লেখ কৰি তেওঁ কয় যে যুৱ প্ৰজন্মৰ প্ৰতিভা বিকাশৰ সুযোগ সৃষ্টি কৰাটোৱেই ইয়াৰ মূল উদ্দেশ্য। যুৱ মহোৎসৱক লৈ ইউপিপিএলে সমালোচনা কৰা বিষয়টো সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মহিলাৰীয়ে। তেওঁৰ মতে, যুৱক-যুৱতীসকলৰ প্ৰতিভা বিকাশৰ বাবে এনে মঞ্চ প্ৰদান কৰাটো ইতিবাচক পদক্ষেপ। ইফালে বিটিচিৰ এল পি আৰু ইউ পি টেটৰ নিযুক্তি পত্ৰ বিতৰণ সন্দৰ্ভত হাগ্ৰামা মহিলাৰীয়ে জানিবলৈ দিয়ে যে দুৰ্গাপূজাৰ পূৰ্বে নিযুক্তি পত্ৰ প্ৰদান কৰা নহ'লে পূজাৰ পিছত প্ৰদান কৰা হ'ব। যুৱ প্ৰজন্মৰ মাজত ক্ৰীড়া, সাংস্কৃতিক আৰু শৈক্ষিক প্ৰতিভাৰ বিকাশৰ লক্ষ্যৰে আয়োজন কৰা এই যুৱ মহোৎসৱে অঞ্চলটোৰ উদীয়মান প্ৰতিভাসমূহক নিজৰ দক্ষতা প্ৰদৰ্শনৰ এক সুন্দৰ সুযোগ প্ৰদান কৰিব বুলিও মন্তব্য কৰে।

অভয়াপুৰী সমজিলাৰ শৈক্ষিক মান উন্নয়নত আয়ুক্ত দ্বিপন বৰ্মনৰ বিশেষ পদক্ষেপ

শৈক্ষিক মাণদণ্ড বিকাশৰ বাবে 'উত্তৰণ' শীৰ্ষক এক আঁচনিৰ সন্মতি প্ৰদান চাৰি শতাধিক প্ৰধান শিক্ষকৰ

অসম বাৰ্তা, লেংটিছিঙা, ১৩ অক্টোবৰ ঃ অভয়াপুৰী সমজিলাৰ শৈক্ষিক বাতাবৰণ অধিক সুদৃঢ় আৰু প্ৰতিখন চৰকাৰী বিদ্যালয়ক আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে সমজিলা প্ৰশাসনে গ্ৰহণ কৰিছে এক প্ৰশংসনীয় পদক্ষেপ। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ঘাটি পূৰণ কৰি গুণগত মানদণ্ড বৃদ্ধি কৰাৰ উদ্দেশ্যে সমজিলাখনত অতি শীঘ্ৰেই কাৰ্যকৰী কৰা হ'ব 'উত্তৰণ' শীৰ্ষক এক বিশেষ আঁচনি। কালি টুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অভয়াপুৰী সমজিলা প্ৰশাসনৰ উদ্যোগত আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডৰ সহযোগত আয়োজিত এক বিশাল শৈক্ষিক সভাত এই ঘোষণা কৰা হয়। টুলুঙীয়াৰ পণ্ডিত দ্বীনদয়াল আদৰ্শ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই শৈক্ষিক উন্নয়ন সভাত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ চাৰি শতাধিক প্ৰাথমিক, উচ্চ প্ৰাথমিক, উচ্চ আৰু উচ্চতৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে সমজিলা আয়ুক্ত দ্বিপন বৰ্মনকে ধৰি বিশিষ্ট অতিথিসকলে বন্তি প্ৰজ্বলন কৰে। জাতীয় সংগীত পৰিৱেশনৰ জৰিয়তে আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা সভাখনৰ আঁত ধৰে ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা ১ নং অভয়াপুৰী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ড° ছিৰখাত হুছেইনে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰজিৎ বায়নে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি অভয়াপুৰী সমজিলাৰ আয়ুক্ত দ্বিপন বৰ্ম্মনে শিক্ষক সমাজক অনুপ্ৰাণিত কৰি কয়, "প্ৰতিখন চৰকাৰী বিদ্যালয়কে একোখনকৈ আদৰ্শ বিদ্যালয়ৰূপে গঢ় তুলি সমাজত গৌৰৱৰ স্থান দিয়াত শিক্ষকসকলৰ ভূমিকা অপৰিসীম। আমি সকলোৱে 'মই' শব্দৰ অহংকাৰ পৰিহাৰ কৰি 'আমি' মনোভাৱেৰে একত্ৰিত হৈ নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিব লাগিব।" তেওঁ লগতে কয় যে ঐক্যবদ্ধ প্ৰচেষ্টা আৰু নিষ্ঠাইহে প্ৰতিখন বিদ্যালয়ক আগন্তুক গুণোৎসৱত সৰ্বোচ্চ 'এ প্লাছ' গ্ৰেড লাভ কৰোৱাত সহায় কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত মানৱ সম্পদলৈ ৰূপান্তৰিত কৰিব পাৰিব। উল্লেখ্য যে দ্বিপন বৰ্মনে অভয়াপুৰীৰ সমজিলা আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়নৰ দিশত অহোপুৰুষাৰ্থ কৰি আহিছে। বিশেষকৈ শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ বাবে তেওঁ ইতিমধ্যে শিক্ষা বিষয়া আৰু চি আৰ চি চি সকলোৰ সৈতে কেইবালানিও গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হৈছিল। কালিৰ সভাতো সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত পোনপটীয়া মত-বিনিময় কৰি তৃণমূল পৰ্যায়ৰ অভাৱ-অভিযোগ আৰু পৰামৰ্শসমূহৰ বুজ লয়। সভাৰ মূল সিদ্ধান্ত অনুসৰি, প্ৰাথমিক শ্ৰেণীৰ 'ক' মানৰ পৰা দ্বাদশ শ্ৰেণীলৈকে অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বিষয়ভিত্তিক আৰু শৈক্ষিক ঘাটি পূৰণৰ বাবে 'উত্তৰণ' নামৰ এক আঁচনি পৰ্যায়ক্ৰমে ৰূপায়ণ কৰা হ'ব। চৰকাৰী পুঁজিৰ বাবে অপেক্ষা নকৰি উপস্থিত প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজাববীয়াকৈ আৰ্থিক বৰঙণি আগবঢ়াই এই আঁচনি সফল কৰি তোলাৰ সংকল্প গ্ৰহণ কৰে। শিক্ষক সমাজৰ এনে দায়িত্ববোধ আৰু স্বতঃস্ফূৰ্ত সহযোগিতাক আয়ুক্ত গৰাকীয়ে আন্তৰিক শলাগ লয় আৰু আগন্তুক গুণোৎসৱৰ বাবে সকলোকে সাজু হ'বলৈ আহ্বান জনায়। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ফটিক কলিতা, উত্তৰ শালমাৰাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক ডিম্বেশ্বৰ দাসে শৈক্ষিক দিশৰ বিভিন্ন প্ৰত্যাহ্বান আৰু তাৰ সমাধান সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত বঙাইগাঁও জিলা চিআৰচিচি সন্থাৰ সভাপতি শান্তি ৰঞ্জন দাসেও উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে একাংশ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীয়ে শ্ৰেণীকোঠাৰ অভিজ্ঞতা আৰু সমস্যাসমূহ মুকলিকৈ ব্যক্ত কৰে। শিক্ষাৰ মানদণ্ড বৃদ্ধিৰ বাবে সমজিলা আয়ুক্তগৰাকীয়ে লোৱা এই বাস্তৱসন্মত আৰু সংবেদনশীল পদক্ষেপক স্থানীয় সকলো স্তৰৰ শৈক্ষিক মহলে আন্তৰিকতাৰে আদৰণি জনাইছে। সভাৰ শলাগৰ শৰাই আগবঢ়ায় কাকৈজানা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক অভিজিৎ ৰায়ে।

ডবকাৰ নিজ ডবকা খেৰাঘাটত ভয়ংকৰ পথ দুৰ্ঘটনা

দুখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত মাদ্ৰাছাৰ শিক্ষক নিহত; এজন গুৰুতৰভাৱে আহত

অসম বাৰ্তা, ডবকা, ১৩ অক্টোবৰ ঃ হোজাই জিলাৰ ডবকাৰ নিজ ডবকা খেৰাঘাটত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী মাদ্ৰাছাৰ শিক্ষকে প্ৰাণ হেৰুওৱাৰ লগতে আন এজন যুৱক গুৰুতৰ ভাৱে আহত হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে। সোমবাৰে সন্ধিয়া প্ৰায় ৭ বজাত দুখন মটৰ চাইকেলৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলতে এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত নিহত হোৱা মাদ্ৰাছাৰ শিক্ষকজন ডবকাৰ বৌৱাৰপাৰ গাঁৱৰ চাবিৰ আহমেদ (২৬) বুলি জানিব পৰা গৈছে। আনহাতে, গুৰুতৰভাৱে আহত যুৱকজন ভেদৌআটি জংগলব্লক মাজৰকান্দি গাঁৱৰ ৰেজাউল কৰিম দিলদু (২৫) বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, দুখন মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত দুয়োগৰাকী আৰোহী পথত বাগৰি পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাৰ লগে লগে স্থানীয় ৰাইজে আহত দুয়োকে উদ্ধাৰ কৰি ততাতৈয়াকৈ ডবকা সামূহিক স্বাস্থ্যকেন্দ্ৰলৈ লৈ যায়। কিন্তু চিকিৎসালয়ত চিকিৎসকে মাদ্ৰাছাৰ শিক্ষক চাবিৰ আহমেদক মৃত বুলি ঘোষণা কৰে। আনহাতে গুৰুতৰভাৱে আহত ৰেজাউল কৰিম দিলদুক উন্নত চিকিৎসাৰ বাবে হোজাইলৈ প্ৰেৰণ কৰা হয়। ইফালে দুৰ্ঘটনাটোৰ পিছতে ঘটনাস্থলীৰ পৰা দুৰ্ঘটনাত পতিত আৰ-১৫ আৰু পালছাৰ মটৰ চাইকেল দুখন উদ্ধাৰ কৰি আৰক্ষীয়ে থানালৈ লৈ যায়। উল্লেখ্য যে আসাম মালাৰ পথত ক্ৰমাৎ বৃদ্ধি পাইছে দুৰ্ঘটনা, ডবকাৰ পৰা যমুনামুখলৈ সংযোগ স্থাপন কৰা আসাম মালা পথৰ উন্নয়নমূলক কাম আগবঢ়াৰ সমান্তৰালকৈ বিগত প্ৰায় দুবছৰ ধৰি এই পথছোৱাত কেইবাটাও সৰু-বৰ পথ দুৰ্ঘটনা সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰি আহিছে। এনে দুৰ্ঘটনাত কেইবাজনো লোকে প্ৰাণ হেৰুওৱাৰ লগতে বহু লোক আহত হ'বলগীয়া হৈছে। বিশেষকৈ একাংশ যুৱকৰ দ্ৰুতগতিত আৰু অসাৱধানতাৰে মটৰ চাইকেল চলোৱাৰ ফলত পথচাৰী, স্থানীয় বাসিন্দা আৰু অন্যান্য যান-বাহনৰ চালক সকলৰ মাজত নিৰাপত্তাক লৈ উদ্বেগ বৃদ্ধি পাইছে। পথটোৰে যাতায়াত কৰা লোকসকলৰ অভিযোগ অনুসৰি একাংশ মটৰ চাইকেল চালকে যান-বাহন চলোৱাৰ নিয়ম-কানুনক আওকাণ কৰি বিপজ্জনকভাৱে চাইকেল চলায়। ইয়াৰ মাজৰ একাংশ চালকৰ বৈধ অনুজ্ঞাপত্ৰ নথকাৰ অভিযোগো উত্থাপিত হৈছে। এনে পৰিস্থিতিত পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে আৰক্ষী আৰু সংশ্লিষ্ট বিভাগে অধিক তৎপৰতা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে সচেতন মহলে। দ্ৰুতগতিত যান-বাহন চলোৱা চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ, যান-বাহন আইন উলংঘা কৰা লোকৰ বিৰুদ্ধে নিয়মীয়া অভিযান চলোৱা আৰু পথ সুৰক্ষাৰ ক্ষেত্ৰত জনসচেতনতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এগৰাকী যুৱ মাদ্ৰাছা শিক্ষকৰ অকাল মৃত্যুৱে পুনৰ এবাৰ ডবকা অঞ্চলত পথ সুৰক্ষাৰ প্ৰশ্নটো উত্থাপন কৰিছে। সামান্য অসাৱধানতা অথবা যান-বাহন চলোৱাৰ ক্ষেত্ৰত কৰা ভুলে যে এখন পৰিয়ালৰ জীৱনলৈ অন্ধকাৰ নমাই আনিব পাৰে, এই শোকাৱহ ঘটনাই তাকেই পুনৰ প্ৰতীয়মান কৰিছে।

নিশা বিহালিৰ বৰকঠীয়াবাৰীত ভয়ঙ্কৰ অগ্নিকাণ্ডত দুটি বাসগৃহ ভস্মীভূত

অসম বাৰ্তা, জিনজিয়া, ১৩ অক্টোবৰ ঃ বিহালী বৰগাঙৰ বৰকঠীয়াবাৰীৰ বিহালী মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পৰ সন্মুখৰ নজুৰুদিন আলী আৰু ৰহিউদ্দিন আলি নামৰ দুই ভাতৃৰ ঘৰ দুটাত নিশা অগ্নি সংযোগ ঘটি সম্পূৰ্ণ ঘৰ আৰু ভিতৰৰ সকলো সামগ্ৰী জ্বলি ভস্মীভূত হয়। ঘৰত নিশা কোনো লোক নথকাত ওচৰৰ লোকে ঘটনাৰ উমান পাই অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়ে। পিছত অগ্নি নিৰ্বাপক বাহিনী আহি ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয় যদিও ঘৰৰ পৰা কোনো সা সামগ্ৰী উদ্ধাৰ নহ'ল সকলো সামগ্ৰী অগ্নিত জাহ যায়। নিশা প্ৰায় ১ বজাত হোৱা এই অগ্নিকাণ্ডত কাষতে থকা নবীৰ হুছেইন আলী নামৰ যুৱকজনৰ দোকান খনলৈও বিয়পি পৰি অগ্নি সংযোগ ঘটে দোকানৰ ওপৰৰ চিলিঙত অগ্নি সংযোগ ঘটে চিলিঙৰ আধা অংশ জ্বলি শেষ হয় আৰু ব্যয় বস্তুৰ ক্ষয়-ক্ষতি হোৱা পৰা কথমপি ৰক্ষা পৰে। অগ্নি সংযোগ ঘটাৰ কোনো কাৰণ জানিব পৰা নাই যদিও ঘৰত কোনো নথকা সুযোগ লৈ কোনো দুষ্ট চক্ৰই এই অগ্নিকাণ্ড সংঘটিত কৰিছে বুলি নজুৰুদ্দিন আলীয়ে সন্দেহ প্ৰকাশ কৰিছে বুলি জানিবলৈ দিয়ে। ঘটনাত দুয়োটা পৰিয়ালৰ প্ৰায় দুই লাখ টকাৰ সামগ্ৰী জুইত জাহ যায় আৰু নবীৰৰ দোকানৰ ১৫ হাজাৰ টকাৰ চিলিং নষ্ট হয় বুলি জানিব দিছে। পিছত দুৰ্ভগীয়া লোক সকলে বৰগাং আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে আৰু বৰগাং আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

মাকুম সম-জিলাত জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰাবাস উদ্বোধন মন্ত্ৰী অতুল বৰাৰ

অসম বাৰ্তা, মাকুম, ১৩ অক্টোবৰ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰাৰ লগতে গ্ৰামোন্নয়নৰ প্ৰক্ৰিয়াক অধিক গতিশীল কৰাৰ লক্ষ্যৰে মাকুম সমজিলাত নিৰ্মাণ কৰা জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰাবাসৰ আজি শুভ উদ্বোধন কৰে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই। মাকুম সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সমীপত অৱস্থিত গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ অধীনৰ এই কেন্দ্ৰটো ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ অধীনত মুঠ ১ কোটি ৫৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। উদ্বোধনী অনুষ্ঠান উপলক্ষে আয়োজিত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী অতুল বৰাই কয় যে জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰটোৰ জৰিয়তে পঞ্চায়তীৰাজ ব্যৱস্থাৰ নিৰ্বাচিত প্ৰতিনিধি, বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু অন্যান্য অংশীদাৰসকলক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। গ্ৰাম্য অঞ্চলৰ সামগ্ৰিক উন্নয়ন, স্থানীয় স্ব-শাসন ব্যৱস্থাৰ শক্তিশালীকৰণ আৰু তৃণমূল পৰ্যায়ত গণতান্ত্ৰিক শাসন ব্যৱস্থা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে পঞ্চায়তীৰাজ ব্যৱস্থাৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে নিৰ্বাচিত প্ৰতিনিধি, বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু সংশ্লিষ্ট অংশীদাৰসকলৰ জ্ঞান, দক্ষতা তথা কাৰ্যকৰী সক্ষমতা বৃদ্ধি কৰাটো অত্যন্ত প্ৰয়োজনীয়। সেই লক্ষ্যৰে জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰটোক প্ৰশিক্ষণ, দক্ষতা বিকাশ আৰু জ্ঞানৰ আদান-প্ৰদানৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। ইয়াৰ জৰিয়তে সংশ্লিষ্ট সকলো অংশীদাৰকে সময়োপযোগী, প্ৰয়োজনভিত্তিক আৰু ফলাফলমুখী প্ৰশিক্ষণ প্ৰদান কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে, ইয়াৰ লগতে জিলা পঞ্চায়ত সম্পদ কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে নতুনকৈ যোগদান কৰা ড° লিলী দলেক মন্ত্ৰী গৰাকীয়ে ৰাজহুৱা ভাৱে পৰিচয় কৰাই দিয়ে। আজিৰ অনুষ্ঠানত শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়া, মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষান, তিনিচুকীয়া সমষ্টিৰ বিধায়ক পুলক গোহাঁই, ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱান, গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক অনন্ত কুমাৰ গগৈ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া হিমাদ্ৰী বৰা, মাকুম সম-জিলা আয়ুক্ত নিলুৰাম শৰ্মা, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভদ্ৰেশ্বৰ মৰাণ, উপ-সভাপতি চিত্ৰলেখা দুৱৰা সোণা, মাকুম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ প্ৰমুখ্যে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ প্ৰতিনিধি, বিভিন্ন উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, বিভাগীয় বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

লাহৰীঘাটত 'সেৱা সংকল্প অভিযান' কাৰ্যসূচীত আশা কৰ্মীক চেক প্ৰদান



অসম বাৰ্তা, লাহৰীঘাট, ১৩ অক্টোবৰ ঃ আজি লাহৰীঘাট লাহৰীঘাট উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত 'সেৱা সংকল্প অভিযান'ৰ অধীনত আশা কৰ্মী আৰু আশা চুপাৰভাইজাৰসকলৰ মাজত এৰ্কঁকালীন প্ৰেৰণাদায়ক মাননিৰ চেক আৰু প্ৰশংসাপত্ৰ বিতৰণ কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত হয়। এই কাৰ্যসূচীত নগাঁও লোকসভা সমষ্টিৰ সাংসদ দেৱাশীষ শৰ্মাৰ লগতে লাহৰীঘাট ৰাজহ চক্ৰ বিষয়া, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, জিলা DPM, DFPC, DME, DCM আৰু লাহৰীঘাটৰ মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া, লাহৰীঘাট মডেল হাস্পতালৰ উপ অধীক্ষক, জিলা যক্ষ্মা বিষয়া, লাহৰীঘাট খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ বিষয়াসকল উপস্থিত থাকে। তদপুৰি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সমাজ কৰ্মী দিব্যজ্যোতি নেওগ, সমাজ কৰ্মী মনজ্যোতি বৰা, জিলা পৰিষদ সদস্য আবু জহিৰ আৰু ছাবিকুন নাহাৰ। জনসাধাৰণৰ মাজত স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত আশা কৰ্মী আৰু আশা চুপাৰভাইজাৰসকলে আগবঢ়াই অহা নিষ্ঠা, দায়বদ্ধতা আৰু নিৰালস্য সেৱাৰ স্বীকৃতি প্ৰদান কৰাই এই পদক্ষেপৰ মূল উদ্দেশ্য। তৃণমূল পৰ্যায়ত স্বাস্থ্যসেৱা ব্যৱস্থাক অধিক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদান অতুলনীয়। তেওঁলোকৰ নিষ্ঠাৰ স্বীকৃতি, সেৱাৰ প্ৰতি সন্মান আৰু জনস্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰাৰ এক প্ৰয়াস এই 'সংকল্প অভিযান' কাৰ্যসূচীৰ।

নাওবৈচাত ভাগৱত পাঠৰ আয়োজন

অসম বাৰ্তা, নিমাতীঘাট, ১৩ অক্টোবৰ ঃ উত্তৰ যোৰহাটৰ নাওবৈচা গৰণীয়া চুকৰ নামঘৰত ১৭ অক্টোবৰৰ পৰা অবিৰত ভাগৱত পাঠৰ আয়োজন কৰিছে। প্ৰথম দিনা অধিবাস আৰু সন্ধ্যা ঘৰে। ঘৰে বন্তি প্ৰজ্বলন আৰু সন্ধ্যা নামাচায্য আৰু বয়োজ্যেষ্ঠসকলৰ সহযোগত খোল প্ৰসঙ্গৰ লগতে নাম প্ৰসঙ্গ অনুষ্ঠিত হ'ব। পাছদিনা ভক্তবৃন্দ আৰু ৰাইজৰ সহযোগত প্ৰাতঃপ্ৰসঙ্গ, বন্তি প্ৰজ্বলনৰ পাছতে স্মৃতি তৰ্পণ আৰু ধৰ্ম ধ্বজা উত্তোলনেৰে ভাগৱত পাঠৰ শুভাৰম্ভ হ'ব। ইয়াৰ পাছত মূল শৰাই প্ৰতিষ্ঠা আৰু ভাগৱত প্ৰদক্ষিণ আৰু প্ৰতিষ্ঠা হ'ব। ভাগৱত পাঠৰ সামৰণিৰ দিনা নিশালৈ ভাওনা সমাৰোহৰ শ্ৰেষ্ঠ ভাৱৰীয়াসকলৰ দ্বাৰা ভীষ্ম পৰ্ব ভাওনা প্ৰদৰ্শন হ'ব। আয়োজকসকলে ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে।

প্ৰাণৰ শিল্পীৰ ন্যায়ৰ দাবীত ৰাজপথত শালমৰাবাসীৰ লগতে মাজুলীবাসী

অসম বাৰ্তা, মাজুলী, ১৩ অক্টোবৰ ঃ জুবিনৰ ন্যায়ৰ দাবীত মাজুলীৰ শালমৰাত মমশিখা সমদল: প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত মাজুলীৰ শালমৰাত প্ৰতিবাদ। মমবাতিৰ পোহৰেৰে ন্যায়ৰ দাবী জনালে শালমৰাবাসীৰ লগতে মাজুলীবাসীয়ে। শালমৰাৰ জুবিন ক্ষেত্ৰৰ পৰা বনগাঁৱলৈ উলিওৱা হয় এই মমবাতি সমদল। সমদলত পাঁচ শতাধিক যুৱক-যুৱতী, শিশু, মহিলা আৰু জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰি প্ৰাণৰ শিল্পীগৰাকীৰ ন্যায়ৰ দাবী জনায়। জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত উলিওৱা এই প্ৰতিবাদী সমদলত অংশগ্ৰহণকাৰীসকলে ন্যায় প্ৰদানৰ আহ্বান জনায় বনগাঁও চাৰি আলিলৈকে আগুৱাই আহে। অমৃত প্ৰভাৰ জামিন মঞ্জুৰ কৰাৰ লগে লগে অন্যঠাইৰ লগতে মাজুলীৰ বিভিন্ন স্থানত এই প্ৰতিবাদ সাব্যস্ত কৰা দেখা গৈছে। বিশেষকৈ যুৱ-প্ৰজন্মৰ মাজত ন্যায়ালয়ৰ প্ৰতি সন্দিহান হৈ পৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতত হে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন